www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমি যি জানো, সি অতি সামান্য। আমি যি নাজানো, তাৰ সীমা নাই। এতেকে, নিজক জ্ঞানী বুলি ভবা অনুচিত। -পাপলেচ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা-৩১৯ | দেওবাৰ | ২৭ ছেপ্টেম্বৰ, ২০২৬ চন | Volume/Year- I | Issue- 319 | Sunday | 27th September, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

### পাৰিবাৰিক বিবাদত ন্যায়িক প্ৰক্ৰিয়া আৰু ADR একত্ৰীকৃতভাৱে চলিব লাগিব ঃ ন্যায়াধীশ নাগাৰত্ন

গুৱাহাটীত পূৰ্বাঞ্চলীয় আঞ্চলিক সন্মিলনত গুৰুত্ব আৰোপ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৬ ছেপ্তেম্বৰ ঃ** পাৰিবাৰিক বিবাদৰ গোচৰত ন্যায় প্ৰদানৰ ক্ষেত্ৰত বিচাৰ আৰু বিকল্প বিবাদ নিষ্পত্তি (ADR) একেলগে কাম কৰিব লাগিব বুলি গুৰুত্ব ❑ ৬ পৃষ্ঠাত

### বৰাক উপত্যকাৰ বান, নদীখহনীয়া আৰু ভূমিস্খলনৰ স্থায়ী সমাধানৰ লক্ষ্যৰে শিলচৰত জাৰ্মান বিশেষজ্ঞ দল

স্থানীয় প্ৰশাসনৰ সৈতে প্ৰতিৰোধমূলক ব্যৱস্থা সন্দৰ্ভত আলোচনা

**ষ্টাফ ৰিপৰ্টাৰ, শিলচৰ, ২৬ ছেপ্টেম্বৰ ঃ** বৰাক উপত্যকাত দীৰ্ঘদিন ধৰি চলি থকা বানপানী, নদীখহনীয়া আৰু ভূমিস্খলনৰ সমস্যা স্থায়ীভাৱে সমাধান কৰাৰ উদ্দেশ্যে জাৰ্মান আন্তঃৰাষ্ট্ৰীয় পৰামৰ্শদাতা প্ৰতিষ্ঠান জিএফএ কনচালটিং গ্ৰুপৰ এটা বিশেষজ্ঞ দল শিলচৰত উপস্থিত হৈছে। জাৰ্মানীৰ আন্তঃৰাষ্ট্ৰীয় পৰিৱেশবিদ তথা ❑ ৬ পৃষ্ঠাত

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী নিমিষা ঠাকুৰীয়াৰ ৰহস্যজনক মৃত্যু ঃপ্ৰেমিকক গ্ৰেপ্তাৰ

# অবৈধভাৱে চলি থকা হোমষ্টেক নাকী লগোৱাত অক্ষম আৰক্ষী

### ধাৰাপুৰৰ 'ৰুদ্ৰাছ কিচেন' হোমষ্টেত অচেতন অৱস্থাত উদ্ধাৰ ঃ গুৱাহাটী মেডিকেল কলেজ হাস্পতালত মৃত ঘোষণা



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৬ ছেপ্টেম্বৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ ছাত্ৰী নিমিষা ঠাকুৰীয়াৰ ৰহস্যজনক মৃত্যুৰে সমগ্ৰ অঞ্চলত চাঞ্চল্য সৃষ্টি কৰিছে। ধাৰাপুৰ অঞ্চলৰ 'ৰুদ্ৰাছ কিচেন'নামৰ হোমষ্টেত তেওঁৰ মৃতদেহ উদ্ধাৰক লৈ পৰিয়াল, বন্ধু-বান্ধৱ আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শোক আৰু ক্ষোভৰ পৰিৱেশ দেখা গৈছে। শুকুৰবাৰে নিশা (২৫ ছেপ্তেম্বৰ) সংঘটিত এই ঘটনাৰ সৈতে জড়িতৰ সন্দেহত আৰক্ষীয়ে নিমিষাৰ প্ৰেমিক বুলি অভিহিত ২৬ বছৰীয়া আছিক আলীক গ্ৰেপ্তাৰ কৰিছে। আজাৰা আৰক্ষী থানাৰ অন্তৰ্গত ধাৰাপুৰৰ বাসিন্দা নিমিষা ঠাকুৰীয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব ❑ ৬ পৃষ্ঠাত

সুউচ্চ অট্টালিকাৰ অগ্নিকাণ্ড আৰু জৰুৰীকালীন পৰিস্থিতিত উদ্ধাৰ অভিযান অধিক ত্বৰান্বিত হ'ব

### অসমৰ অগ্নি আৰু জৰুৰীকালীন সেৱালৈ ৪২ মিটাৰ উচ্চতাৰ আধুনিক টাৰ্ণ টেবল লেডাৰ সংযোজন



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্টেম্বৰ ঃ** অসমৰ উন্নয়নৰ যাত্ৰা দ্ৰুততৰ হোৱাৰ সমান্তৰালভাৱে ৰাজ্য চৰকাৰে জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তাক সৰ্বোচ্চ অগ্ৰাধিকাৰ দি আহিছে। এই দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অসম অগ্নি আৰু জৰুৰীকালীন সেৱাত নতুনকৈ সংযোজিত হৈছে অত্যাধুনিক ৪২ মিটাৰ উচ্চতাৰ টাৰ্ণ টেবল লেডাৰ। মুখ্যমন্ত্ৰী ❑ ৬পৃষ্ঠাত

লাহৰীঘাটৰ চৰত প্ৰথমবাৰলৈ হেলিকপ্টাৰ নমাই নিৰ্বাচনী প্ৰচাৰ হাজৰিকাৰ

### কংগ্ৰেছ বাপ-বেটাৰ দল ঃ মন্ত্ৰী পীযুষ হাজৰিকা



**অসম বাৰ্তা ভুৰাগাঁও ২৬ ছেপ্তেম্বৰ ঃ** নগাঁও লোক সভাৰ উপ - নিৰ্বাচনক লৈ বিভিন্ন দলে ন-ন কৌশল ৰচনা কৰি ভোটাৰসকলক আকৃষ্ট কৰাৰ চেষ্টা কৰিছে। এইক্ষেত্ৰত সকলোকে অতিক্ৰম কৰি আজি মন্ত্ৰী পীযুষ হাজৰিকাই নগাঁও আৰু মৰিগাঁৱৰ কেবাটাও চৰত প্ৰথম বাৰৰ বাবে হেলিকপ্টাৰ নমাই নিৰ্বাচনী প্ৰচাৰ চলাই চমক দিয়ে। তাৰেই অংশ হিচাপে মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ শনি চৰতো আজি মন্ত্ৰী পীযুষ হাজৰিকাই নিৰ্বাচনী প্ৰচাৰ চলাই। পূৰ্বে চৰ সমূহত সৰু-সুৰা সভা সমিতি হৈ আহিছে যদিও চৰত বৃহৎ পেণ্ডেল নিৰ্মাণ কৰি হেলিকপ্টাৰ নমাই নিৰ্বাচনী প্ৰচাৰ চলোৱা লাহৰীঘাটবাসীৰ ❑ ৬ পৃষ্ঠাত

নগাঁৱৰ উপ নিৰ্বাচনৰ পূৰ্বে বদৰুদ্দিন আজমলৰ হট ডায়লগ

### কংগ্ৰেছ তথা শিৱামণি বৰা ICUত আছে, সকলো হাৰিব, মই জিকিম ঃ আজমল



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৬ ছেপ্তেম্বৰ ঃ** নগাঁৱত চলি থকা নিৰ্বাচনী প্ৰচাৰ এতিয়া উত্তাল হৈ পৰিছে। গীত-মাত আৰু হট ডায়লগেৰে প্ৰচাৰ সভাসমূহ মুখৰিত হৈ উঠিছে। বিভিন্ন অঞ্চলত ৰাইজৰ মুখত এতিয়া AIUDF সভাপতি বদৰুদ্দিন আজমলৰ তীক্ষ্ণ মন্তব্যসমূহেই চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। এইবাৰ আজমলৰ আক্ৰমণৰ লক্ষ্য হৈ পৰিছে কংগ্ৰেছ আৰু দলটোৰ প্ৰাৰ্থী শিৱামণি বৰা। প্ৰচাৰ সভাত বদৰুদ্দিন আজমলে কংগ্ৰেছক উদ্দেশ্যি কয়, "কংগ্ৰেছ তথা শিৱামণি বৰা ICUত আছে। সকলো হাৰিব, মই জিকিম।" তেওঁ লগতে মন্তব্য কৰে, "কংগ্ৰেছৰ আমাৰ লগত ❑ ৬ পৃষ্ঠাত

### গুজৰাটত ২,৩০০ কোটি টকাৰ ই-মিথানল প্ৰকল্পৰ আধাৰশিলা স্থাপন

কাণ্ডলাৰ দীনদয়াল বন্দৰত প্ৰতিদিনে ১৫০ টন উৎপাদন ক্ষমতাৰ প্ৰকল্প

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৬ ছেপ্তেম্বৰ ঃ** অসম পেট্ৰ'কেমিকেলছ লিমিটেড আৰু গুজৰাটৰ দীনদয়াল বন্দৰৰ যৌথ প্ৰচেষ্টাত গুজৰাটৰ কাণ্ডলাত ২, ৩০০ কোটি টকা ব্যয়ৰ এক ই-মিথানল প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হৈছে। শনিবাৰে অনুষ্ঠিত এই শিলান্যাস অনুষ্ঠানত গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰভাই পেটেল, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। প্ৰকল্পটোৰ প্ৰতিদিনে ১৫০ টন (১৫০ টিপিডি) ❑ ৬ পৃষ্ঠাত




জ্ঞানেশ কুমাৰৰ নেতৃত্বত কেইবাটাও সিদ্ধান্ত গ্ৰহণ

### বিতৰ্কৰ মাজতে নিৰ্বাচন আয়োগৰ গুৰুত্বপূৰ্ণ বৈঠক

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্তেম্বৰ ঃ** দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে দেশজুৰি প্ৰতিবাদ আৰু ৰাজনৈতিক বিতৰ্ক অব্যাহত থকাৰ মাজতে নিৰ্বাচন ❑ ৬ পৃষ্ঠাত




SIR আৰু নিৰ্বাচন আয়োগৰ অভ্যন্তৰীণ মতানৈক্যৰ প্ৰসঙ্গত আলোচনা

### জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী শক্তিশালী কৰিবলৈ ৩০ ছেপ্তেম্বৰত 'ইণ্ডিয়া' ব্লকৰ বৈঠক

২৯ ছেপ্তেম্বৰত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ বৈঠক, সংসদত নতুন অপসাৰণ জাননী দাখিলৰ সম্ভাৱনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্তেম্বৰ ঃ** মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক লৈ দেশজুৰি চলি থকা ৰাজনৈতিক বিবাদৰ মাজতে আগন্তুক ৩০ ছেপ্তেম্বৰত নতুন দিল্লীত বিৰোধী ঐক্যমঞ্চ 'ইণ্ডিয়া' ব্লকৰ অন্তৰ্গত দলসমূহৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হোৱাৰ ❑ ৬ পৃষ্ঠাত



হেলিকপ্টাৰ সেৱাও বন্ধ ঃ তীৰ্থযাত্ৰীৰ সুৰক্ষাৰ বাবে জিলা প্ৰশাসনৰ সিদ্ধান্ত

### ৰেড এলাৰ্টৰ প্ৰভাৱত কেদাৰনাথ তীৰ্থযাত্ৰা ২৭ ছেপ্তেম্বৰলৈ স্থগিত

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্তেম্বৰ ঃ** বতৰ বিজ্ঞান বিভাগে জাৰি কৰা একেৰাহে ৰেড এলাৰ্টৰ পৰিপ্ৰেক্ষিতত শনিবাৰৰ বিয়লিৰ পৰা ২৭ ছেপ্তেম্বৰলৈকে কেদাৰনাথ তীৰ্থযাত্ৰা সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই কথা সদৰি কৰিছে ৰুদ্ৰপ্ৰয়াগৰ জিলা দণ্ডাধীশ বিশাল মিশ্ৰই। ধাৰাসাৰ বৰষুণ আৰু প্ৰতিকূল বতৰৰ পৰিস্থিতিত তীৰ্থযাত্ৰীসকলৰ জীৱনৰ সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসনে এই জৰুৰী পদক্ষেপ গ্ৰহণ কৰিছে। ইফালে, প্ৰতিকূল বতৰৰ ফলত শনিবাৰে সমগ্ৰ দিনটো কেদাৰনাথলৈ চলি থকা হেলিকপ্টাৰ সেৱাও সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰে। এই সন্দৰ্ভত জিলা দুৰ্যোগ ব্যৱস্থাপনা বিষয়া নন্দন সিং



ৰাজৱাৰে উল্লেখ কৰে যে উত্তৰাখণ্ড ৰাজ্যিক জৰুৰীকালীন অভিযান কেন্দ্ৰ, ডেৰাডুনৰ পৰা লাভ কৰা বতৰৰ পূৰ্বাভাসত ধাৰাসাৰ বৰষুণ আৰু পাহাৰীয়া ধসৰ সম্ভাৱনা ব্যক্ত কৰি ৰেড এলাৰ্ট জাৰি কৰা হৈছে। ইয়াৰ ফলস্বৰূপে ভাৰতৰ লগতে বিদেশৰ পৰা অহা হাজাৰ হাজাৰ তীৰ্থযাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি চাৰিধাম যাত্ৰাৰ অংশস্বৰূপ কেদাৰনাথ যাত্ৰা পিছুৱাই দিয়া হৈছে। প্ৰশাসনৰ তৰফৰ ❑ ৬ পৃষ্ঠাত

'জুবিনৰ বিষয়ে নাজানো বুলি কোৱাতো লাজৰ কথা'

### 'অভিমন্যু তালুকদাৰ অসমীয়া নহয়, তেওঁ বিদেশী' ঃ গৰিমা শইকীয়া গাৰ্গ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৬ ছেপ্তেম্বৰ ঃ** প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত চলি থকা তদন্ত তথা আইনী গোচৰৰ মাজতে প্ৰবাসী অসমীয়া অভিমন্যু তালুকদাৰে আদালতত সাক্ষ্য দিয়াৰ পিছত সংবাদ মাধ্যমৰ আগত কৰা কিছু উদ্ভট মন্তব্যক লৈ বিতৰ্কই নতুন ৰূপ লৈছে। এইপ্ৰসংগতে ❑ ৬ পৃষ্ঠাত



জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ গোচৰত অভিমন্যু তালুকদাৰৰ আদালতত সাক্ষ্য দিয়াৰ পিছত মন্তব্য

### 'অসমৰ মূৰ্খ এটাও ছিংগাপুৰত থকাৰ কথা অসমৰ মানুহে গম পাইছে' ঃ ৰাজা বৰুৱা

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৬ ছেপ্তেম্বৰ ঃ** শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত



চলি থকা তদন্ত তথা আইনী গোচৰৰ মাজতে প্ৰবাসী অসমীয়া অভিমন্যু তালুকদাৰক লৈ ৰাজা বৰুৱাই তীব্ৰ কটাক্ষ কৰিছে। বৃহস্পতিবাৰে অভিমন্যু তালুকদাৰে আদালতত সাক্ষ্য প্ৰদান কৰাৰ পিছত সংবাদ মাধ্যমৰ সন্মুখত কিছু উদ্ভট মন্তব্য কৰা দেখা গৈছিল। তাৰ পিছতে সামাজিক মাধ্যমত এই বিষয়টোৱে নতুনকৈ ❑ ৬ পৃষ্ঠাত

প্ৰথম পৰ্যায়ত ৭৮খন মেচ ঃ বেংগালুৰুত উদ্বোধনী মেচ

### ১০ অক্টোবৰৰ পৰা আৰম্ভ আইএছএল ২০২৬-২৭



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্তেম্বৰ ঃ** ইণ্ডিয়ান ছুপাৰ লীগ (আইএছএল) ২০২৬-২৭ ছিজনৰ সময়সূচী ঘোষণা কৰা হৈছে। ১০ অক্টোবৰৰ পৰা আৰম্ভ হ'ব ভাৰতীয় ফ্ৰেঞ্চাইজী ফুটবলৰ এই মহাৰণ। ছিজনৰ উদ্বোধনী মেচখনত বেংগালুৰু এফচিয়ে বিয়লি ৫ বজাত স্প'ৰ্টিং ক্লাব দিল্লীৰ বিৰুদ্ধে খেলিব। মেচখন শ্ৰী কান্তিৰাভা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ইয়াৰ পিছৰ মেচখনত সন্ধিয়া ৭.৩০ বজাত ফাটৰ্ডা ষ্টেডিয়ামত এফচি গোৱাই চেন্নায়িন এফচিৰ বিৰুদ্ধে খেলিব। অনুৰাগীসকলৰ মতামতৰ ভিত্তিত ২০২৬-২৭ ছিজনত সপ্তাহৰ শেষদিনবোৰত মেচ অনুষ্ঠিত কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। প্ৰথম পৰ্যায়ৰ ৭৮খন মেচৰ ভিতৰত ৫৩খন অৰ্থাৎ ৬৮ শতাংশ মেচ শুকুৰবাৰ, ❑ ৬পৃষ্ঠাত

দক্ষিণ আফ্ৰিকা-জিম্বাবৱে-নামিবিয়াৰ যুটীয়া আয়োজনত ১৪ দলৰ অংশগ্ৰহণ

### ২০২৭ৰ এদিনীয়া বিশ্বকাপেই মোৰ শেষ বিশ্বকাপ ঃ বিৰাট কোহলী

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্টেম্বৰ ঃ** ২০২৭ চনৰ এদিনীয়া বিশ্বকাপৰ পূৰ্বে অৱসৰ তথা ভৱিষ্যৎ পৰিকল্পনা সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে ভাৰতীয় তাৰকা বেটাৰ বিৰাট কোহলীয়ে। তেওঁ স্পষ্ট কৰি দিছে যে ২০২৭ চনৰ এদিনীয়া বিশ্বকাপেই হ'ব তেওঁৰ কেৰিয়াৰৰ শেষ বিশ্বকাপ। ২০১১ চনৰ ❑ ৬ পৃষ্ঠাত



জাপানক ২-০ গ'লত পৰাস্ত ঃ ইতিমধ্যে ছেমিফাইনেলত মহিলা হকী দল

### এছিয়ান গেমছ ছেমিফাইনেলত পুৰুষ হকী দল

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ ছেপ্তেম্বৰ ঃ** জাপানত চলি থকা এছিয়ান গেমছ ২০২৬ত ভাৰতীয় হকী দলৰ শক্তিশালী প্ৰদৰ্শন অব্যাহত আছে। শনিবাৰে পুৰুষ হকী দলে আয়োজক জাপানক ২-০ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। ইয়াৰ পূৰ্বে মহিলা হকী দলেও ছেমিফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে। এই মুহূৰ্তত ভাৰতৰ দুয়োটা দলেই অপৰাজিত হৈ আছে। পুৰুষ দলৰ জয়ত অভিষেক আৰু হৰমনপ্ৰীত সিঙে গ'ল কৰে। জাপানে খেলখনত তীব্ৰ প্ৰত্যাহ্বান আগবঢ়াইছিল যদিও ডিফেণ্ডিং চেম্পিয়ন ভাৰতে বহুলাংশে সেই প্ৰত্যাহ্বান নিয়ন্ত্ৰণ কৰি ৰাখে। গ্ৰুপ পৰ্যায়ৰ আটাইতকৈ কঠিন পৰীক্ষা বুলি ধৰা এই মেচখনত ভাৰতে আৰামদায়ক জয় লাভ কৰি নিজৰ স্থিৰতা প্ৰমাণ কৰে। হকী ইণ্ডিয়াই সামাজিক মাধ্যমত পুৰুষ দলৰ এই সফলতা উদযাপন কৰি কয়, "ভাৰতীয় পুৰুষ দলে জাপানৰ বিৰুদ্ধে ২-০ গ'লত জয়লাভ কৰি এছিয়ান গেমছ ২০২৬ৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।" ভাৰতীয় পুৰুষ দলে গ্ৰুপ পৰ্যায়ত এতিয়ালৈ চাৰিওখন ❑ ৬ পৃষ্ঠাত



# মাজুলীৰ গড়মূৰ গাঁও পঞ্চায়ত সমবায় সমিতিৰ সচিব মানৱ জ্যোতি শইকীয়াক নিলম্বন

**অসম বাৰ্তা, মাজুলী, ২৬ ছেপ্টেম্বৰ ঃ** মাজুলী জিলা সদৰ গড়মূৰ তিনিআলিত অৱস্থিত গড়মূৰ গাঁও পঞ্চায়ত সমবায় সমিতিৰ সচিব মানৱ জ্যোতি শইকীয়াক মাজুলী জিলা দণ্ডাধীশ তথা জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ এক আদেশ যোগে সচিব পদৰ পদৰ পৰা নিলম্বন কৰিছে। জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ আদেশত উল্লেখ কৰা মতে সমবায় সমিতিৰ সচিব গৰাকীয়ে চৰকাৰী পি এম জি কে এ ৱাই (PMGKAY) চাউল উত্তৰ লক্ষ্মীমপুৰৰ ভাৰতীয় খাদ্য নিগমৰ ভঁৰালৰ পৰা উত্তোলন কৰা গত জুলাই আৰু আগষ্ট মাহৰ চাউলৰ হিচাপ সঠিক ভাবে ৰাখিবলৈ সঞ্চালক মণ্ডলী আৰু বিভাগৰ বিষয়াই দিয়া পৰামৰ্শ আওকাণ কৰি নিজস্ব খেয়াল খুচি মতে ষ্টক একাউণ্ট অনিয়ম সংঘটিত কৰিছিল। সেই সন্দৰ্ভত মাজুলী জিলা খাদ্য সুৰক্ষা বিভাগৰ দুগৰাকী পৰিদৰ্শক এক তদন্ত আৰম্ভ কৰিছিল তদন্ত। তদন্তকাৰী বিষয়াদ্যৰ প্ৰতিবেদন অনুসৰি বিভাগে গত ইং তাৰিখে MFC /27/2024/garamur GPSS /B56 /dt. 24/8/2026 চিঠি অনুসৰি সচিব মানৱ জ্যোতি শইকীয়াক কাৰণ দৰ্শাই জাননী জাৰি কৰি নিৰ্দিষ্ট সময়ৰ ভিতৰত উত্তৰ দিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল। উক্ত চিঠিৰ উত্তৰ সচিব গৰাকীয়ে সঠিকৰূপত সন্তোষ জনক উত্তৰ দিব নোৱাৰাৰ পৰিপেক্ষেত্ৰত জিলা আয়ুক্ত কাৰ্যলাৰ MFCS/ 27/2024/garamur GPSS /780 dt. 14th september/2026 আদেশ মৰ্মে তাংক্ষণিক ভাৱে সচিব পদৰ পৰা নিলম্ব কৰাৰ লগতে ৰাজহুৱা বিতৰণ ব্যৱস্থাত ব্যাঘাত নোহোৱাকৈ মাজুলী জিলাৰ সমবায় সমিতি সমূহৰ সহকাৰী পঞ্জীয়কে অনুমোদন জনোৱা কাৰ্যলয় সহায়ক মিণ্টু শইকীয়াক ছেপ্টেম্বৰ আৰু অক্টোবৰ মাহৰ চাউল উত্তৰ লখিমপুৰৰ ভাৰতীয় খাদ্য নিগমৰ পৰা ( পি এম জি কে এ ৱাই) চাউল উত্তোলনৰ বাবে আদেশ দিয়ে। উল্লেখযোগ্য যোৱা ১৪ ছেপ্টেম্বৰ তাৰিখে গড়মূৰ সমবায় সমিতিৰ কাৰ্যলয়ত অনুষ্ঠিত অনুষ্ঠিত হোৱা বাৰ্ষিক সাধাৰণ সভাত সমবায় সমবায় সমিতিৰ সাধাৰণ সভাত সচিব গৰাকীয়ে দীৰ্ঘদিন ধৰি কৰি অহা দুৰ্নীতি আৰু নিয়ম সমূহৰ সন্দৰ্ভত বিস্তৃত ভাবে আলোচনা কৰে সম্পাদক গৰাকীৰ পৰা স্পষ্টীকৰন বিচাৰত সাধাৰণ সভাত সচিব গৰাকীয়ে সঠিক উত্তৰ দিব নোৱাৰাৰ পৰিপেক্ষেত্ৰত সাধাৰণ সভাই সচিব গৰাকীক দোষী সাবস্ত্য কৰি মাজুলী জিলা সমবায় সমূহৰ উপ পৰিদৰ্শকৰ কাৰ্যলয়ৰ পৰা প্ৰেৰণ কৰা দুগৰাকী পৰ্যবেক্ষকৰ উপস্থিতিত ৰাজহুৱা স্বাৰ্থজনীত কাৰণত সচিব গৰাকীক সচিব পদৰ পদৰ পৰা অব্যাহত দিয়াৰ চুড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হয়।

# দৰং জিলাৰ বিভিন্ন উন্নয়ন খণ্ডত 'সেৱা সংকল্প অভিযান'ৰ অধীনত সেৱা শিবিৰৰ আয়োজন

**অসম বাৰ্তা, দেওমৰনৈ, ২৬ ছেপ্টেম্বৰ ঃ** জনসাধাৰণৰ কাষলৈ চৰকাৰী সেৱা আৰু কল্যাণমূলক আঁচনিৰ সুবিধা সহজ, সুলভ আৰু ফলপ্ৰসূভাৱে লৈ যোৱাৰ উদ্দেশ্যে ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰ, ২০২৬লৈ ৰাজ্যজুৰি অনুষ্ঠিত হৈ থকা 'সেৱা সংকল্প অভিযান'ৰ অংশ হিচাপে দৰং জিলাৰ বিভিন্ন উন্নয়ন খণ্ডতো সেৱা শিবিৰৰ আয়োজন কৰা হৈছে। এই শিবিৰসমূহত কেন্দ্ৰীয় চৰকাৰৰ ২৬টা আৰু ৰাজ্য চৰকাৰৰ ২০টা, সৰ্বমুঠ ৪৬টা ধ্বজাবাহী আঁচনি আৰু জনকল্যাণমূলক কাৰ্যসূচীৰ বিষয়ে তথ্য, যোগ্যতা নিৰূপণ, আবেদন প্ৰক্ৰিয়াত সহায়, প্ৰয়োজনীয় নথি-পত্ৰ সম্পৰ্কে পৰামৰ্শ আৰু অন্যান্য চৰকাৰী সেৱা লাভৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা হ'ব। ৰাইজে নিজ নিজ অঞ্চলৰ ওচৰতে একেটা স্থানতে বিভিন্ন বিভাগৰ সেৱা লাভ কৰাৰ সুবিধা পাব। বিশেষকৈ আঁচনিৰ সুবিধাৰ পৰা এতিয়াও বঞ্চিত হৈ থকা যোগ্য ব্যক্তিসকলক চিনাক্ত কৰি আঁচনিৰ আওতালৈ অনাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। দৰং জিলাত অনুষ্ঠিত হ'বলগীয়া সেৱা শিবিৰসমূহৰ তাৰিখ আৰু স্থান ইতিমধ্যে নিৰ্ধাৰণ কৰা হৈছে। সেই অনুসৰি পূব মঙলদৈ উন্নয়ন খণ্ডত ১ অক্টোবৰ, ২০২৬ তাৰিখে ধূলাস্থিত উন্নয়ন খণ্ডৰ চৌহদৰ সামূহিক সভাগৃহত, পশ্চিম মঙলদৈ উন্নয়ন খণ্ডত ৩ অক্টোবৰ, ২০২৬ তাৰিখে ব্লক চ'কৰ উন্নয়ন খণ্ডৰ বহুমুখী সভাগৃহত, ছিপাঝাৰ উন্নয়ন খণ্ডত ৪ অক্টোবৰ, ২০২৬ তাৰিখে ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত, দলগাঁও—ছিয়ালমাৰী উন্নয়ন খণ্ডত ৮ অক্টোবৰ, ২০২৬ তাৰিখে নাগাজান গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সামূহিক সভাগৃহত আৰু বেছিমাৰী উন্নয়ন খণ্ডত ৯ অক্টোবৰ, ২০২৬ তাৰিখে উন্নয়ন খণ্ডৰ কাৰ্যালয় চৌহদত সেৱা শিবিৰ অনুষ্ঠিত হ'ব। শিবিৰসমূহৰ বিষয়ে অধিক তথ্য আৰু প্ৰয়োজনীয় সহায়ৰ বাবে নাগৰিকসকলে ক্ৰমে ৭০০২৫৩৮২৪৪, ৮০৯৯৯৬৩৪২৮, ৭০০২৭৫৪৩০১, ৯৩৬৫৫২০১১২ আৰু ৯৮৬৪১২২৮৩৫ নম্বৰত যোগাযোগ কৰিব পাৰিব। জিলা প্ৰশাসনৰ তত্ত্বাৱধানত সংশ্লিষ্ট উন্নয়ন খণ্ডসমূহৰ বিষয়া-কৰ্মচাৰী আৰু বিভিন্ন বিভাগৰ বিষয়াসকলে সমন্বিতভাৱে শিবিৰসমূহ পৰিচালনা কৰিব। যোগ্য হিতাধিকাৰীসকলক প্ৰয়োজনীয় নথি-পত্ৰসহ শিবিৰসমূহত উপস্থিত হৈ চৰকাৰী সেৱা আৰু আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। জিলা আয়ুক্ত আয়ুষী জৈনে দৰং জিলাৰ সকলো যোগ্য হিতাধিকাৰী আৰু ৰাইজক এই সেৱা শিবিৰসমূহত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি উপলব্ধ চৰকাৰী সেৱা আৰু আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তেওঁ লগতে জনসাধাৰণৰ সক্ৰিয় সহযোগিতাই 'সেৱা সংকল্প অভিযান' সফল কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে।

### চাৰিওটা বেদৰ মন্ত্ৰধ্বনিৰে মুখৰিত হ'ব বিশ্বনাথ জিলাৰ গমিৰি

# তিনিদীনিয়া কাৰ্য্যসূচীৰে আঞ্চলিক বৈদিক সন্মিলন

**অসম বাৰ্তা, বিহালী, ২৬ ছেপ্টেম্বৰ ঃ** বিশ্বনাথত মহৰ্ষি সান্দীপনি ৰাষ্ট্ৰীয় বেদবিদ্যা প্ৰতিষ্ঠান আৰু মা গায়ত্ৰী বেদ বিদ্যালয়ৰ যৌথ তত্ত্বাৱধানত ২৬, ২৭ আৰু ২৮ ছেপ্টেম্বৰ ২০২৬ তাৰিখে তিনি দিনীয়া কাৰ্যসূচীৰে আঞ্চলিক বৈদিক সন্মিলন অনুষ্ঠিত হৈছে। এই সন্মিলনত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা চাৰিওটা বেদৰ বিশিষ্ট পণ্ডিত, বেদপাঠী, আচাৰ্য, প্ৰাচাৰ্য, শিক্ষাবিদ, বিশ্ববিদ্যালয়ৰ উপাচাৰ্যকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি অংশগ্ৰহণ কৰিব। সন্মিলনত মহৰ্ষি সান্দীপনি ৰাষ্ট্ৰীয় বেদবিদ্যা প্ৰতিষ্ঠানৰ সঞ্চালক আৰু কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয়ৰ উপাচাৰ্যও বিশেষভাৱে উপস্থিত থাকিব। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বৈদিক পণ্ডিত আৰু বৈদিক শিক্ষানুষ্ঠানৰ আচাৰ্যসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোক বিশেষ গুৰুত্ব প্ৰদান কৰিব। এই ত্ৰিদিৱসীয় বৈদিক সন্মিলনৰ অন্যতম আকৰ্ষণ হৈছে ২৭ ছেপ্টেম্বৰ ২০২৬ তাৰিখে অনুষ্ঠিত হ'বলগীয়া চতুৰ্বেদ পাৰায়ণ অনুষ্ঠান। এই দিনা বিশ্বনাথ জিলাৰ নিৰ্ধাৰিত বিভিন্ন স্থানত গৈ ঋদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদৰ পাৰায়ণ কৰা হ'ব। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বৈদিক পণ্ডিত আৰু বেদপাঠীসকলে এই স্থানসমূহত বৈদিক মন্ত্ৰৰ সস্বৰ পাঠ আৰু পাৰায়ণ কৰিব। এটা নিৰ্দিষ্ট স্থানত অনুষ্ঠান অনুষ্ঠিত কৰাৰ পৰিবৰ্তে জিলাখনৰ বিভিন্ন অঞ্চললৈ বৈদিক পৰম্পৰা লৈ যোৱাৰ এই প্ৰচেষ্টা সন্মিলনৰ এক বিশেষ বৈশিষ্ট্য। ইয়াৰ জৰিয়তে স্থানীয় নাগৰিক, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক বৈদিক জ্ঞান আৰু বেদপাঠৰ সমৃদ্ধ পৰম্পৰাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত হোৱাৰ সুযোগ প্ৰদান কৰা হ'ব। সন্মিলনৰ অন্যান্য অধিৱেশনসমূহত বেদ অধ্যয়ন, বৈদিক শিক্ষা, ভাৰতীয় জ্ঞান-পৰম্পৰা আৰু বৰ্তমান সময়ত বেদৰ প্ৰাসংগিকতাকে ধৰি বিভিন্ন বিষয়ত বিদ্বৎচৰ্চা আৰু বৈদিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিভিন্ন ৰাজ্য আৰু অঞ্চলৰ পৰা অহা পণ্ডিত, আচাৰ্য, প্ৰাচাৰ্য আৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকলৰ অংশগ্ৰহণে বৈদিক শিক্ষাৰ বিভিন্ন দিশত এক অৰ্থপূৰ্ণ আলোচনা অনুষ্ঠিত হোৱাৰ আশা কৰা হৈছে। ত্ৰিদিৱসীয় আঞ্চলিক বৈদিক সন্মিলন আয়োজক সমিতিৰ মতে, এই সন্মিলনৰ মূল উদ্দেশ্য হৈছে বেদৰ প্ৰাচীন আৰু সমৃদ্ধ পৰম্পৰা সংৰক্ষণ আৰু সংবৰ্ধন কৰাৰ লগতে সমাজৰ বৃহৎ অংশৰ মাজলৈ ইয়াক লৈ যোৱা আৰু নতুন প্ৰজন্মক ভাৰতীয় জ্ঞান-পৰম্পৰাৰ সৈতে পৰিচয় কৰোৱা। ২৬ৰ পৰা ২৮ ছেপ্টেম্বৰ ২০২৬লৈ অনুষ্ঠিত হৈ থকা এই সন্মিলনৰ ২৭ ছেপ্টেম্বৰৰ চতুৰ্বেদ পাৰায়ণ অনুষ্ঠান বিশ্বনাথ জিলাৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত হ'ব। সেই দিনা জিলাখনৰ বিভিন্ন স্থানত বৈদিক মন্ত্ৰৰ ধ্বনিৰে মুখৰিত হ'ব আৰু বৈদিক পৰম্পৰাৰ ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰৰ এক পৰিৱেশ সৃষ্টি হ'ব।

# নাজিৰাত চাইবাৰ অপৰাধ সজাগতা সভা অনুষ্ঠিত

**অসম বাৰ্তা, গেলেকী, ২৬ ছেপ্টেম্বৰ ঃ** আজিকালিৰ ডিজিটেল যুগত বৃদ্ধি পোৱা চাইবাৰ অপৰাধ প্ৰতিৰোধ আৰু অনলাইন সুৰক্ষাৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তোলাৰ উদ্দেশ্যে নাজিৰাত এখনি গুৰুত্বপূৰ্ণ সজাগতা সভা অনুষ্ঠিত হৈ যায়। শিৱসাগৰ জিলা আৰক্ষী বিভাগৰ উদ্যোগত তথা নাজিৰা আদৰ্শ আৰক্ষী থানা আৰু নাজিৰা থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ সহযোগত এই সজাগতা সভাখনি আয়োজন কৰা হয়। নাজিৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই সভাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু স্থানীয় বহুসংখ্যক লোক উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে শিৱসাগৰ জিলা অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মইদুল ইছলামে আদৰণি ভাষণ প্ৰদান কৰি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। তেওঁ বৰ্তমান সময়ত চাইবাৰ অপৰাধীয়ে কিদৰে নতুন নতুন কৌশলেৰে সাধাৰণ মানুহক প্ৰৱঞ্চনাৰ জালত পেলাইছে, সেই বিষয়ে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। সভাত জিলা চাইবাৰ চেলৰ সহকাৰী পৰিদৰ্শক বিকাশ গগৈ আৰু ভাস্কৰজ্যোতি বৰুৱাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি চাইবাৰ অপৰাধৰ বিভিন্ন দিশ আলোকপাত কৰে। তেওঁলোকে অনলাইন প্ৰৱঞ্চনা, বিত্তীয় জালিয়াতি (Financial Fraud), ছ'চিয়েল মিডিয়াৰ সুৰক্ষিত ব্যৱহাৰ আৰু চাইবাৰ অপৰাধৰ চিকাৰ হ'লে কি কি আইনী ব্যৱস্থা ল'ব লাগে তথা ক'ত অভিযোগ দাখিল কৰিব লাগে, সেই সম্পৰ্কে বিশদভাৱে ব্যাখ্যা আগবঢ়ায়। সভাৰ অন্তত উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু ৰাইজে ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰোঁতে সজাগ হোৱাৰ পণ লোৱাৰ লগতে এনে সজাগতামূলক অনুষ্ঠান প্ৰশংসনীয় বুলি মত প্ৰকাশ কৰে।

# মৰিগাঁও জিলাৰ অসামৰিক চিকিৎসালয়ৰ SNCUত সহায়ক তদাৰকী আৰু পৰ্যবেক্ষণ সম্পন্ন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা শিশু ৰোগ বিশেষজ্ঞ ডাঃ দিগন্ত বৰ্মনে আজি মৰিগাঁওস্থিত শ্বহীদ তিলক হেমৰম সোঁৱৰণি (STHG) জিলাৰ অসামৰিক চিকিৎসালয় ৰ বিশেষ নৱজাতক যত্ন গোট (SNCU)ত সহায়ক তদাৰকী আৰু পৰ্যবেক্ষণমূলক পৰিদৰ্শন সম্পন্ন কৰে। পৰিদৰ্শনকালত ডাঃ বৰ্মনে SNCU-ৰ সামগ্ৰিক কাৰ্যপদ্ধতি, নৱজাতকসকলৰ নিবিড় চিকিৎসা আৰু যত্ন ব্যৱস্থা, সেৱা প্ৰদানৰ মানদণ্ড, সংক্ৰমণ নিয়ন্ত্ৰণ ব্যৱস্থা আৰু চিকিৎসা ব্যৱস্থাপনাৰ বিভিন্ন দিশ বিস্তৃতভাৱে পৰ্যালোচনা কৰে। তেওঁ চিকিৎসক, নাৰ্চিং বিষয়া আৰু স্বাস্থ্যকৰ্মীসকলৰ সৈতে মত-বিনিময় কৰি গুণগত নৱজাতক স্বাস্থ্যসেৱা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে প্ৰয়োজনীয় কাৰিকৰী পৰামৰ্শ আৰু দিহা-নিৰ্দেশনা আগবঢ়ায়। উল্লেখ্য যে, এইধৰণৰ সহায়ক তদাৰকী আৰু পৰ্যবেক্ষণমূলক কাৰ্যসূচীয়ে নৱজাতকসকলৰ বাবে গুণগত, সুৰক্ষিত আৰু ফলপ্ৰসূ স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ লগতে SNCUৰ সেৱাৰ মান অধিক উন্নীত কৰাত বিশেষ ভূমিকা পালন কৰে।

# অভয়াপুৰীত অব্যাহত অবৈধ চাউলৰ বেহা; আৰক্ষীৰ জালত চাউলভৰ্তি বাহন

**অসম বাৰ্তা, অভয়াপুৰী, ২৬ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলত অবৈধভাৱে চাউল সৰবৰাহৰ অভিযোগক লৈ পুনৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি, দীৰ্ঘদিন ধৰি একাংশ অসাধু চক্ৰই অঞ্চলটোত বগা চাউলৰ অবৈধ বেহা চলাই আহিছে। এনে অভিযোগৰ মাজতে আজি অভয়াপুৰী আৰক্ষীয়ে বৃহৎ পৰিমাণৰ চাউলভৰ্তি এখন চাৰিচকীয়া বাহন জব্দ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি, লেংটিছিঙাৰ দিশৰ পৰা অভয়াপুৰী অভিমুখে আহি থকা AS 19 AC 6020 নম্বৰৰ এখন টাটা আলট্ৰা বাহন ডুমুৰীয়া অঞ্চলত সন্দেহজনকভাৱে অন্ধকাৰত ৰৈ থকা অৱস্থাত স্থানীয় ৰাইজৰ দৃষ্টিগোচৰ হয়। বাহনখনৰ গতিবিধি সন্দেহজনক বুলি অনুমান কৰি স্থানীয় ৰাইজে আৰক্ষীক খবৰ দিয়ে। খবৰ লাভ কৰাৰ পাছতে অভয়াপুৰী আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে বাহনখনত তালাচী চলোৱাত বৃহৎ পৰিমাণৰ চাউল সৰবৰাহৰ তথ্য পোহৰলৈ আহে। ইয়াৰ পাছতে আৰক্ষীয়ে বাহনখন জব্দ কৰি থানালৈ লৈ যায়। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, অভয়াপুৰী তথা ইয়াৰ আশে-পাশে থকা বিভিন্ন অঞ্চলত দীৰ্ঘদিন ধৰি একাংশ অসাধু চক্ৰই অবৈধভাৱে চাউল ক্ৰয়-বিক্ৰয় আৰু সৰবৰাহ কৰি আহিছে। এই সন্দৰ্ভত বিভিন্ন দল-সংগঠনে পূৰ্বেও প্ৰশাসনৰ দৃষ্টি আকৰ্ষণ কৰি অহাৰ অভিযোগ উত্থাপন হৈছে। ইপিনে, জব্দ কৰা বাহনখনৰ জৰিয়তে ক'ৰ পৰা চাউল অনা হৈছিল, ক'লৈ সৰবৰাহৰ চেষ্টা চলোৱা হৈছিল আৰু এই ব্যৱসায়ৰ সৈতে কোন কোন লোক বা চক্ৰ জড়িত আছে, সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। অবৈধ চাউলৰ বেহাৰ বিৰুদ্ধে প্ৰশাসনে অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ দাবী জনাইছে স্থানীয় ৰাইজ আৰু বিভিন্ন দল-সংগঠনে। সমগ্ৰ ঘটনাক লৈ আৰক্ষীৰ তদন্তৰ পাছতহে অবৈধ চাউল সৰবৰাহৰ সৈতে জড়িত চক্ৰটোৰ বিষয়ে অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

# বিজনীত অসম কৃষি শ্ৰমিক ইউনিয়নৰ দ্বিতীয় ৰাজ্যিক সন্মিলন

**অসম বাৰ্তা, বিজনী, ২৬ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ বিজনীৰ বল্লমগুৰী অটো আস্থানত দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈছে অসম কৃষি শ্ৰমিক ইউনিয়নৰ দ্বিতীয় ৰাজ্যিক সন্মিলন। অসম কৃষি শ্ৰমিক ইউনিয়নৰ দ্বিতীয় ৰাজ্যিক সন্মিলনৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি অসম কৃষি শ্ৰমিক ইউনিয়নৰ সভাপতি অজিত দাসৰ সভাপতিত্বত দুপৰীয়াৰ ভাগত এখন মুকলি সভা অনুষ্ঠিত হয়। উক্ত সভাত অসমৰ বিশিষ্ট বাওঁপন্থী নেতা সুপ্ৰকাশ তালুকদাৰ উপস্থিত থাকি ভাৰতৰ নিৰ্বাচন আয়োগ নিৰপেক্ষ হৈ থকা নাই বুলি অভিযোগ উত্থাপন কৰি নিৰ্বাচন আয়োগ বিজেপিৰ দ্বাৰা পৰিচালিত হৈছে বুলি মন্তব্য কৰে। তেওঁ কয় যে নিৰ্বাচন আয়োগ সাংবিধানগত ভাৱে সম্পূৰ্ণ নিৰপেক্ষ এটা সংস্থা। নিৰ্বাচন আয়োগৰ মুখ্য আয়ুক্তৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এই অভিযোগ প্ৰত্যাখ্যান কৰাৰ দায়িত্ব মুখ্য নিৰ্বাচন আয়োগৰ। কিন্তু ইয়াৰ বিৰুদ্ধে অসমৰ মুখ্যমন্ত্ৰীকে ধৰি বিজেপিৰ নেতা সকলে যিদৰে ক'বলৈ ধৰিছে ইয়াৰ জৰিয়তে প্ৰমাণ কৰে অসমতো ডিলিমিটেছন হৈছে। অসমত ডিলিমিটেছন নিৰ্বাচন আয়োগে কৰা নাই, বিজেপিৰ শ্ৰুতলিপিয়ে কৰিছিল। এইটোৱেই ভাৰতৰ গণতন্ত্ৰৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। ইয়াক যদি বাধা দিব নোৱাৰো, যদি সুবিচাৰ নহয়, ৰাষ্ট্ৰপতিয়ে যদি হস্তক্ষেপ নকৰে তেন্তে ভাৰতৰ গণতন্ত্ৰৰ শ্মশান যাত্ৰা আৰম্ভ হ'ব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। আজি অনুষ্ঠিত হৈ যোৱা মুকলি সভাত অসম কৃষি শ্ৰমিক ইউনিয়নৰ ৰাজ্যিক উপ সভাপতি অমিয় পাত্ৰ, ত্ৰিপুৰাৰ ৰাজ্যিক সম্পাদক শ্যামল দে, অসম কৃষি শ্ৰমিক ইউনিয়নৰ উপ সভাপতি ড° ভূপেন শৰ্মা, অসম কৃষি শ্ৰমিক ইউনিয়নৰ সম্পাদক নয়ন ভূঞা, অসমৰ বিশিষ্ট বাওঁপন্থী নেতা সুপ্ৰকাশ তালুকদাৰ, নিখিল ভাৰত কৃষক সভাৰ অসম ৰাজ্যিক কমিটিৰ সম্পাদক গজেন্দ্ৰ বৰ্মন, অভ্যৰ্থনা সমিতিৰ সভাপতি পৰিমল চক্ৰবৰ্তী, অভ্যৰ্থনা সমিতিৰ সম্পাদক ধ্ৰুৱ কুমাৰ মেধি, ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেচনৰ অসম ৰাজ্যিক সম্পাদক মণ্ডলীৰ সদস্য শুভঙ্কৰ ঘোষ সহ অন্যান্য নেতৃবৃন্দই অংশগ্ৰহণ কৰে।

### বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুজনক আটক

# লেখাপানী আৰু জাগুন আৰক্ষীৰ নিষিদ্ধ ড্ৰাগছ বিৰোধী যৌথ অভিযান




**অসম বাৰ্তা বিশেষ, জাগুন, ২৬ ছেপ্টেম্বৰ ঃ** মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত জাগুনৰ বিভিন্ন স্থানত লেখাপানী আৰু জাগুন আৰক্ষীয়ে শুক্ৰবাৰে ড্ৰাগছ বিৰোধী এক অভিযান চলায়। আৰক্ষীৰ এই যৌথ অভিযান কালত ভিন্ন স্থানৰ পৰা বৃহৎ পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ জব্দ কৰাৰ উপৰিও দুজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয় আৰক্ষী। আটকাধিন ড্ৰাগছ সৰবৰাহকাৰী দুজন জাগুনৰ পাৰ্বতীপুৰ গাঁৱৰ কিৰণ শৰ্মা আৰু লিডুৰ দেবু বসুমতাৰী বুলি জানিব পৰা গৈছে। আটকাধিন কিৰণ শৰ্মাৰ পৰা আৰক্ষীয়ে ১৯৫.৭৭ গ্ৰাম নিষিদ্ধ ড্ৰাগছ জব্দ কৰে যাৰ বজাৰ মূল্য ৫০ লাখতকৈ অধিক বুলি জানিব পৰা গৈছে। আনহাতে আটকাধিন কিৰণ শৰ্মাৰ স্বীকাৰোক্তিৰ ভিত্তিত লিডুৰ দেবু বসুমতাৰী নামৰ আন এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে তেওঁৰ লিডুস্থিত বাসগৃহৰ পৰা ৫২.০০ গ্ৰাম নিষিদ্ধ ড্ৰাগছ জব্দ কৰে যাৰ বজাৰ মূল্য ১২ লাখতকৈ অধিক হ'ব বুলি জানিব পৰা গৈছে। অধিক তথ্যৰ বাবে দুয়োজনকে লেখাপানী আৰক্ষীয়ে নিজৰ জিম্মাত ৰাখি জেৰা অব্যাহত ৰাখিছে।

# মৈৰাবাৰী মহাবিদ্যালয়ত দুদিনীয়া ICSSR-NERC পৃষ্ঠপোষকতাত ৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ সফল সামৰণি

**অসম বাৰ্তা, মৈৰাবাৰী, ২৬ ছেপ্টেম্বৰ ঃ** মৈৰাবাৰী মহাবিদ্যালয়ত ২৪ আৰু ২৫ ছেপ্টেম্বৰ, ২০২৬ তাৰিখে ভাৰতীয় সামাজিক বিজ্ঞান গৱেষণা পৰিষদৰ উত্তৰ-পূব আঞ্চলিক কেন্দ্ৰ (ICSSR-NERC)-ৰ পৃষ্ঠপোষকতাত দুদিনীয়া ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ ভূগোল আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আৰু IQAC, মৈৰাবাৰী মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত আলোচনা-চক্ৰখনৰ মূল বিষয় আছিল— "Beyond Strategic Outreach: Connectivity, Markets and Ecology in India's Act East Policy"। আলোচনা-চক্ৰখনলৈ দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ৬০টাতকৈ অধিক গৱেষণা-পত্ৰৰ সাৰাংশ (Abstract) লাভ কৰা হয়। ইয়াৰে প্ৰায় ৪০খন গৱেষণা-পত্ৰ অনলাইন আৰু অফলাইন- দুয়োটা মাধ্যমতে উপস্থাপন কৰা হয়। আলোচনা-চক্ৰখনত ভাৰতৰ Act East Policyৰ পৰিপ্ৰেক্ষিতত যোগাযোগ ব্যৱস্থা, বজাৰ, অৰ্থনৈতিক সম্পৰ্ক, পৰিৱেশ আৰু পৰিৱেশগত প্ৰভাৱকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত বিস্তৃত আলোচনা অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ মুখ্য বক্তা হিচাপে উপস্থিত থাকে শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁৱৰ উপাচাৰ্য অধ্যাপক অশোক কুমাৰ বৰা। তেওঁ Act East Policyৰ বিভিন্ন দিশ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ইয়াৰ গুৰুত্ব সম্পৰ্কে বক্তব্য আগবঢ়ায়। আলোচনা-চক্ৰখনত সমল ব্যক্তি হিচাপে ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, অৰুণাচল প্ৰদেশৰ অধ্যাপক নিশামণি কৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক শুভ্ৰজিত কোঁৱৰ আৰু শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁৱৰ ড° সৌৰভ সাহা উপস্থিত থাকি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত জ্ঞানগৰ্ভ বক্তৃতা আগবঢ়ায়। দুদিনীয়া আলোচনা-চক্ৰখনৰ সামৰণি অনুষ্ঠান তথা Valedictory Session-ত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম কলেজ শিক্ষক সংস্থা (ACTA)-ৰ সাধাৰণ সম্পাদক ড° পৰাগ জ্যোতি মহন্ত। সামৰণি অনুষ্ঠানটো মৈৰাবাৰী মহাবিদ্যালয়ৰ দলিল আহমেদে সুন্দৰভাৱে পৰিচালনা কৰে। আলোচনা-চক্ৰখনৰ আহ্বায়ক ড° সমীৰ বৰুৱা আৰু সহ-আহ্বায়ক ড° চন্দিনী পেগুৱে অনুষ্ঠানটো সফল কৰি তোলাৰ বাবে সকলো অংশগ্ৰহণকাৰী, গৱেষণা-পত্ৰ উপস্থাপক, সমল ব্যক্তি আৰু মৈৰাবাৰী মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁলোকে সকলোৰে সহযোগিতা আৰু সহায়ৰ বাবে বিশেষভাৱে কৃতজ্ঞতা প্ৰকাশ কৰে। দুদিনীয়া এই ৰাষ্ট্ৰীয় আলোচনা-চক্ৰখনে উত্তৰ-পূৰ্বাঞ্চলৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ Act East Policyৰ কৌশলগত, অৰ্থনৈতিক আৰু পৰিৱেশগত দিশসমূহৰ ওপৰত এক গুৰুত্বপূৰ্ণ শৈক্ষিক আলোচনা আৰু মত-বিনিময়ৰ সুযোগ সৃষ্টি কৰে।

## দেৰগাঁৱত যুৱক সন্ধানহীন

**অসম বাৰ্তা, দেৰগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** দেৰগাঁও চকিয়াল গাঁৱৰ বাসিন্দা প্ৰদীপ গগৈ নামৰ ব্যক্তিগৰাকী কালি নিশা প্ৰায় ৮ বজাৰ পৰা সন্ধানহীন হৈ আছে। পৰিয়ালৰ লোকে জনোৱা অনুসৰি, কালি নিশাৰ পৰা প্ৰদীপ গগৈৰ কোনো সন্ধান লাভ কৰা হোৱা নাই। কোনো সদাশয় ব্যক্তিয়ে ব্যক্তিগৰাকীক দেখা পালে বা তেওঁৰ বিষয়ে কোনো তথ্য লাভ কৰিলে ৬০০২৮৬৭২০২ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। সন্ধানহীন ব্যক্তিগৰাকীৰ সন্ধানত সকলোৰে সহায়-সহযোগিতা কামনা কৰা হৈছে।

# শংকৰদেৱ মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনত আনুষ্ঠানিক নামভৰ্ত্তি আৰু প্ৰমাণ পত্ৰ বিতৰণৰ উদ্বোধনী সভা সম্পন্ন



**অসম বাৰ্তা, বান্দৰদেৱা, ২৬ ছেপ্টেম্বৰ ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী বৃহত্তৰ পথালিপাহাৰ অঞ্চলটোৰ ঐতিহ্য মণ্ডিত উচ্চ শিক্ষানুষ্ঠান শংকৰদেৱ মহাবিদ্যালয়ৰ ডিজিটেল প্ৰেক্ষাগৃহত আজি দিনৰ ১০ বজাত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা আনুষ্ঠানিক ডিগ্ৰী, ডিপ্লমাৰ নামভৰ্তি আৰু উত্তীৰ্ণ হৈ যোৱা ছাত্ৰ-ছাত্ৰীক প্ৰমাণ পত্ৰ বিতৰণৰ উদ্বোধনী সভাখনি সম্পন্ন হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনিৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰি আদৰণি ভাষণ প্ৰদান কৰে শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সোণাৰাম কলিতাই। উক্ত সভাখনিত উপস্থিত থাকে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক প্ৰণৱ শইকীয়া, বিশ্ববিদ্যালয় খনৰ ডীন ড° ৰিদিপ দেৱচৌধুৰী, সঞ্চালক জয়দ্বীপ বৰুৱা, সহঃ পঞ্জীয়ক বিৰিঞ্চি কুমাৰ বৰা, লখিমপুৰ জিলা ৰিজনেল কেন্দ্ৰৰ সঞ্চালক বৃহত্ত্বৰ পেগু। ইয়াৰোপৰি চাৰিখন জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ প্ৰায় ৪০টা অধ্যয়ন কেন্দ্ৰৰ অধ্যক্ষ সকলৰ লগতে কেন্দ্ৰ সমন্বয়ক আৰু ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে উক্ত অনুষ্ঠানত ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ উপস্থিতিত ইতিমধ্যে এই বিশ্ববিদ্যালয়ৰ অধীনত বিভিন্ন বিষয়ত ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলক প্ৰমাণ পত্ৰ বিতৰণৰ শুভাৰম্ভনি কৰা হয়। সভাত উপস্থিত থকা ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ বিষয়ববীয়া সকলে বৰ্তমান সময়ত সমাজৰ সকলো শ্ৰেণীৰ, সকলো বয়সৰ লোকে যে মুক্ত ভাৱে পাঠ্যপুথিৰ শিক্ষা গ্ৰহণ কৰি নিজক প্ৰতিষ্ঠা কৰাৰ লগতে কেনেকৈ সমাজ খনৰ উন্নতিৰ দিশত আগুৱাই লৈ যাব পাৰে তাৰ এক বিস্তৃত আলোকপাত কৰে।

## 'বন্দে মাতৰম্' গীতৰ ১৫০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে বিশেষ অনুষ্ঠান আয়োজন

# গৌৰীপুৰ শংকৰদেৱ শিশু নিকেতনত 'নমামি ভাৰতম' কাৰ্যসূচী




**অসম বাৰ্তা, গৌৰীপুৰ, ২৬ ছেপ্টেম্বৰ** ঃ ৰাষ্ট্ৰীয় গীত 'বন্দেমাতৰম্'ৰ ১৫০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে দেশজুৰি চলি থকা 'নমামি ভাৰতম' কাৰ্যসূচীৰ অংশ হিচাপে আজি ধুবুৰী জিলাৰ গৌৰীপুৰ খুদিমাৰীস্থিত শংকৰদেৱ শিশু নিকেতনত এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। এই উপলক্ষে পুৰা গৌৰীপুৰৰ খুদিমাৰীস্থিত শংকৰদেৱ শিশু নিকেতনৰ চৌহদত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়, কাৰ্যসূচীৰ আৰম্ভণিতে ভাৰত মাতাৰ পূজান কৰি বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতে জাতীয় পতাকা উত্তোলন কৰি ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰ মাধ্যমেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত বঙাইগাঁৱৰ নিৰীক্ষক আনন্দ সূত্ৰধৰ, গৌৰীপুৰ শংকৰদেৱ শিশু নিকেতনৰ সভাপতি তথা গৌৰীপুৰ ধুবুৰী অঞ্চলৰ বিশিষ্ট সমাজসেৱক প্ৰবীৰ কুমাৰ বৰুৱা, বিদ্যালয়খনৰ উপ-সভাপতি প্ৰাক্তন ছাত্ৰ নেতা ৰাহুল দাসৰ লগতে নিকেতনৰ আচাৰ্য-আচাৰ্য্যা, আৰু গৌৰীপুৰ অঞ্চলৰ সমাজসেৱক তাৰ লগতে ছাত্ৰ ছাত্ৰ সকলৰ অভিভাৱকসকলেও উপস্থিত থাকে। তাৰ লগতে অনুষ্ঠানৰ মুখ্য আৰু অন্যতম আকৰ্ষণ আছিল শংকৰদেৱ শিশু নিকেতনৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে সমস্বৰে 'বন্দেমাতৰম্' গীত পৰিৱেশন কৰা। ছাত্ৰ-ছাত্ৰীসকলৰ একেলগে ৰাষ্ট্ৰীয় গীত পৰিৱেশনে সমগ্ৰ নিকেতন চৌহদত এক দেশপ্ৰেমমূলক পৰিৱেশৰ সৃষ্টি কৰে। ৰাষ্ট্ৰীয় গীত 'বন্দেমাতৰম্'ৰ প্ৰতি শ্ৰদ্ধা আৰু নতুন প্ৰজন্মৰ মাজত দেশপ্ৰেমৰ চেতনা আৰু জাগ্ৰত কৰাৰ উদ্দেশ্যে অনুষ্ঠিত হয় এই অনুষ্ঠান। এই কাৰ্যসূচীত বিদ্যালয়খনৰ আচাৰ্য-আচাৰ্য্য ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত ৰাইজে উৎসাহেৰে অংশগ্ৰহণ কৰা দেখা যায়।

## কাৰ্বি-অসমীয়া লোকশিল্পী, কুইন অৱ মেলডি খ্যাত পদ্মশ্ৰী পখিলা লেকথেপিলৈ মাতৃভাষা বঁটা-২০২৬

# মঙলদৈত ছহিদ মোজাম্মিল হক স্মাৰক ঊণবিংশ কেন্দ্ৰীয় "মাতৃভাষা দিৱস"ৰ বঁটা ঘোষণা

**অসম বাৰ্তা, মঙলদৈ, ২৬ ছেপ্টেম্বৰ** ঃ ১৯৭২ চনৰ মাধ্যম আন্দোলনৰ প্ৰথমগৰাকী বীৰ ছহিদ মোজাম্মিল হকৰ আত্মবলিদানক সুঁৱৰি সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতি আৰু ছহিদ মোজাম্মিল হক স্মাৰক মাতৃভাষা দিৱস পৰিচালনা সমিতিৰ উদ্যোগত অহা ৫ আৰু ৬ অক্টোবৰত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ঊণবিংশ কেন্দ্ৰীয় মাতৃভাষা দিৱসত প্ৰদান কৰিবলগীয়া ছহিদ মোজাম্মিল হক স্মাৰক "মাতৃভাষা বঁটা-২০২৬" আজি ঘোষণা কৰা হৈছে। বিগত ২০০৮ বৰ্ষৰ পৰাই উদ্‌যাপিত মাতৃভাষা দিৱসৰ মাত্ৰা বঢ়াই উদ্যোক্তাসকলে বীৰ ছহিদ গৰাকীৰ স্মৃতি স্থায়ী আৰু যুগমীয়া কৰাৰ উদ্দেশ্যে ২০২৩ বৰ্ষৰ পৰা প্ৰৱৰ্তন কৰা এই মৰ্যাদাপূৰ্ণ মাতৃভাষা বঁটা-২০২৬ৰ বাবে মনোনীত হৈছে বিগত ৫ দশকজুৰি কাৰ্বি লোক সঙ্গীতৰ সাধক, কণ্ঠশিল্পী, সুৰকাৰ, গীতিকাৰ, কাৰ্বি ভাষাত গীত লিখি সুৰ দি নিজে গাই কাৰবি লোক সঙ্গীত আৰু কাৰবি মাতৃভাষাক মহত্ত প্ৰদান কৰা কুইন অৱ মেল'ডী খ্যাত পদ্মশ্ৰী পখিলা লেকথেপিলৈ। উপলক্ষ্যে দৰং গৰিয়া -মৰিয়া-দেশী জাতীয় পৰিষদৰ সভাপতি বাবুল মকছেদ আহমেদ আৰু সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদে আঁত ধৰা সংবাদ মেল সম্বোধন কৰি পৰিষদৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা তথা মাতৃভাষা দিৱস পৰিচালনা সমিতিৰ সভাপতি ড° চহিৰ ভূএগুই আনুষ্ঠানিকভাৱে বঁটা প্ৰাপক পখিলা লেপথেপিৰ নাম ঘোষণা কৰি কয়, অসমৰ এটা থলুৱা জনজাতি কাৰ্বি সকলৰ আপুৰুগীয়া মাতৃভাষাৰ প্ৰাচীন আৰু বিলুপ্তপ্ৰায় শব্দসমূহ নিজে লিখা গীতসমূহত প্ৰয়োগ কৰি পৰম্পৰাগত সুৰেৰে নতুন ৰূপত সজাই পৰাই নিজে গাই জনপ্ৰিয়তাৰ শীৰ্ষলৈ নিয়াৰ জৰিয়তে কাৰবি লোকসঙ্গীত আৰু কাৰ্বি মাতৃভাষাও তেওঁ চহকী কৰিছে। তদুপৰি কাৰ্বি-অসমীয়া সংস্কৃতিৰ সমন্বয়কৰ ভূমিকা লৈ পখিলা লেপথেপিয়ে মহাজাতীয় সংস্কৃতিৰ সেতু নিৰ্মাণ কৰিছে। জুবিন গাৰ্গকে ধৰি মূলসুঁতিৰ শিল্পীসকলৰ সৈতে কাৰ্বিৰ উপৰিও আৰু অসমীয়া ভাষাতো গীত গাই জনপ্ৰিয় হৈছে। কাৰ্বি-অসমীয়া লোকসঙ্গীত, কাৰ্বি মাতৃভাষা আৰু সাংস্কৃতিক ক্ষেত্ৰখনলৈ যোগোৱা অনবদ্য বৰঙণিৰ বাবেই তেওঁলৈ এই মাতৃভাষা বঁটা প্ৰদান কৰা হৈছে বুলি তেওঁ সংবাদমেলত সদৰী কৰে। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে ২০২৩ বৰ্ষত এই বঁটা প্ৰদান কৰা হয় 'অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়াক। ২০২৪ বৰ্ষৰ এই মাতৃভাষা বঁটা আগবঢ়োৱা হয় বিশিষ্ট কথাশিল্পী ইমৰান শ্বাহলৈ। প্ৰাণৰ শিল্পী জুবিন গাৰ্গক এই বঁটাৰে সন্মানিত কৰা হয় ২০২৫ বৰ্ষত। এইবেলি ড° চহিৰ ভূএগক অধ্যক্ষ হিচাপে, মাতৃভাষা দিৱস পৰিচালনা সমিতিৰ সম্পাদক মিছবাহুল হুদাক সচিব হিচাপে আৰু খ্যাতনামা বিশেষজ্ঞ চিকিৎসক পদ্মশ্ৰী সন্মান প্ৰাপক ডাঃ ইলিয়াছ আলি, অধ্যাপক ড° শচীন চহৰীয়া, ভবেন বৰ্মন, জ্যেষ্ঠ সাংবাদিকদ্বয় শঙ্কৰ কাকতি, দিগন্ত কুমাৰ শৰ্মা, পৰিষদৰ জিলা সভাপতি বাবুল মকছেদ আহমেদ, উপসভাপতি মইনুল হক শইকীয়া, চফিকুল ইছলাম, সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ, উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতিদ্বয় বিনয় শৰ্মা, ফজলুল হক, সাধাৰণ সম্পাদকদ্বয় বাপুকণ আটাউৰ ৰহমান আৰু ছাদ্দাম হুছেইনক সদস্য হিচাপে লৈ গঠিত বঁটা বাছনি সমিতিয়ে এইবেলি মাতৃভাষা বঁটাৰ বাবে পদ্মশ্ৰী পখিলা লেপথেপিক মনোনীত কৰে। পৰৱৰ্তী সময়ত ঊনবিংশ কেন্দ্ৰীয় মাতৃভাষা দিৱস উদযাপন সমিতিৰ সভাপতি কেবিনেট মন্ত্ৰী নীলিমা দেৱীৰ পৌৰোহিত্যত অনুষ্ঠিত পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভায়ো এই মনোনয়নত অনুমোদন জনায়। ঊনবিংশ কেন্দ্ৰীয় মাতৃভাষা দিৱসৰ দুদিনীয়া কাৰ্যসূচী অনুসৰি ৫ অক্টোবৰত পুৱা পৰিবেশ নিকাকৰণ, গছপুলি ৰোপণ, পতাকা উত্তোলন, ছহিদ তৰ্পণৰ পিছতে সৰ্বধৰ্ম প্ৰাৰ্থনাৰে দিনৰ ১১.০০ বজাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠানত কেন্দ্ৰীয় নেতৃবৃন্দৰ উপৰিও বহু গণ্যমান্য আৰু বিশিষ্ট লোকে অংশগ্ৰহণ কৰিব। দ্বিতীয় দিনা বিয়লি ৩.৩০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু সন্ধিয়া ৬.০০ বজাত ৫৫ গৰাকী বিশিষ্ট ব্যক্তিৰে ৫৫ গছি বন্তি প্ৰজ্বলন কৰা হ'ব। মাতৃভাষা দিৱসৰ দুয়ো দিনৰ কাৰ্যসূচীত উপস্থিতি আৰু সহায় সহযোগিতাৰে সাফল্যমণ্ডিত কৰিবলৈ উদ্যোক্তাসকলে ৰাইজলৈ বিনম্ৰ গোহাৰি জনাইছে। সংবাদমেলত সংশ্লিষ্ট বিষয়ববীয়াসকলৰ উপৰি পৰিষদৰ দৰং জিলা সমিতিৰ অন্যতম সম্পাদক মহিবুল হক, চপাই আঞ্চলিক সমিতিৰ সভাপতি জয়নাল আব্দিন, উদ্‌যাপন সমিতিৰ উপ-সভাপতি কবি প্ৰেমদা চহৰীয়া, সদৰ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বডিউল হক জামাল, উপদেষ্টা আবু এছাহক, জিলা মিডিয়া কোষৰ সভাপতি মীৰ চাহিল ইৰফান প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# শনিবৰীয়া সাপ্তাহিক বজাৰ মুকলি দৰঙৰ দিপীলাত

**অসম বাৰ্তা, দেওমৰনৈ, ২৬ ছেপ্টেম্বৰ** ঃ দৰং জিলাৰ পশ্চিম দৰঙৰ দিপীলাত শনিবৰীয়াৰে মুকলি হল সাপ্তাহিক বজাৰ। ভিন্নপ্ৰান্তৰ গ্ৰাহক বিক্ৰেতাৰে পৰিপূৰ্ণ হৈ পৰা শুভাৰম্ভণি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে খটৰা সত্ৰৰ মুখ্য উপদেষ্টা যাদৱ চন্দ্ৰ মহন্তই। বৃক্ষৰোপণ কৰে খটৰা সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক গংগা বৈশ্য আৰু দিপীলা গাওঁ পঞ্চায়তৰ সভাপতি গজেন্দ্ৰ কলিতাই। দিপীলা ব্যৱসায়িক সন্থাৰ উদ্যোগত অনুষ্ঠিত বজাৰৰ শুভাউদ্বোধন কৰে দিপীলা আঞ্চলিক জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক অখিল ৰঞ্জন ভট্টই। সাপ্তাহিক বজাৰ মুকলি অনুষ্ঠানত অনাঁতাৰ শিল্পী কণিকা বৈশ্য, বনিক সন্থাৰ সভাপতি মিলন চন্দ্ৰ কলিতা, সম্পাদক ৰজনী কলিতা, মানবেন্দ্ৰ কলিতা সহভালেমান বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। গ্ৰাম্যাঞ্চলৰ কৃষক ৰাইজে নিজৰ কৃষিভূমিত উৎপাদিত বিভিন্ন শাক-পাচলি বিক্ৰীৰ এখন সাপ্তাহিক বজাৰ প্ৰাপ্তিত সন্তোস প্ৰকাশ কৰে।

# নগাঁও আৰু মৰিগাঁও জিলাৰ উপায়ুক্তদ্বয়ৰ মৰিগাঁও মহাবিদ্যালয়ত ষ্ট্ৰং ৰূম আৰু গণনা কেন্দ্ৰ পৰিদৰ্শন

**অসম বাৰ্তা, মৰিগাঁও, ২৬ ছেপ্টেম্বৰ** ঃ ৯ নং নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন ২০২৬ৰ বাবে নগাঁও জিলাৰ জিলা আয়ুক্ত তথা ৰিটাৰ্নিং অফিচাৰ অৰণ্যক শইকীয়া, আইএএছ আৰু মৰিগাঁও জিলাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া সৃষ্টি সিংহ, আইএএছ-এ আজি যৌথভাৱে মৰিগাঁও মহাবিদ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰূম আৰু ভোটগণনা কেন্দ্ৰ পৰিদৰ্শন কৰে। এই কেন্দ্ৰসমূহ ৯ নং নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত মৰিগাঁও জিলাৰ অংশৰ বাবে নিৰ্ধাৰিত কৰা হৈছে। পৰিদৰ্শনৰ সময়ত জিলা আয়ুক্তদ্বয়ে ষ্ট্ৰং ৰূম আৰু গণনা কেন্দ্ৰত ইভিএমসমূহৰ সুৰক্ষিত সংৰক্ষণ আৰু ভোট গণনা প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা ব্যৱস্থা আৰু নিৰাপত্তা প্ৰট'কলসমূহ পৰ্যালোচনা কৰে। ইয়াৰ উপৰিও, আগন্তুক উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি জিলা প্ৰশাসন আৰু সংশ্লিষ্ট বিষয়াসকলে গ্ৰহণ কৰা সামগ্ৰিক প্ৰস্তুতি আৰু নিৰাপত্তা ব্যৱস্থাসমূহো এই পৰিদৰ্শনৰ অংশ আছিল। এই যৌথ পৰিদৰ্শনে নগাঁও আৰু মৰিগাঁও জিলা প্ৰশাসনৰ এক মুক্ত, নিৰপেক্ষ, স্বচ্ছ আৰু সুৰক্ষিত নিৰ্বাচনী প্ৰক্ৰিয়া নিশ্চিত কৰাৰ প্ৰতি থকা দৃঢ় মনোভাৱ পুনৰ দৃঢ়ভাৱে প্ৰকাশ কৰে।

# মাজুলী জিলা প্ৰশাসনে মাজুলীত এলপিজি ১০০ শতাংশ আধাৰ সংযোগ কৰাৰ লক্ষ্য নিৰ্ধাৰণ

**অসম বাৰ্তা, মাজুলী, ২৬ ছেপ্টেম্বৰ** ঃ মাজুলী জিলাৰ প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা (PMUY) আৰু সাধাৰণ (Non-PMUY) এল পি জি ৰন্ধন গেছৰ সকলো সংযোগধাৰীৰ আধাৰ সংযোগ তথা ই-কেৱাইচি (e-KYC) প্ৰক্ৰিয়াৰ অগ্ৰগতি পৰ্যালোচনাৰ উদ্দেশ্যে কালি এখন বৈঠক অনুষ্ঠিত হয়। মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক মহোদয়ৰ পৌৰোহিত্যত আয়োজিত এই সভাত অতিৰিক্ত জিলা আয়ুক্ত শুভ্ৰম আদিত্য বৰা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা (FPD & CA) বিভাগৰ বিষয়া-কৰ্মচাৰীবৃন্দ তথা জিলাখনৰ সকলো কৰ্তৃত্বপ্ৰাপ্ত এল পি জি বিতৰক উপস্থিত থাকে। অহা ৩১ ডিচেম্বৰ ২০২৬-ৰ ভিতৰত জিলাখনত ১০০ শতাংশ আধাৰ সংযোগ সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰি সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সংশ্লিষ্ট এল পি জি বিতৰক আৰু ইণ্ডিয়ান অইল কৰ্প'ৰেশ্বন লিমিটেডৰ (IOCL) যৌথ সমন্বয়ত এতিয়ালৈকে আধাৰ সংযোগ নোহোৱা উপভোক্তাসকলক চিনাক্ত কৰি তৎকালীন পদক্ষেপ গ্ৰহণ কৰাৰ নিৰ্দেশ দিয়া হয়। ইয়াৰ সমান্তৰালকৈ সৰ্বসাধাৰণ ৰাইজৰ সুবিধাৰ্থে ব্যাপক সজাগতা আৰু প্ৰচাৰ অভিযান চলাই নিৰ্ধাৰিত সময়সীমাৰ ভিতৰতেই সমগ্ৰ প্ৰক্ৰিয়া সম্পন্ন কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। জিলা প্ৰশাসনে সকলো ঘৰুৱা গেছ উপভোক্তাক নিজ নিজ বিতৰকৰ কাষ চাপি পলম নকৰাকৈ নিজৰ সংযোগৰ ই-কেৱাইচি প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ আহ্বান জনাইছে।

# নাজিৰা পৌৰসভাৰ চাফাই কৰ্মীসকলৰ স্থায়ীকৰণৰ দাবীত অনিৰ্দিষ্টকাললৈ কৰ্মবিৰতি




**অসম বাৰ্তা, গেলেকী, ২৬ ছেপ্টেম্বৰ** ঃ প্ৰতিদিনে পুৱা শ্ৰম আৰু নিষ্ঠাৰে নাজিৰা নগৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা পৌৰসভাৰ চাফাই কৰ্মীসকল বৰ্তমান তীব্ৰ আৰ্থিক নিৰাপত্তাহীনতাত দিন কটাবলগীয়া হৈছে। দীৰ্ঘদিন ধৰি নিষ্ঠাসহকাৰে সেৱা আগবঢ়োৱাৰ পিছতো চাকৰি স্থায়ীকৰণৰ কোনো উদ্দেশ্যমূলক পদক্ষেপ গ্ৰহণ নকৰাত অৱশেষত বাধ্য হৈ আজিৰে পৰা অনিৰ্দিষ্টকাললৈ কৰ্মবিৰতি আৰম্ভ কৰিছে চাফাই কৰ্মীসকলে। প্ৰাপ্ত তথ্য অনুসৰি, নাজিৰা পৌৰসভাৰ চাফাই কৰ্মীসকলে তেওঁলোকৰ সেৱা স্থায়ীকৰণৰ বাবে বাৰুকৈয়ে উৰ্ধতম কৰ্তৃপক্ষক আবেদন-নিবেদন জনাই আহিছিল। কিন্তু সংশ্লিষ্ট কৰ্তৃপক্ষৰ উদাসীনতাৰ বাবে আজিৰ তাৰিখতো তেওঁলোকৰ দাবী অপূৰ্ণ হৈয়ে ৰয়। উল্লেখ্য যে যোৱা ১৪ ছেপ্টেম্বৰত অসম চাফাই কৰ্মচাৰী কল্যাণ কেন্দ্ৰ, নাজিৰা সমিতিৰ সভাপতি ৰঞ্জন দাস আৰু সম্পাদক কানু কুৰ্মীৰ স্বাক্ষৰিত এখনি গুৰুত্বপূৰ্ণ স্মাৰকপত্ৰ নাজিৰা পৌৰসভাৰ সভানেত্ৰী আৰু কাৰ্যবাহী বিষয়ালৈ প্ৰদান কৰা হৈছিল। ইয়াৰ লগতে স্মাৰকপত্ৰখনৰ প্ৰতিলিপি শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয় আৰু জিলা শ্ৰম বিষয়ালৈও প্ৰেৰণ কৰা হৈছিল। উক্ত স্মাৰকপত্ৰত ২৫ জুলাইলৈকে সময়সীমা বান্ধি দিয়া হৈছিল যদিও সেই সময়সীমাৰ ভিতৰত কোনো সন্তোষজনক প্ৰতিশ্ৰুতি বা সুউত্তৰ লাভ কৰা নহ'ল। ফলস্বৰূপে, আজি পুৱাৰে পৰা নাজিৰা পৌৰসভাৰ কাৰ্যালয়ৰ সন্মুখত বেনাৰ আঁৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে চাফাই কৰ্মীসকলে। সমিতিয়ে সংবাদ মাধ্যমক স্পষ্ট কৰি দিয়ে যে যেতিয়ালৈকে তেওঁলোকৰ চাকৰি স্থায়ীকৰণৰ সুনিশ্চিত ঘোষণা কৰা নহ'ব, তেতিয়ালৈকে এই অনিৰ্দিষ্টকালীন কৰ্মবিৰতি অব্যাহত থাকিব। চাফাই কৰ্মীসকলৰ এই আন্দোলনৰ ফলত বৰ্তমান নগৰখনৰ আৱৰ্জনা নিষ্কাশন ব্যৱস্থা ব্যাহত হোৱাৰ আশংকাই দেখা দিছে।

# চামডাং বাইপাছত হেৰ'ইনৰ বিৰুদ্ধে আৰক্ষীৰ বৃহৎ অভিযান



**অসম বাৰ্তা, মাকুম, ২৬ ছেপ্টেম্বৰ** ঃ তিনিচুকীয়া জিলাৰ ডুমডুমা চামডাং বাইপাছত নিষিদ্ধ হেৰ'ইনৰ বিৰুদ্ধে আৰক্ষীয়ে চলোৱা অভিযানত বৃহৎ সফলতা লাভ কৰিছে। অভিযানত ৩৫০.২৭ গ্ৰাম সন্দেহযুক্ত হেৰ'ইনসহ তিনিজন লোকক আটক কৰাৰ লগতে এখন চুইফট বাহন জব্দ কৰে আৰক্ষীয়ে। জানিব পৰা মতে, মাকুম সমজিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অৰূপজ্যোতি টেৰন আৰু ডুমডুমা সমজিলা আৰক্ষী অধীক্ষক দিগন্ত দত্তৰ নেতৃত্বত তথা ডুমডুমা আৰক্ষী থানাৰ সহযোগত আজি বিশেষ তথ্যৰ ভিত্তিত চামডাং বাইপাছত হেৰ'ইনৰ বিৰুদ্ধে অভিযান চলোৱা হয়। অভিযানৰ সময়ত তালাপৰ পৰা মৰাণ অভিমুখে এ এছ ০৪ এম ৩৬৬০ নম্বৰৰ চুইফট বাহনখনেৰে হেৰ'ইন সৰবৰাহ কৰি নিয়াৰ অভিযোগত তিনিজন লোকক হাতে-লোটে আটক কৰে আৰক্ষীয়ে। আটকাধীনসকলৰ ভিতৰত দুজন পুৰুষ আৰু এগৰাকী মহিলা আছে। আৰক্ষীয়ে বাহনখনত তালাচি চলোৱাত আঠটা চাবোনৰ বাকচত অতি কৌশলেৰে লুকুৱাই অনা বৃহৎ পৰিমাণৰ সন্দেহযুক্ত নিষিদ্ধ হেৰ'ইন উদ্ধাৰ হয়। উদ্ধাৰ হোৱা হেৰ'ইনৰ পৰিমাণ ৩৫০.২৭ গ্ৰাম আৰু ইয়াৰ আনুমানিক বজাৰ মূল্য প্ৰায় ৭০ লাখ টকা বুলি আৰক্ষীয়ে জানিবলৈ দিছে। আটকাধীন দুজনক ডিব্ৰুগড় জিলাৰ মৰাণ গছপুৰীয়াৰ প্ৰদীপ কোঁৱৰ (৪৭) আৰু মৰাণৰ গোবিন্দ দত্ত (৪৫) বুলি চিনাক্ত কৰা হৈছে। আনগৰাকী আটকাধীন মহিলাৰ পৰিচয় আৰক্ষীয়ে প্ৰকাশ কৰা নাই। বৰ্তমান তিনিওজন আটকাধীন লোকক জব্দকৃত হেৰ'ইন আৰু চুইফট বাহনখনসহ ডুমডুমা আৰক্ষী থানালৈ লৈ যোৱা হৈছে। ঘটনাক কেন্দ্ৰ কৰি আৰক্ষীৰ তদন্ত অব্যাহত আছে।

# খেৰাজখাট মহাবিদ্যালয়ত মাতৃভাষা-ৰাজ্যভাষা প্ৰয়োগ অনুষ্ঠান

**অসম বাৰ্তা, বান্দৰদেৱা, ২৬ ছেপ্টেম্বৰ** ঃ আজি লখিমপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত খেৰাজখাট মহাবিদ্যালয়ৰ সহযোগত খেৰাজখাট মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মাতৃভাষা-ৰাজ্যসভা প্ৰয়োগ সম্পৰ্কে এখন আলোচনা সত্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানটি উদ্বোধন কৰে অধ্যক্ষ ড° মৃদুল বুঢ়াগোহাইয়ে। লখিমপুৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি অনিল শইকীয়াই সভাপতিত্ব কৰা অনুষ্ঠানটিত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত মুখ্য বক্তা হিচাপে প্ৰীতিৰেখা ভূএগই বক্তব্য প্ৰদান কৰে। সভাত বিশিষ্ট অতিথি হিচাপে শংঙ্কৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সোণাৰাম কলিতা, ড° গৌতম কাকতিকে ধৰি অসম সাহিত্য সভাৰ কেইবাগৰাকীও বিষয়ববীয়াৰ লগতে জিলাখনৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাৰ আৰম্ভণি গীত পৰিবেশন কৰে খৰাজখাট মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে। অনুষ্ঠানটি পৰিচালনা কৰে লখিমপুৰ জিলা সাহিত্য সভাৰ সভাপতি প্ৰবীণ হাজৰিকাই। অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে লক্ষ্মীমপুৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি অনিল শইকীয়াই।

# নাহৰকটীয়াৰ নামচাংত হাতী-মানুহৰ সংঘাত মৃত্যু পিতৃ-কন্যাৰ

**অসম বাৰ্তা, নাহৰকটীয়া, ২৬ ছেপ্টেম্বৰ** ঃ জয়পুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত অসম অৰুণাচল সীমান্তৱৰ্তী নাহৰকটীয়া সমষ্টিৰ নামচাং পুবেৰুল বস্তিত আজি নিশা শোকাবহ ঘটনা সংঘটিত হয়। হাতী-মানুহৰ সংঘাতৰ ফলত থিতাতে নিহত হয় পিতৃ কন্যাৰ। জানিব পৰা মতে শুকুৰবাৰে নিশা প্ৰায় ১২.০০ মান বজাত গাঁওখনত প্ৰবেশ কৰে এটা বনৰীয়া হাতী। বস্তিটোত হাতী প্ৰবেশ কৰাৰ খবৰ লাভ কৰাৰ পিছতে গাঁওবাসীয়ে চিএৰ বাখৰ কৰি হাতীটোক অঞ্চলটোৰ পৰা খেদি পঠিয়াবলৈ বহু যত্ন কৰে। প্ৰথমে হাতীটোৱে গাঁওখনৰ এঘৰ মানুহৰ ঘৰত প্ৰবেশ কৰি ঘৰটো ভাঙি লণ্ডভণ্ড কৰে। কাষতে থকা ৰমেন তাঁতী নামৰ ব্যক্তিজনে পাচ বছৰীয়া কন্যাক লৈ ঘৰৰ পৰা ওলাব খোজোতেই বনৰীয়া হাতীটোৱে আক্ৰমণ কৰে। বনৰীয়া হাতীৰ আক্ৰমণত পিতৃ ৰমেন তাঁতী আৰু কন্যা ৰশ্মি তাঁতী থিতাতে মৃত্যুক আকোঁৱালি লব লগাত পৰে। এই শোকাৱহ ঘটনাই সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলায়। উল্লেখ্য যে এই অঞ্চলটোত দীৰ্ঘ দিনৰ পৰা হাতী মানুহৰ সংঘাত সৃষ্টি হৈ আহিছে যাৰ ফলত বৰ্তমানলৈকে বহু কেইজনে মৃত্যুক আঁকোৱালি লব লগাত পৰিছে। হাতীয়ে চলাচল কৰা যি সমূহ পথ আছে সেই পথ সমূহ বিভিন্ন চৰকাৰী আঁচনিৰ দ্বাৰা আৱাসগৃহ নিৰ্মাণ কৰি দিয়াৰ ফলত অঞ্চলটোত হাতী মানুহৰ সংঘাত বৃদ্ধি পাইছে আৰু নিৰীহ লোকে প্ৰাণ দিব লগাত পৰিছে। ইয়াৰ উপৰিও বন বিভাগৰ চৰম গাফিলতিৰ বাবেই প্ৰতি বছৰে এনেধৰণৰ শোকাবহ ঘটনা সংঘটিত হয় বুলি ক্ষোভ প্ৰকাশ কৰে স্থানীয় লোকে।

# দৰঙৰ দিপীলাত শনিবৰীয়া সাপ্তাহিক বজাৰ মুকলি



**অসম বাৰ্তা, পাথৰিঘাট, ২৬ ছেপ্টেম্বৰ** ঃ পশ্চিম দৰঙৰ অন্যতম বাণিজ্যিক কেন্দ্ৰ দিপীলাত ২৬ ছেপ্টেম্বৰ শনিবাৰৰ পৰা মুকলি হল শনিবৰীয়া সাপ্তাহিক বজাৰ। ভিন্নপ্ৰান্তৰ গ্ৰাহক বিক্ৰেতাৰে পৰিপূৰ্ণ হৈ পৰা শুভাৰম্ভণি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে খটৰা সত্ৰৰ মুখ্য উপদেষ্টা যাদৱ চন্দ্ৰ মহন্তই। বৃক্ষৰোপণ কৰে খটৰা সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক গংগা বৈশ্য আৰু দিপীলা গাওঁ পঞ্চায়তৰ সভাপতি গজেন্দ্ৰ কলিতাই। দিপীলা ব্যৱসায়িক সন্থাৰ উদ্যোগত অনুষ্ঠিত প্ৰথম দিনটোতেই ক্ৰেতা বিক্ৰেতাৰে ভৰপূৰ বজাৰৰ শুভ-উদ্বোধন কৰে দিপীলা আঞ্চলিক জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক অখিল ৰঞ্জন ভট্টই। সাপ্তাহিক বজাৰ মুকলি অনুষ্ঠানত অনাঁতাৰ শিল্পী কণিকা বৈশ্য, বনিক সন্থাৰ সভাপতি মিলন চন্দ্ৰ কলিতা, সম্পাদক ৰজনী কলিতা, মানবেন্দ্ৰ কলিতা সহভালেমান বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। গ্ৰাম্যাঞ্চলৰ কৃষক ৰাইজে নিজৰ কৃষিভূমিত উৎপাদিত বিভিন্ন শাক-পাচলি বিক্ৰীৰ এখন সাপ্তাহিক বজাৰ প্ৰাপ্তিত সন্তোস প্ৰকাশ কৰে। বজাৰ উপশমিতিৰ সভাপতি হিমাংশু কাকতি আৰু সম্পাদক দ্বীপেন ডেকাই সকলো ৰাইজৰ সহায় সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

# গহপুৰৰ শংকৰদেৱ শিক্ষা নিকেতনত প্ৰাক্তন এচিএছ বিষয়া পুনম গগৈৰ অন্তৰংগ আলাপ

**অসম বাৰ্তা, গহপুৰ, ২৬ ছেপ্টেম্বৰ** ঃ অসম অসামৰিক সেৱাৰ বিষয়াৰ দৰে সন্মানীয় আৰু লোভনীয় চাকৰি এৰি অসমৰ ছাত্ৰ-ছাত্ৰীক প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সাজু কৰাত ব্যস্ত এগৰাকী মহিলা। নিজৰ কেৰিয়াৰৰ সুৰক্ষিত পথ এৰি অসমীয়া ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যতৰ লক্ষ্যৰে এক ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰি অহা প্ৰাক্তন ACS বিষয়া গৰাকী হৈছে পুনম গগৈ। ACSৰ দৰে সন্মানীয় আৰু লোভনীয় চৰকাৰী চাকৰি এৰি এতিয়া অসমীয়া ছাত্ৰ-ছাত্ৰীক UPSC, APSCকে ধৰি বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত কৰাত গুৰুত্ব দিছে প্ৰাক্তন ACS বিষয়া তথা বৰ্তমান Career Classৰ CEO পুনম গগৈয়ে। তেওঁৰ লক্ষ্য— অসমৰ ছাত্ৰ-ছাত্ৰীক দেশৰ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত সফল হোৱা দেখা। এই উদ্দেশ্যৰে উত্তৰ অসমৰ অন্যতম আবাসিক শিক্ষানুষ্ঠান গহপুৰৰ সোলেঙীৰ শংকৰদেৱ শিক্ষা নিকেটনত উপস্থিত হৈ আজি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে পুনম গগৈয়ে। UPSC, APSC অথবা অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে কেনেদৰে প্ৰস্তুতি চলাব লাগে, কোন সময়ৰ পৰা প্ৰস্তুতি আৰম্ভ কৰা উচিত আৰু সফলতাৰ বাবে কি কি বিষয়ত গুৰুত্ব দিব লাগে— এই সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক বিস্তৃতভাৱে বুজাই দিয়ে প্ৰাক্তন ACS বিষয়াগৰাকীয়ে। তেওঁ কয় যে প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভৰ ভেটি স্কুলীয়া জীৱনৰ পৰাই গঢ়ি তুলিব পাৰি। সঠিক লক্ষ্য, অধ্যৱসায়, শৃংখলা আৰু সময়ৰ সদ্ব্যৱহাৰেই এগৰাকী ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতে সফলতাৰ দিশে আগুৱাই নিব পাৰে। ইফালে, আধ্যাত্মিকতা আৰু আধুনিক শিক্ষাৰ সমন্বয়ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই লৈ যোৱাই শংকৰদেৱ শিক্ষা নিকেটনৰ অন্যতম লক্ষ্য বুলি উল্লেখ কৰে বিদ্যালয় কৰ্তৃপক্ষই। অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীসকলেও যথেষ্ট উৎসাহেৰে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতামূলক পৰীক্ষা, কেৰিয়াৰ আৰু ভৱিষ্যৎ লক্ষ্য সন্দৰ্ভত মনলৈ অহা বিভিন্ন প্ৰশ্ন পোনপটীয়াকৈ পুনম গগৈক সুধি নিজৰ জিজ্ঞাসা দূৰ কৰে শিক্ষাৰ্থীসকলে। অনুষ্ঠানটোত শংকৰদেৱ শিক্ষা নিকেটনৰ সভাপতি উদয় আদিত্য গোস্বামীও উপস্থিত থাকে। ইফালে, আগন্তুক দিনত শংকৰদেৱ শিক্ষা নিকেটন আৰু Career Class-এ যৌথভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ কেৰিয়াৰ গঢ়াৰ ক্ষেত্ৰত কাম কৰাৰ পৰিকল্পনা কৰিছে। লক্ষ্য এটাই— অসমীয়া ছাত্ৰ-ছাত্ৰীক কেৱল ভাল শিক্ষাই নহয়, ভৱিষ্যতে দেশৰ বিভিন্ন উচ্চপদস্থ আৰু সন্মানীয় সেৱাত প্ৰতিষ্ঠিত কৰি সুনাগৰিক হিচাপে গঢ়ি তোলা।

# নাজিৰাত আৰক্ষীৰ উদ্যোগত চাইবাৰ অপৰাধ সন্দৰ্ভত গুৰুত্বপূৰ্ণ সজাগতা সভা

### ডিজিটেল সুৰক্ষাৰ ওপৰত আলোকপাত

**অসম বাৰ্তা, নামতি, ২৬ ছেপ্টেম্বৰ ঃ** সাম্প্ৰতিক সময়ত ক্ৰমাৎ বৃদ্ধি পোৱা চাইবাৰ অপৰাধ আৰু অনলাইন প্ৰৱঞ্চনা প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে শিৱসাগৰ জিলা আৰক্ষী বিভাগৰ উদ্যোগত আজি নাজিৰাত এখনি বিস্তৃত সজাগতা সভা অনুষ্ঠিত হয়। নাজিৰা আদৰ্শ আৰক্ষী থানা আৰু থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ সহযোগত নাজিৰা মহাবিদ্যালয় প্ৰেক্ষাগৃহত এই সভাৰ আয়োজন কৰা হয়। ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক তথা সৰ্বসাধাৰণ ৰাইজৰ মাজত অনলাইন সুৰক্ষা, বিত্তীয় প্ৰৱঞ্চনা প্ৰতিৰোধ আৰু ডিজিটেল প্ৰযুক্তিৰ সচেতন ব্যৱহাৰ সম্পৰ্কে সজাগতা গঢ়ি তোলাৰ লক্ষ্যৰেই এই পদক্ষেপ গ্ৰহণ কৰা হয়। অনুষ্ঠানত শিৱসাগৰ জিলা অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মইদুল ইছলামে আদৰণি ভাষণ প্ৰদান কৰি আধুনিক সমাজত ডিজিটেল সজাগতাৰ অপৰিহাৰ্যতাৰ বিষয়ে উল্লেখ কৰে। ইয়াৰ পাছতে জিলা চাইবাৰ চেলৰ সহকাৰী উপ-পৰিদৰ্শক বিকাশ গগৈ আৰু ভাস্কৰজ্যোতি বৰুৱাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি চাইবাৰ অপৰাধৰ বিভিন্ন কৌশল, সামাজিক মাধ্যমৰ সুৰক্ষিত ব্যৱহাৰ আৰু অনলাইন ঠগবাজিৰ পৰা হাত সাৰি থকাৰ উপায়সমূহ বিতংভাৱে বিশ্লেষণ কৰে। কোনো ব্যক্তিয়েই যাতে অজ্ঞাত লিংক, অ'টিপি (OTP) বা ব্যক্তিগত বিত্তীয় তথ্য আনৰ লগত ভাগ-বতৰা নকৰে আৰু এনে ঘটনাৰ বলি হ'লে পলম নকৰি তৎকালীনভাৱে ৰাষ্ট্ৰীয় চাইবাৰ হেল্পলাইনত যোগাযোগ কৰে, সেই সন্দৰ্ভতো উপস্থিত ৰাইজক সজাগ কৰি তোলা হয়।

### পুৱাৰ ভাগত মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত

# দিয়ামূলী চাহ বাগিচাত পঞ্চম বাৰ্ষিক কৰম পৰ্বৰ উদ্‌যাপন



**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ২৬ ছেপ্টেম্বৰ ঃ** দিয়ামূলী চাহ বাগিচা সমূহ শ্ৰমিক ৰাইজৰ উদ্যোগত স্থানীয় দল-সংগঠনৰ সহযোগত আজি এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে দিয়ামূলী চাহ বাগিচা ১১ নং লাইন খেলপথাৰত পঞ্চম বাৰ্ষিক কৰম পৰ্বৰ উদ্‌যাপন অনুষ্ঠিত কৰিছে। এই উপলক্ষে প্ৰথম কাৰ্যসূচী ২২ ছেপ্টেম্বৰত দিয়ামূলী চাহ বাগিচাৰ অন্তৰ্গত পাভজান ঘাটত পৰম্পৰা ৰীতি-নীতি অনুসৰি বালি উঠোৱা পৰ্ব সম্পন্ন কৰে। ইয়াৰ পিছতে আজি মূল অনুষ্ঠান তথা পবিত্ৰ কৰম পৰ্বৰ উদযাপন কৰিছে। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত শান্তি, সম্প্ৰীতি আৰু মাদক দ্ৰব্য নিৰ্মূলকৰণৰ উদ্দেশ্যে মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। এই প্ৰতিযোগিতাত প্ৰায় ৬০ গৰাকী ল'ৰা, ১৫ গৰাকী ছোৱালী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। মাৰাথন দৌৰ প্ৰতিযোগিতাত প্ৰথম মৰিয়নিৰ ধৰ্মেশ্বৰ গঞ্জু, দ্বিতীয় চক্ৰেটিঙৰ আকাশ উৰাং, তৃতীয় (যুটীয়াভাৱে) বিশ্বনাথ চাৰিআলিৰ অভি চিক আৰু বিজথ খাড়িয়া, ছোৱালী শাখাৰ প্ৰথম মহাকালীৰ মণি উৰাং, দ্বিতীয় কাকপথাৰৰ বৰ্ষা সোণোৱাল, তৃতীয় ধূলিজানৰ গীতা উৰাং। প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে বাঘজান আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিল্টন বুঢ়াগোহাঁইয়ে। সহযোগ কৰে ৰাজ্যিক পৰ্যায়ৰ মল্লযোদ্ধা প্ৰিঞ্চ মুণ্ডা আৰু প্ৰাক্তন ফুটবল খেলুৱৈ অনিল ৰাজপুতে। পঞ্চম বাৰ্ষিক কৰম পৰ্বৰ উদযাপনৰ প্ৰতিটো কাৰ্যসূচীতে ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোৰে উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে উদ্যোক্তা সমিতিৰ যুটীয়া সম্পাদক জিতেন মাহাত্বয়ে।

# বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজ তথা বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ দুদিনীয়া সামৰণি অনুষ্ঠান আৰম্ভ

### প্ৰথমদিনাৰ কাৰ্যসূচী মুকলি সভাৰে সমাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৬ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সোণালী জয়ন্তীৰ দুদিনীয়া সামৰণি অনুষ্ঠানৰ প্ৰথম দিনাৰ কাৰ্যসূচী আজি পতাকা উত্তোলনেৰে আৰম্ভ হৈ মুকলি সভাৰে সামৰণি পৰে। পুৱা পতাকা উত্তোলন কৰে সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি তথা তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য, শিক্ষাবিদ ড° মদন শৰ্মাই। আজিৰ পৰা অৰ্ধশতিকাৰ পূৰ্বে যিসকলৰ মস্তিস্কত অনুষ্ঠানটোৰ বীজ অংকুৰিত হৈছিল আৰু যিসকলে দুষ্কৃতিৰ গ্ৰাসৰ পৰা উদ্ধাৰ আৰু লালন-পালন কৰি ইয়াক আগবঢ়াই লৈ গৈছিল, সেইসকল প্ৰয়াত সতীৰ্থৰ প্ৰতি স্মৃতি তৰ্পণ কৰে উক্ত সমিতিৰ কাৰ্যকৰী সভাপতি তথা তিনিচুকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, অৰ্থনীতিবিদ তথা বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সভাপতি ড° জ্যোতিপ্ৰসাদ চলিহাই। তাৰ পাছতে যি দুগৰাকী ব্যক্তিৰ নামেৰে অনুষ্ঠানটোৰ নামকৰণ কৰা হৈছে তেওঁলোক জনতাৰ শিল্পী জ্যোতি প্ৰসাদ আগৰৱালা আৰু সৈনিক শিল্পী বিষ্ণু প্ৰসাদ ৰাভা আৰু এই দুয়োগৰাকীৰ সংস্পৰ্শৰে লালিত-পালিত মহাশিল্পী ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে খগেশ্বৰ টায়ে, প্ৰণতি দেৱী শৰ্মা আৰু ড° মামণি ফুকন বৰগোহাঁয়ে। লগতে ড° ভূপেন হাজৰিকাৰ জন্মস্থান শদিয়াত জন্ম হৈ এমুঠি জাগৰণী মন্ত্ৰৰ দৰে জাতিৰ ধমনীত কম্পন তুলি অকালতে সংসাৰ এৰি যোৱা গণশিল্পী ৰাজীৱ শদিয়া আৰু ৰাজীৱ শদিয়াৰ শোক মাৰ নৌ যাওঁতেই বিদেশৰ সাগৰত অস্বাভাৱিক আৰু ৰহস্যজনক অকাল মৃত্যুৰে সমগ্ৰ বিশ্বৰ ক্ৰন্দন সৃষ্টি কৰোঁতা, অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জনায় জ্যেষ্ঠ সদস্যা চিত্ৰা বৰুৱা আৰু ৰীণা গগৈয়ে। ইয়াৰ পাছতে সোণালী জয়ন্তী উদযাপন উপলক্ষে শংকৰচন বৰুৱা, মুকুল দুৱৰা আদি স্থানীয় শিল্পী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অংকনেৰে সজোৱা এক চিত্ৰশিল্প প্ৰদৰ্শনীৰ দ্বাৰ উদঘাটন কৰে জ্যেষ্ঠ শিল্পী ভানু দাসে। সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক তথা বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰো সম্পাদক পূৰ্ণ কাকতিয়ে আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভ কৰে অনুষ্ঠানৰ শিল্পীবৃন্দই পৰিৱেশন কৰা নিৰ্দিষ্ট বৃন্দগানেৰে। মুকলি সভাত সভাপতিত্ব কৰি ড° মদন শৰ্মাই আদৰণি ভাষণ দিয়ে। সভাত বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰিত তিনিচুকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, ইতিহাসবিদ ড° অচ্যুত বৰঠাকুৰে সোণালী জয়ন্তী উপলক্ষে অমূল্য খাটনিয়াৰৰ সম্পাদনাত শিল্পী দিগন্ত গগৈৰ বেটু পাতেৰে আটকধুনীয়াকৈ প্ৰকাশ কৰি উলিওৱা "বিষ্ণুজ্যোতি" নামৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰি স্মৃতিগ্ৰন্থখনৰ ওপৰত বিহংগম দৃষ্টিত দু-আষাৰ কয়। অনুষ্ঠানত উপস্থিত থকাসকলৰ ভিতৰত অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া ধনদেৱ মহন্ত, প্ৰণতি দেৱী শৰ্মা, খগেশ্বৰ টায়ে, তিলক সন্দিকৈ, ভুৱন সিং দহোটীয়া, ডাঃ গিৰীশ সন্দিকৈ, ড° অপূৰ্ব ভাস্কৰ গগৈ, গৌৰী বৰুৱা, দুন্দুভি প্ৰসাদ ভট্টাচাৰ্য, বিভা ভট্টাচাৰ্য, ভোগেশ্বৰ হাজৰিকা, ভানু ভূষণ দাস, ৰাণু বৰদলৈ, শকুন্তলা ৰঘুবংশী, দীপক শৰ্মা, ভদ্ৰেশ্বৰ বৰুৱা, প্ৰদীপ কুমাৰ শৰ্মা, অতুল চন্দ্ৰ শৰ্মা, মুকুল দুৱৰা, অঞ্জনা গোস্বামী, সুজয় কুমাৰ ৰায়, ৰীণা গগৈ, থানেশ্বৰ দাস, জয়নাল আবেদিন, নিৰ্মল হাজৰিকা, চন্দ্ৰকান্ত দত্ত, ইন্দ্ৰেশ্বৰ য়েইন, অমিয় কুমাৰ লাহন, অমূল্য খাটনিয়াৰ, সূৰ্য গগৈ লাহন, মুন্না প্ৰসাদ ৰৌণিয়াৰ, ৰাণা বৰগোহাঁই, মিণ্টু চক্ৰৱৰ্তী, ইলাক্ষী চক্ৰৱৰ্তী, ড° মামণি ফুকন বৰগোহাঁই, জোনাবৰ গোহাঁই, মঞ্জুৰী বৰুৱা, মানৱ চেতিয়া, মৃদুল কুমাৰ শৰ্মা, পাৰ্থপ্ৰতিম শৰ্মা, পিনাকী বালা, গীতা দহোটীয়া, বৃন্দাবন কলিতা, সুভাষ সেন, ৰূপম কাকতি, ব্ৰীজ প্ৰধান, ড° সদানন্দ নাথ, জ্যোতি প্ৰসাদ ফুকন, বিজয় বৰদলৈ, তৃপ্তি দাস, হাচনাহানা শইকীয়া সোণোৱাল, শিখাৰাণী বৰুৱা গগৈ, নিৰলা বৰুৱা, মৃদুলা সোণোৱাল গগৈ, ৰূপালী ফুকন, জিতেন শৰ্মা, ৰামকৃষ্ণ শৰ্মা, বন্দনা পূজাৰী, জিনুলক্ষ্মী গগৈ বুঢ়াগোহাঁই, শিল্পী শৰ্মা, দেৱব্ৰত দহোটীয়া, তুষাৰ ৰঞ্জন হাজৰিকা, কল্যাণী চেতিয়া গগৈ, নগেন বৰদলৈ, আদি বিভিন্নজন উপস্থিত থকা সভাখনত ড° মামণি ফুকন বৰগোহাঁয়ে সম্বৰ্ধনা অনুষ্ঠানটোৰ আঁত ধৰি অনুষ্ঠানটোৰ লগত আৰু তিনিচুকীয়াৰ সমাজজীৱনৰ লগত জড়িত জ্যেষ্ঠ ব্যক্তিসকলক পৰিচয় কৰি একোখনি ফুলাম গামোছা, অংগবস্ত্ৰ আৰু এখনি স্মৃতিগ্ৰন্থৰে সকলোকে সম্বৰ্ধনা জনোৱা হয়। সভালৈ বহু নিমন্ত্ৰিত জ্যেষ্ঠ ব্যক্তি শাৰীৰিক অৱসতা অসুস্থতাৰ বাবে আহিব নোৱাৰিলে। নিৰ্দিষ্ট অতিথিৰ ভাষণত ড° বৰঠাকুৰে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মানুহৰ সুকীয়া সুকীয়া ইতিহাস থকা বুলি কয়। অনুষ্ঠানত গীত পৰিৱেশন কৰে অদ্ৰিতা আৰু আদ্ৰিকা চক্ৰৱৰ্তীয়ে। উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি তথা বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সভাপতি ড° জ্যোতিপ্ৰসাদ চলিহাই অৰ্ধশতিকাৰ দেওনা গৰকা বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজ অনুষ্ঠানটোৰ আদৰ্শ আৰু কৰ্মধাৰা সম্পৰ্কে দাঙি ধৰে। সভাপতি ড° মদন শৰ্মাই দিয়া সভাপতিৰ মন্তব্য দিয়াৰ পাছত উদ্‌যাপন সমিতিৰ সহকাৰী সম্পাদক ড° মামণী ফুকনে শলাগৰ শৰাই আগবঢ়ায় আৰু অসম সংগীতেৰে সভাৰ সামৰণি মৰা হয়। গধূলি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

# শ্ৰীৰামপুৰত কোটি টকাৰ ৰঙা চন্দন জব্দ

### আটাৰ বস্তাৰ আঁৰত 'পুষ্পা' ষ্টাইলত সৰবৰাহ কৰা হৈছিল ৰঙা চন্দন কাঠ

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** বিটিচিৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত অসম আৰক্ষীয়ে এক বৃহৎ সফলতা লাভ কৰি কোটি টকাৰ ৰঙা চন্দন কাঠ জব্দ কৰিবলৈ সক্ষম হৈছে। 'পুষ্পা' ছবিৰ কায়দাত আটাৰ বস্তাৰ ভিতৰত লুকুৱাই ৰঙা চন্দন কাঠ সৰবৰাহ কৰাৰ চেষ্টা চলোৱাৰ সময়তে আৰক্ষীৰ অভিযানত এই বৃহৎ পৰিমাণৰ ৰঙা চন্দন কাঠ জব্দ কৰা হয়। আৰক্ষীৰ সূত্ৰ অনুসৰি, RJ-14-GQ-2418 নম্বৰৰ এখন ১২ চকীয়া ট্ৰাকত ৰঙা চন্দন কাঠসমূহ লুকুৱাই কৰ্ণাটকৰ পৰা অসমৰ শিলচৰলৈ সৰবৰাহৰ চেষ্টা চলোৱা হৈছিল। সৰবৰাহৰ পথত প্ৰায় ৫-৬খন ৰাজ্য অতিক্ৰম কৰি ট্ৰাকখন অসমত প্ৰৱেশ কৰিছিল বুলি জানিব পৰা গৈছে। শ্ৰীৰামপুৰ আন্তঃৰাজ্যিক সীমান্তত গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া হেমন্ত কুমাৰ বড়ো আৰু শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ সন্দিকৈৰ নেতৃত্বত চলোৱা অভিযানত ট্ৰাকখন আটক কৰাৰ লগতে ট্ৰাক চালক আৰু সহ চালকক গ্ৰেপ্তাৰ কৰা হয়। আটকাধীন লোক দুজনক ক্ৰমে হাৰিয়ানাৰ ছাকিল খান আৰু ৰাজস্থানৰ ছকিন খান বুলি আৰক্ষীয়ে জানিবলৈ দিছে। আৰক্ষীয়ে ট্ৰাকখনৰ পৰা বৃহৎ পৰিমাণৰ ৰঙা চন্দন কাঠ জব্দ কৰে। জব্দকৃত ৰঙা চন্দনৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য কেইবা কোটি টকা হ'ব পাৰে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। ঘটনাটোক কেন্দ্ৰ কৰি আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে।

### শ্ৰেষ্ঠ দল যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়

# ডুমডুমা মহাবিদ্যালয়ত মৰহুম ৰায়হান শ্বাহ সোঁৱৰণী সদৌ অসম কুইজ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৬ ছেপ্টেম্বৰ ঃ** ডুমডুমা মহাবিদ্যালয়ত বৰ্ষজুৰি চলি থকা হীৰক জয়ন্তী উদযাপনৰ লগত সংগতি ৰাখি আজি মহাবিদ্যালয়ৰ 'কল্লোল' প্ৰেক্ষাগৃহত সদৌ অসম ভিত্তিত মৰহুম ৰায়হান শ্বাহ সোঁৱৰণী প্ৰাইজমানি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দিনৰ দহ বজাত ৰায়হান শ্বাহৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্তই। ইয়াৰ পাছতেই মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই আদৰণি ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ দীপক ৰঞ্জন বৰুৱাই ৰায়হান শ্বাহৰ ব্যক্তিত্ব জীৱন পৰিক্ৰমাৰ ওপৰত এটি এক চমু ভাষণ প্ৰদান কৰে। অসমৰ বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ লোৱা এই অসম ভিত্তিত কুইজ প্ৰতিযোগিতাখন কুইজ মাষ্টাৰ হিচাপে পৰিচালনা কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জ্ঞান মালিনী ৰেডিঅ'ৰ অধ্যক্ষ ড° জিতুৰঞ্জন চেতিয়া আৰু টিংখাং মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক চন্দোপল শইকীয়াই। প্ৰতিযোগিতাত যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অনুপম দেৱচৌধুৰী আৰু অৰ্ণবৰাজ দাসে শ্ৰেষ্ঠ ধৰি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পুনৰ্বাসন বৰা আৰু ইন্দু জ্যোতি দত্তই দ্বিতীয় শ্ৰেষ্ঠ দল আৰু লখিমপুৰ এল. টি. কে. মহাবিদ্যালয়ৰ শচীন দলে আৰু প্ৰণবজ্যোতি গগৈয়ে তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। বঁটা বিতৰণৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় ডুমডুমা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপিকা টিনামণি ৰাজকুমাৰীয়ে।

# তেজপুৰৰ বিশিষ্ট শিক্ষাবিদ, তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিজয় শইকীয়া আৰু নাই

### বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ শোক প্ৰকাশ

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২৬ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ বিশিষ্ট শিক্ষাবিদ, ঐতিহ্যমণ্ডিত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিজয় শইকীয়া আৰু নাই। তেজপুৰৰ বিশিষ্ট শিক্ষাবিদ শ্ৰদ্ধেয় শইকীয়া যোৱা কালি নিশা তেজপুৰৰ ডৰিকা হাস্পতালত নিশা ১১ -৪০ বজাত শেষ নিশ্বাস ত্যাগ কৰাত সমগ্ৰ তেজপুৰতে শোকৰ ছাঁ পৰিছে। তেজপুৰৰ এগৰাকী দূৰদৰ্শী শিক্ষাবিদ, সমাজকৰ্মী, শ্ৰদ্ধাৰ বিজয় শইকীয়াৰ বিয়োগ তেজপুৰৰ শৈক্ষিক ক্ষেত্ৰখনৰ এক অপূৰণীয় ক্ষতি হিচাপে বিবেচিত হৈছে। ১৯৪৬ চনৰ ২৭ মে'ত বিহালী বাহবাৰীৰ পৱিত্ৰ গংমৌ থানৰ নিকটৱৰ্তী অঞ্চলত তেওঁ জন্মগ্ৰহণ কৰিছিল। বিহালী হাইস্কুলৰ পৰা স্কুলীয়া শিক্ষা সমাপ্ত কৰি তেওঁ দৰং কলেজত উচ্চ শিক্ষা গ্ৰহণ কৰি উদ্ভিদ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী (এম.এছ.চি.) লাভ কৰে। তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কেবা দশক ধৰি সেৱা আগবঢ়াই তেওঁ ছাত্ৰসকলৰ ভৱিষ্যত গঢ়ি তোলাৰ লগতে বিজ্ঞান শিক্ষাৰ প্ৰসাৰ ঘটাইছিল। ২০০৪ চনৰ ২৯ ফেব্ৰুৱাৰীত তেওঁ তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যকাল সমাপ্ত কৰি অৱসৰ গ্ৰহণ কৰে। ইয়াৰ পিছতো তেওঁ ২০১০ চনৰ পৰা ২০২৪ চনলৈ তেজপুৰ কেতেকীবাৰীৰ অসম ভেলী একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ অধ্যক্ষ হিচাপে আৰু সম্প্ৰতি পৰিচালনা সমিতিৰ সভাপতি হিচাপে নিজৰ প্ৰশাসনিক নেতৃত্ব অব্যাহত ৰাখিছিল। নিশাই চিকিৎসালয়ৰ পৰা বাসগৃহলৈ নশ্বৰ দেহ অনাৰ পিছত পুৱা তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক হেমন্ত কিশোৰ পাঠক, বীৰেন বৰা প্ৰমুখ্যে একাংশ শিক্ষক -শিক্ষয়িত্ৰী, স্থানীয় ৰাইজ, তেজপুৰ আছামভেলী ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ পৰিচালন সঞ্চালক অভিজিৎ কলিতা আদিয়ে শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পিছত নশ্বৰ দেহ আছামভেলী একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয় আৰু তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ নিয়াৰ পিছত শিক্ষক -শিক্ষাৰ্থী সকলে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। বিশিষ্ট শিক্ষাবিদ গৰাকীৰ পৰলোকপ্ৰাপ্তিত তেজপুৰৰ বিভিন্ন অনুষ্ঠানৰ লগতে সদৌ অসম সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পংকজ কুমাৰ নাথ, শোণিতপুৰ জিলা সাংবাদিক সন্থাৰ সভাপতি মিণ্টু হেমৰম, কাৰ্য্যকৰী সভাপতি দিব্যজ্যোতি নাথ, সাধাৰণ সম্পাদক অপূৰ্ব বৰা আৰু তেজপুৰ সাংবাদিক সন্থাৰ সভাপতি বিশ্বজিৎ নাথ আৰু সাধাৰণ সম্পাদক ছাইদুল ইছলামে গভীৰ শোক প্ৰকাশ কৰি পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

### স্মাৰক গ্ৰন্থ ৰাজেন্দ্ৰ স্মৃতি উন্মোচন

# খনামুখত সমাজকৰ্মী শিক্ষাবিদ ৰাজেন শইকীয়াৰ স্মৃতিচাৰণ সম্পন্ন

**অসম বাৰ্তা, চেলেংহাট, ২৬ ছেপ্টেম্বৰ ঃ** খনামুখ গাঁও পঞ্চায়ত এলেকাৰ বানপীড়িত দিঘলীজান অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী ৰাজেন শইকীয়াৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আজি ভিতৰুৱাল দীঘলীজানৰ নিজা বাসগৃহত এভাগি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠান সম্পন্ন হয়। স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সম্পাদক কিৰণ বৰাই আঁত ধৰা অনুষ্ঠনটোত প্ৰয়াত বৰাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বৰাৰ সহধৰ্মিনী দীপ্তি শইকীয়াই। মুখ্য স্মৃতিচাৰক হিচাপে উপস্থিত থকা খনামুখ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক ৰবীন চন্দ্ৰ হাজৰিকাই প্ৰয়াত বৰাৰ স্মৃতি ৰোমন্থন কৰে। এই অনুষ্ঠানতেই কিৰণ বৰাৰ সম্পাদনাত প্ৰকাশ কৰা ৰাজেন্দ্ৰ-স্মৃতি শীৰ্ষক স্মাৰক গ্ৰন্থ খনি উন্মোচন কৰে গৌৰীসাগৰৰ বিশিষ্ট সমাজকৰ্মী তথা ব্যৱসায়ী জিতু দত্তই। ভাষণ প্ৰসংগত তেওঁ শইকীয়াৰ সান্নিধ্য সোঁৱৰণ কৰাৰ লগতে তেওঁৰ সাংগঠনিক দক্ষতা আৰু কৰ্মৰাজিক ৰোমন্থন কৰে। এই অনুষ্ঠানতেই প্ৰয়াত ৰাজেন শইকীয়াৰ স্মৃতি আৰু আদৰ্শ যুগমীয়া কৰাৰ মানসেৰে উন্মোচক দত্তই ভিতৰুৱাল দিঘলীজান এলেকাৰ এগৰাকী কৃতীমান ছাত্ৰক শইকীয়াৰ ১ম বাৰ্ষিক মৃত্যু তিথিত এক আৰ্থিক সাহায্য প্ৰদান কৰাৰ কথা ঘোষণা কৰে। সভাত সহ উন্মোচক হিচাপে উপস্থিত থকা চেলেংহাট প্ৰেছ ক্লাৱৰ সভাপতি মদন মোহন পাগ বন্ধাই কয় যে এই মুহূৰ্তটো এয়া কেৱল এজন ব্যক্তিৰ জীৱনগাথা সোঁৱৰণৰ সময়েই নহয় এই মুহূৰ্ত অসমৰ এক সামাজিক-ৰাজনৈতিক পৰিৱেশৰ সৈতে ওতপ্ৰোতভাৱে জড়িত এক জীৱন-অভিজ্ঞতা ৰোমন্থনৰ সময়। অনুষ্ঠানটোত ভগামুখ কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক হেমধৰ গগৈ, খনামুখ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী লখিমাই বৰুৱা, পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্যা ৰুণু কোঁৱৰ, মুনমী বৰা, গৌৰীসাগৰ ব্লক কংগ্ৰেছৰ সভাপতি পুলক গগৈ, খনামুখ মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰবীণ চন্দ্ৰ গগৈ, বিশিষ্ট কবি, লেখক অমৃত শইকীয়া, চেলেংহাট প্ৰেছ ক্লাবৰ সম্পাদক অনুৰাগ শইকীয়া, খনামুখ মণ্ডল কংগ্ৰেছৰ সভাপতি পৰাগ কোঁৱৰকে ধৰি শিবসাগৰ জিলাৰ বহু সংখ্যক বিশিষ্ট ব্যক্তিৰ লগতে স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি কুশল শইকীয়াকে ধৰি বহু স্থানীয় আৰু পৰিয়ালৰ লোক উপস্থিত থাকি প্ৰয়াত শইকীয়াৰ স্মৃতি ৰোমন্থন কৰে।



# পবিতৰা হাটত ইভিএম-ভিভিপিএটি কমিচনিং সম্পৰ্কীয় প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** ইলেক্ট্ৰনিক ভোটিং মেচিন (EVM) আৰু ভোটাৰ ভেৰিফায়েবল পেপাৰ অডিট ট্ৰেইল (VVPAT) কমিচনিং সম্পৰ্কে ভোটগ্ৰহণকাৰী কৰ্মচাৰীসকলৰ বাবে আজি মৰিগাঁৱৰ পবিতৰা হাটত এক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। আগন্তুক ৯ নং নগাঁও সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচন ২০২৬ৰ প্ৰস্তুতি অধিক সুসংগঠিত কৰাৰ লক্ষ্যৰে জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া শ্ৰীমতী সৃষ্টি সিং, আই এএছৰ তত্ত্বাৱধানত এই দক্ষতা বিকাশমূলক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। নিৰ্বাচনী প্ৰক্ৰিয়াত নিয়োজিত ভোটগ্ৰহণৰ বাবে নিয়োজিত কৰ্মচাৰী আৰু বিষয়াসকলৰ বাবে আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচীত সকলো জ'নেল আৰু ছেক্টৰ বিষয়া তথা উপ-নিৰ্বাচন পৰিচালনাৰ সৈতে জড়িত আন আন বিষয়াসকলে অংশগ্ৰহণ কৰে। ইভিএম আৰু ভিভিপিএটি কমিচনিঙৰ নিৰ্ধাৰিত পদ্ধতি আৰু প্ৰট'কলসমূহৰ সঠিকভাৱে বুজি পোৱাটো নিশ্চিত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত নিৰ্ভুল আৰু স্বচ্ছ নিৰ্বাচন প্ৰক্ৰিয়াৰ লগতে ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰাৰ বিষয়েও বিস্তৃত আলোচনা কৰা হয়। আজিৰ প্ৰশিক্ষণ কাৰ্যসূচীত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সত্যজিৎ চেতিয়া, অতিৰিক্ত জিলা আয়ুক্ত ড° নীলাক্ষী বৈশ্য, আৰু সহকাৰী আয়ুক্ত অংকিতা দত্ত, আৰু শুভংকৰ হৰে, এচিএছ উপস্থিত থাকে।

### মৰিগাঁও শিক্ষক সমাজৰ প্ৰশংসনীয় পদক্ষেপ

# শিৱসাগৰত মিছন জ্ঞান-বন্যাৰ শুভাৰম্ভণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** বানে বিধ্বস্ত কৰা শিৱসাগৰ জিলাৰ শিক্ষাৰ্থী সকলৰ শৈক্ষিক ঘাটি পূৰণ কৰি আগুৱাই নিবলৈ মৰিগাঁও জিলা অধিবিদ্যা পৰিষদৰ উদ্যোগত তথা শিৱসাগৰ জিলা অধিবিদ্যা পৰিষদৰ সহযোগত মিছন জ্ঞান-বন্যা শীৰ্ষক এক শৈক্ষিক কাৰ্য্যক্ৰমৰ ছাব্বিশ চেপ্তেম্বৰত শিৱসাগৰ জিলাৰ ভাধৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত শুভাৰম্ভণি কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব ঠাকুৰীয়াই কয় যে জিলাখনৰ সদ্য বানত অতি বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা ভাধৰা আৰু নিমাইজান গাঁৱৰ নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলক সামৰি প্ৰয়োজনীয় শৈক্ষিক সমৰ্থন আগবঢ়াবলৈ মিছন জ্ঞান-বন্যা কাৰ্যসূচী লোৱা হৈছে আৰু এই কাৰ্যসূচীৰ অধীনত গাওঁ দুখনক মৰিগাঁও জিলা অধিবিদ্যাৰ জৰিয়তে তুলি ল'বলৈ (Adopt) সিদ্ধান্ত লোৱা হৈছে। ভাষণ প্ৰসংগত ড° ঠাকুৰীয়াই মিছন জ্ঞান-বন্যাৰ আগন্তুক কাৰ্যসূচী সমূহ বৰ্ণনা কৰাৰ লগতে সেই সমূহৰ সফল ৰূপায়ণৰ বাবে প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াবলৈ শিৱসাগৰ জিলাৰ শিক্ষা বিভাগৰ লগতে অধিবিদ্যা পৰিষদ, স্থানীয় ৰাইজ, অভিভাৱক তথা শৈক্ষিক সংস্থা সমূহ আগবাঢ়ি অহা বাবে সংশ্লিস্তঙ্ক্ষ সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড০ সমীৰণ বৰাই মৰিগাঁও জিলাৰ অধিবিদ্যা পৰিষদে এনে সময়োপযোগী আৰু ব্যতিক্ৰমী শৈক্ষিক কাৰ্যসূচী শিৱসাগৰ জিলাৰ বানাক্ৰান্ত শিক্ষাৰ্থীৰ বাবে লোৱা বাবে কৃতজ্ঞতা জনোৱাৰ উপৰিও এনে কাৰ্যসূচীয়ে বানৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ হোৱা শৈক্ষিক ঘাটি পূৰণত যথেষ্ট সহায়ক হ'ব বুলি কয়। তেওঁ মিছন জ্ঞান-বন্যা দুখন জিলাৰ শৈক্ষিক যুগলবন্দীৰে লোৱা এক অনন্য কাৰ্যসূচী বুলি উল্লেখ কৰি কয় যে এনে পদক্ষেপে যৌথভাৱে সমস্যা সমাধানৰ ক্ষেত্ৰত অইনৰ বাবেও বাটকটীয়াৰ ভূমিকা ল'ব। সভাত শিৱসাগৰ জিলাৰ অধিবিদ্যা পৰিষদৰ সম্পাদক উদয় দত্ত আৰু পিমশ্ৰী থানুৰাম গগৈ মেমোৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তথা সদৌ অসম মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ সম্পাদক ব্ৰজেন চেতিয়াই নিজ নিজ ভাষণত মৰিগাঁও জিলা অধিবিদ্যা পৰিষদে লোৱা এনে আশাশুধীয়া প্ৰচেষ্টাৰ শলাগ লয়। মৰিগাঁও জিলা অধিবিদ্যা পৰিষদৰ কাৰ্যকৰী সভাপতি পৰেশ চন্দ্ৰ নাথে আঁত ধৰা অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষককে প্ৰমুখ্য কৰি জিলাখনৰ ভালেসংখ্যক শিক্ষক-কৰ্মচাৰী, অভিভাৱক, দুই শতাধিক ছাত্ৰ-ছাত্ৰী আৰু মৰিগাঁও জিলাৰ পোন্ধৰ জনীয়া শিক্ষক-কৰ্মচাৰীৰ দল এটি উপস্থিত থাকে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলক প্ৰয়োজনীয় কিছু শৈক্ষিক সামগ্ৰী আৰু অভ্যসন কাৰ্যসূচী যোগে মৰিগাঁও জিলাই নৱম-দশম শ্ৰেণীৰ বাবে প্ৰস্তুত কৰা কাৰ্যপত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে মিছন জ্ঞান-বন্যাৰ যোগেদি ভাধৰা আৰু নিমাইজান ৰাজহ গাঁৱৰ ১৪৪ নৱম-দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক মৰিগাঁও জিলাৰ অভিজ্ঞ শিক্ষকৰ জৰিয়তে মেণ্ট'ৰিঙৰ ব্যৱস্থা কৰা হ'ব।

# অসমৰ ৰাজ্যপালৰ নেতৃত্বত বৰপেটাত 'নিচামুক্ত ভাৰত সংকল্পৰ পদযাত্ৰা'

**অসম বাৰ্তা, বৰপেটাসদৰ, ২৬ ছেপ্টেম্বৰ ঃ** ড্ৰাগছ মুক্ত অসমৰ শ্ল'গান ৰাজ্যজুৰি এতিয়া ক্ৰমান্বয়ে এক গণ আন্দোলনৰ ৰূপ লৈছে, য'ত ৰাজ্যৰ সকলো প্ৰান্তৰ পৰা ৰাইজে সঁহাৰি জনাইছে। এই অভিযানক আগবঢ়াই লৈ অসমৰ মহামহিম ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই আজি বৰপেটাত 'নিচামুক্ত ভাৰত সংকল্প পদযাত্ৰা'ৰ নেতৃত্ব দিয়ে, য'ত শিক্ষাৰ্থী, যুৱক-যুৱতী, সামাজিক সংগঠন, জনপ্ৰতিনিধি আৰু সাধাৰণ নাগৰিকে উৎসাহেৰে অংশগ্ৰহণ কৰে। মহামহিম ৰাজ্যপাল গৰাকীয়ে উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি ব্যক্ত কৰে যে অসমৰ সাংস্কৃতিক আৰু আধ্যাত্মিক ঐতিহ্যৰ সৈতে গভীৰভাৱে জড়িত বৰপেটাৰ মাটিলৈ ড্ৰাগছ বিৰোধী বাৰ্তা কঢ়িয়াই অনাটোৱে এক বিশেষ তাৎপৰ্য বহন কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ গুৰুদুজনাৰ চিৰন্তন প্ৰভাৱ আৰু অসমৰ সাংস্কৃতিক পৰম্পৰা সংৰক্ষণত বৰপেটা সত্ৰৰ ভূমিকাৰ কথা সোঁৱৰণ কৰি তেওঁ কয় যে এই ঐতিহাসিক চহৰখনৰ পৰা আৰম্ভ হোৱা পদযাত্ৰাই নতুন প্ৰজন্মক সুৰক্ষিত কৰা আৰু এক সুস্থ সমাজ গঢ়ি তোলাৰ এক সামূহিক সংকল্পক প্ৰতিফলিত কৰিছে। এই উপলক্ষে ভাষণ দি ৰাজ্যপাল আচাৰ্যই কয় যে ড্ৰাগছৰ অপব্যৱহাৰৰ পৰিণাম কেৱল ব্যক্তি বিশেষৰ পৰ্যায়তে সীমাবদ্ধ নাথাকে। ড্ৰাগছৰ আসক্তিয়ে পৰিয়ালক প্ৰভাৱিত কৰে, যুৱক-যুৱতীসকলৰ আকাংক্ষাক ধ্বংস কৰে আৰু সামাজিক গাঁথনি দুৰ্বল কৰি পেলায়। গতিকে চৰকাৰ আৰু আইন প্ৰয়োগকাৰী সংস্থাৰ প্ৰচেষ্টাৰ লগতে পৰিয়াল, শিক্ষানুষ্ঠান, সম্প্ৰদায় ভিত্তিক সংগঠন, নাগৰিক সমাজ আৰু প্ৰতিগৰাকী দায়িত্বশীল নাগৰিকক সামৰি এক ঐক্যবদ্ধ পদক্ষেপ গ্ৰহণৰ বাবে তেওঁ আহ্বান জনায়। ৰাজ্যপাল গৰাকীয়ে উল্লেখ কৰে যে কাছাৰৰ পৰা আৰম্ভ হৈ ক্ৰমে শ্ৰীভূমি, ডিব্ৰুগড় আৰু তিনিচুকীয়া পোৱাৰ পিছত 'নিচামুক্ত ভাৰত সংকল্প পদযাত্ৰা' বাবে বৰপেটাত উপস্থিত হৈছে। এই যাত্ৰাক কেৱল এক খোজকঢ়া সমদলতকৈ অধিক বুলি অভিহিত কৰি তেওঁ কয় যে ই সচেতনতাৰ পৰা কাৰ্যপন্থালৈ আৰু ব্যক্তিগত প্ৰতিশ্ৰুতিৰ পৰা সামূহিক দায়িত্বলৈ গতি কৰাৰ এক প্ৰতীক। ড্ৰাগছৰ অপব্যৱহাৰৰ বিৰুদ্ধে চলোৱা ৰাষ্ট্ৰীয় অভিযানত যুৱ প্ৰজন্মক প্ৰদান কৰা গুৰুত্বৰ কথা উল্লেখ কৰি ৰাজ্যপাল গৰাকীয়ে কয় যে "অসমৰ প্ৰগতি আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ধাৰাবাহিক বিকাশৰ বাবে এটা সুস্থ, দক্ষ, আত্মবিশ্বাসী আৰু ড্ৰাগছ মুক্ত যুৱ সমাজ অতিকে প্ৰয়োজন। তেওঁ যুৱক-যুৱতীসকলক ড্ৰাগছ মুক্ত সমাজৰ বাৰ্তাৰ সক্ৰিয় প্ৰচাৰক হ'বলৈ আহ্বান জনায়।" এটা সংকল্পই হ'ল ইয়াৰ পূৰণৰ দিশত প্ৰথম খোজ। ৰাজ্যপাল গৰাকীয়ে নাগৰিকসকলক ড্ৰাগছ মুক্ত অসমৰ সংকল্পক নীৰৱচ্ছিন্ন কাৰ্যপন্থালৈ ৰূপান্তৰিত কৰিবলৈ অনুৰোধ জনাই আৰু কয় যে এই প্ৰচেষ্টাত প্ৰতিটো পৰিয়াল আৰু প্ৰতিজন নাগৰিকৰ কৰণীয় আছে। ইয়াৰ পূৰ্বে বৰপেটাৰ জিলা আয়ুক্ত নৱদ্বীপ পাঠকে অংশগ্ৰহণকাৰী সকলক নিচা মুক্ত ভাৰত সংকল্পৰ শপত বাক্য পাঠ কৰায়। ৰাজ্যপালৰ ভাষণৰ পিছতে তেওঁ জিলা পুথিভঁৰালৰ পৰা বৰপেটাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সমীপৰ গান্ধী মণ্ডপ লৈকে আয়োজিত পদযাত্ৰাৰ শুভাৰম্ভ কৰে আৰু শতাধিক অংশগ্ৰহণকাৰীৰ সৈতে পদযাত্ৰাত নেতৃত্ব দিয়ে। গন্তব্য স্থানত উপস্থিত হৈ ৰাজ্যপাল গৰাকীয়ে মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে আৰু আত্মসংযম, সত্য আৰু সামাজিক দায়িত্বৰ মূল্যবোধ সোঁৱৰণ কৰে। এই কাৰ্যসূচীত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাস বাপজনা, বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক দীপক কুমাৰ দাস বিশিষ্ট সমাজকৰ্মী গুণীন্দ্ৰ নাথ দাস, জিলা আয়ুক্ত নৱদ্বীপ পাঠক; আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা; বৰপেটা পৌৰসভাৰ সভাপতি ছবিলাল দাস, বৰপেটা জিলা পৰিষদৰ সভানেত্ৰী য়াছমিন চুলতানা, সমাজকৰ্মী সবিতা দেবনাথ, জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰী সকল আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

# গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ত নেট পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কীয় প্ৰশিক্ষণ কৰ্মশালা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৬ ছেপ্টেম্বৰ ঃ** গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ত আজি নেট পৰীক্ষাৰ আৰ্হি, প্ৰস্তুতিৰ কৌশল আৰু পৰীক্ষাৰ বিভিন্ন দিশৰ ওপৰত এখন বিশেষ প্ৰশিক্ষণমূলক কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ কোচিং কাৰ্যসূচীৰ উদ্যোগত অনুষ্ঠিত এই কৰ্মশালাখনৰ মূল উদ্দেশ্য আছিল নেট পৰীক্ষাৰ্থীসকলক পৰীক্ষাৰ গাঁথনি, প্ৰশ্নৰ ধৰণ আৰু ফলপ্ৰসূ প্ৰস্তুতিৰ বিষয়ে সুস্পষ্ট ধাৰণা প্ৰদান কৰা। কৰ্মশালাৰ আৰম্ভণিতে দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত বৰুৱাকিয়ালে আদৰণি ভাষণ প্ৰদান কৰে। ভাষণত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক লক্ষ্যত উপনীত হোৱাৰ বাবে নিয়মিত আৰু নীৰৱচ্ছিন্নভাৱে অধ্যয়ন কৰি যাবলৈ আহ্বান জনায়। প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰ বাবে ধৈৰ্য, অধ্যৱসায়, নিয়মানুৱৰ্তিতা আৰু অবিৰত প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। কৰ্মশালাত মহাবিদ্যালয়ৰ কলা শাখাৰ ডীন ড° দেৱজিত ফুকনে অংশগ্ৰহণ কৰি নেট পৰীক্ষাৰ প্ৰস্তুতিৰ বিভিন্ন দিশৰ ওপৰত এক সুসংগঠিত বিশ্লেষণ আগবঢ়ায়। তেওঁ পৰীক্ষাৰ প্ৰক্ৰিয়া, প্ৰস্তুতিৰ পৰিকল্পনা, সময় ব্যৱস্থাপনা আৰু অধ্যয়নৰ ক্ষেত্ৰত এক পদ্ধতিগত দৃষ্টিভংগী গ্ৰহণৰ প্ৰয়োজনীয়তাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। কৰ্মশালাৰ সমল ব্যক্তি হিচাপে অধ্যাপক দেৱ প্ৰসাদ গগৈ আৰু অধ্যাপিকা দেৱযানী বৰুৱাই নেট পৰীক্ষাৰ বিভিন্ন দিশ বিশদভাৱে ব্যাখ্যা কৰে। তেওঁলোকে পৰীক্ষাৰ আৰ্হি, প্ৰশ্নৰ ধৰণ, প্ৰস্তুতিৰ কৌশল আৰু পৰীক্ষাৰ্থীসকলে সন্মুখীন হ'ব পৰা বিভিন্ন বিষয়ৰ ওপৰত গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। সমল ব্যক্তিদ্বয়ৰ আলোচনা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যথেষ্ট সহায়ক আৰু তথ্যসমৃদ্ধ হৈ পৰে। কৰ্মশালাখনে নেট পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকা ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাটোৰ সামগ্ৰিক ৰূপ আৰু প্ৰস্তুতিৰ সঠিক পদ্ধতি সম্পৰ্কে এক স্পষ্ট ধাৰণা লাভ কৰাত সহায় কৰে। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন প্ৰশ্ন আৰু সংশয়ৰ বিষয়েও আলোচনা কৰা হয়। অনুষ্ঠানৰ শেষত কোচিং কাৰ্যসূচীৰ সমন্বয়ক ড° লক্ষ্মীনাথ ৰাভাই সমল ব্যক্তি, অধ্যক্ষ, ডীন আৰু অংশগ্ৰহণকাৰীসকলক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ সকলোৰে সহযোগিতা আৰু সক্ৰিয় অংশগ্ৰহণৰ ফলতেই কৰ্মশালাখন সফল আৰু ফলপ্ৰসূ হৈ উঠিছে বুলি উল্লেখ কৰে। নেট পৰীক্ষাৰ্থী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অনুষ্ঠিত এই প্ৰশিক্ষণমূলক কৰ্মশালাখনে তেওঁলোকৰ পৰীক্ষা প্ৰস্তুতিক অধিক সুসংগঠিত আৰু ফলপ্ৰসূ কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ।

# মাই ভাৰত শোণিতপুৰ কেন্দ্ৰৰ উদ্যোগত সেৱা পখৱাড়া কাৰ্য্যসূচী সম্পন্ন



**অসম বাৰ্তা, তেজপুৰ সদৰ, ২৬ ছেপ্টেম্বৰ ঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনস্থ মাই ভাৰত কেন্দ্ৰ শোণিতপুৰৰ জিলা যুৱ বিষয়াৰ কাৰ্য্যালয়ৰ উদ্যোগত তেজপুৰৰ হজৰাপাৰস্থিত জিলা যুৱ বিষয়াৰ কাৰ্য্যালয় তথা য়ুথ হোষ্টেলত ১৮ ছেপ্টেম্বৰ ২০২৬ তাৰিখে সেৱা পখৱাড়াৰ শুভাৰম্ভ কৰে মাই ভাৰত শোণিতপুৰ কেন্দ্ৰৰ জিলা যুৱ বিষয়া আব্দুল্লা আহমেদে। ইফালে বিশ্বনাথ জিলাৰ চতিয়াৰ বৰপাম এম. ই স্কুল আৰু বৰপামৰ কাযহলীয়া অঞ্চলত যোৱা ২৫ ছেপ্টেম্বৰ ২০২৬ তাৰিখে সেৱা পখৱাড়া কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। সমগ্ৰ দেশতে ১৭ ছেপ্তেম্বৰৰ পৰা ২ অক্টোবৰলৈ পালন কৰা এই ৰাষ্ট্ৰীয় সেৱাভিত্তিক অভিযানখন মহাত্মা গান্ধীৰ জন্মজয়ন্তীৰ দিনা সমাপ্ত হ'ব। 'জন সাধাৰণৰ অংশগ্ৰহণৰ দ্বাৰাজন আন্দোলন'ৰ অনুপ্ৰেৰণাদায়ী মনোভাৱেৰে যুৱসমাজৰ মাজত স্বেচ্ছাসেৱী মনোভাৱ, নাগৰিক দায়িত্ববোধ, পৰিৱেশৰ প্ৰতি সচেতনতা আৰু সক্ৰিয় সামাজিক অংশগ্ৰহণৰ সংস্কৃতি গঢ়ি তোলাৰ উদ্দেশ্যে সেৱা পখৱাড়া ৰূপায়ণ কৰা হৈছে। উক্ত কাৰ্য্যসূচীত মুখ্য অভিযানমূলক কাৰ্য্যসূচী হিচাপে নিৰ্মলিকৰণ তথা চাফাই অভিযান, পৰিৱেশ সজাগতা, স্বাস্থ্য আৰু সামাজিক কল্যাণ, আদি কাৰ্য্যসূচী ৰূপায়ণ কৰে। মাই ভাৰত শোণিতপুৰ কেন্দ্ৰৰ জিলা যুৱ বিষয়াই সমাজৰ সৰ্বাংগীণ বিকাশ আৰু যুৱ নেতৃত্বাধীন সামাজিক প্ৰভাৱ বিস্তাৰৰ বাবে অনাগত অনুষ্ঠানসমূহত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ নাগৰিকসকল, যুৱ সংগঠনসমূহ আৰু সমগ্ৰ সমাজৰ প্ৰতি আহ্বান জনাইছে।

# গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আছুৰ সমৰ্থিত প্ৰাৰ্থীৰ বৃহৎ জয়লাভ



**অসম বাৰ্তা, নামতি, ২৬ ছেপ্টেম্বৰ ঃ** ঐতিৰ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ত ২০২৬-২৭ বৰ্ষৰ বাবে ২৬ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ সমৰ্থিত ১৩ প্ৰাৰ্থী জয়ী হ'বলৈ সক্ষম হয়। উল্লেখ্য যে এইবাৰ অনুষ্ঠিত হোৱা গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন ১৪খন আসনৰ ভিতৰত ১৩খন আসনত সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ সমৰ্থিত প্ৰাৰ্থীৰ বৃহৎ জয়লাভ কৰে। জয়লাভ কৰা প্ৰাৰ্থী সকল গড় গাঁও মহাবিদ্যালয় (স্বায়ত্তশাসিত) ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত জয়ী হোৱা প্ৰাৰ্থীসকল ক্ৰমে সভাপতি ৰাকেশ বৰপাত্ৰ গোহাঁই, উপ-সভাপতি মাধুৰ্য্য ফুকন, সাধাৰণ সম্পাদক আইচেং খাম শইকীয়া, সহঃ সাধাৰণ সম্পাদক ভাগ্যজ্যোতি ফুকন, উৎসৱ আৰু সাংস্কৃতিক সম্পাদক ভাৰ্গৱ আৰন্ধৰা, লঘু ক্ৰীড়া সম্পাদক মৃণ্ময় শইকীয়া, ক্ৰীড়া সম্পাদক প্ৰিয়ানুজ গগৈ, সংগীত সম্পাদক আশাশ্ৰী গগৈ, সমাজ সেৱক সম্পাদক প্ৰিয়ংকা গায়ন, তৰ্ক আৰু আনুষংগিক সম্পাদক মামনি শইকীয়া, ছাত্ৰী জিৰণি কোঠা সম্পাদক নমী বৰুৱা, আলোচনী সম্পাদক শাশ্বতী গগৈ, ছাত্ৰ জিৰণি কোঠা সম্পাদক অভ্ৰনীল গগৈ, শৰীৰ চৰ্চা বিভাগৰ সম্পাদক ৰাহুল পাংগিং। ইয়াৰ বিপৰীতে মাত্ৰ এখন আসন লাভ কৰিবলৈ সক্ষম হ'ল আটাছু সমৰ্থিত প্ৰাৰ্থীৰ। আছুৰ সমৰ্থিত বিজয়ী প্ৰাৰ্থী সকলক সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা, নাজিৰা মহকুমা ছাত্ৰ সন্থা আৰু শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থাই উষ্ম আদৰণি জনায়।

# গোলাঘাটৰ হেমপ্ৰভা ছোৱালী মহাবিদ্যালয়ত দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় কৃষি সন্মিলন

**অসম বাৰ্তা, গোলাঘাট, ২৬ ছেপ্টেম্বৰ ঃ** কৃষি খণ্ডৰ সাম্প্ৰতিক প্ৰত্যাহ্বান, সম্ভাৱনা আৰু নৱপ্ৰযুক্তি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰাৰ উদ্দেশ্যে হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ উদ্যোগত অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত দুদিনীয়াকৈ এখন আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হয়। সন্মিলনখনিৰ উদ্বোধন কৰি যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষণাৰ সঞ্চালক (Director of Research) ড° সঞ্জয় কুমাৰ চেতিয়াই কৃষিৰ গুৰুত্ব আৰু বৰ্তমান সময়ত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ সম্পৰ্কে বক্তব্য আগবঢ়ায়। সন্মিলনখনৰ মুখ্য বক্তা যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষাৰ সঞ্চালক ড° অনুপ কুমাৰ চেতিয়াই পৰম্পৰাগত কৃষি পদ্ধতিৰ লগতে সাম্প্ৰতিক কৃষিক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিৰ গুৰুত্বৰ বিষয়ে বক্তব্য আগবঢ়ায়। তেওঁ কৃষকসকলৰ উপাৰ্জন, জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ আৰু কৃষি উৎপাদন বৃদ্ধিৰ বাবে আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। সন্মিলনখনৰ দুয়োটা দিনতে জলবায়ু পৰিৱৰ্তন, আধুনিক কৃষি প্ৰযুক্তি, জৈৱিক কৃষি, কৃষি অৰ্থনীতি, খাদ্য সুৰক্ষা, কৃষিৰ ভৱিষ্যৎ সম্ভাৱনা, কৃষকসকলৰ সমস্যা আৰু সমাধানৰ উপায়, কৃষি সম্পৰ্কীয় গৱেষণা আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা অনুষ্ঠিত হয়। লগতে বিভিন্ন গৱেষক আৰু বিশেষজ্ঞয়ো কৃষিৰ উন্নয়নৰ বাবে গৱেষণা, উদ্ভাৱন, কৃষিক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা আৰু ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰ, প্ৰয়োজনীয়তা তথা নৱ প্ৰজন্মক কৃষিৰ প্ৰতি আগ্ৰহী কৰিবৰ বাবে ল'ব পৰা আধুনিক প্ৰযুক্তিৰ বিষয়েও গৱেষণা-পত্ৰ উপস্থাপন আৰু মত বিনিময় কৰে। ২৫ আৰু ২৬ ছেপ্টেম্বৰত হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ প্ৰাঙ্গণত অনুষ্ঠিত হোৱা সন্মিলনখনত কৃষি বিজ্ঞানী, গৱেষক, অধ্যাপক, কৃষি বিশেষজ্ঞ, শিক্ষাৰ্থী আৰু কৃষিৰ সৈতে জড়িত বিভিন্ন ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানত আয়োজকসকলে দুদিনীয়া এই কাৰ্যসূচীৰ সফল সমাপ্তিৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে।

# পৰ্যবেক্ষকৰ নিৰীক্ষণত নগাঁৱত আৰম্ভ ঘৰে-ঘৰে ভোটগ্ৰহণ

**অসম বাৰ্তা, নগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাত ৮৫ বছৰৰ উৰ্ধ্বৰ আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত আগ্ৰহী ভোটাৰসকলৰ বাবে আজিৰে পৰা আৰম্ভ হৈছে ঘৰে ঘৰে ভোটগ্ৰহণ প্ৰক্ৰিয়া। এই উদ্দেশ্যে গঠন কৰা ৩১টা দলে জিলাখনৰ বিভিন্ন প্ৰান্তত উপস্থিত হৈ বেলটৰ জৰিয়তে ভোটগ্ৰহণ আৰম্ভ কৰে। নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰাইদিঙীয়া আৰু বগৰীগুৰি পাম অঞ্চলতো আজি কেইবাগৰাকী বিশেষ ভোটাৰৰ ঘৰত উপস্থিত হৈ ভোটগ্ৰহণ কৰা হয়। ভোটগ্ৰহণৰ সমগ্ৰ প্ৰক্ৰিয়া নিৰ্বাচন আয়োগৰ দ্বাৰা নিয়োজিত সাধাৰণ পৰ্যবেক্ষক অমৰ কুশৱাহা আৰু ব্যয় পৰ্যবেক্ষক বাসুকী নাথ ঝাই নিৰীক্ষণ কৰে। পৰ্যবেক্ষকদ্বয়ে ভোটগ্ৰহণৰ সময়ত ভোটাৰৰ গোপনীয়তা আৰু স্বতন্ত্ৰতা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিষয়াসকলক প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জানিবলৈ দিয়া অনুসৰি, অহা ২৯ ছেপ্টেম্বৰৰ ভিতৰত নগাঁও জিলাত মুঠ ২,৪৪২ গৰাকী বিশেষ ভোটাৰৰ পৰা তেওঁলোকৰ বাসগৃহলৈ গৈ ভোট সংগ্ৰহ কৰা হ'ব।

# বিজনী শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ উদ্যোগত বন্দে মাতৰম'ৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, বিজনী, ২৬ ছেপ্টেম্বৰ ঃ** অখিল ভাৰতীয় শিক্ষা সংস্থান বিদ্যা ভাৰতীৰ তত্ত্বাৱধানত চিৰাং জিলাৰ বিজনীৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ উদ্যোগত শুকুৰবাৰে "বন্দে মাতৰম"ৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত "নমামি ভাৰতম" শীৰ্ষক বন্দে মাতৰমৰ সামূহিক গায়ন কাৰ্যসূচী ৰূপায়িত হয়। বিদ্যালয় খনৰ প্ৰধান আচাৰ্য বিপ্লৱ বৰ্মননে পৰিচালনা কৰা উক্ত কাৰ্যসূচীত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উত্তৰ অসম প্ৰান্তৰ সেৱা প্ৰমুখ অনুপম সৰকাৰ, শংকৰদেৱ শিশু বিদ্যা নিকেতন পৰিচালনা সমিতিৰ সভাপতি বানাৰাম বৰ্মন, সম্পাদিকা দীপালি কলিতাসহ অতিথি বৃন্দ উপস্থিত থাকে। পাছত অতিথি বৃন্দৰ লগতে নিকেতনৰ ছাত্ৰ-ছাত্ৰী তথা আচাৰ্য-আচাৰ্যা সকলে সমূহীয়াকৈ বন্দে মাতৰম গীতটি পৰিৱেশন কৰে।

# গোলাঘাট পূৰ্বাঞ্চলিক মহাবিদ্যালয় এনএছএছ গোটৰ সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৬ ছেপ্টেম্বৰ ঃ** গোলাঘাট পূৰ্বাঞ্চলিক মহাবিদ্যালয় এন এছ এছ গোটৰ দ্বাৰা আজি ন পমুৱাৰ ৩ নং লুখুৰাখন প্ৰাথমিক বিদ্যালয়ত বিশেষ সজাগতা সভা অনুষ্ঠিত কৰা হয়। সভাখনত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেণ হাজৰিকাই সভাপতিত্ব কৰে। সভা আয়োজনৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ কাৰ্যক্ৰম বিষয়া তথা ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক বিজিত শইকীয়াই মুখ্য ভূমিকা গ্ৰহণ কৰে। এই ক্ষেত্ৰত সক্ৰিয় সহযোগিতা আগবঢ়ায় মহাবিদ্যালয়ৰ দণ্ড গোঁহাইয়ে। সভাখনৰ আঁত ধৰে বুৰঞ্জী বিভাগৰ মূৰব্বী অধ্যাপক প্ৰাঞ্জল শইকীয়াই। বটঁা বিতৰণী অনুষ্ঠানত সহায় কৰে অসমীয়া বিভাগৰ অধ্যাপিকা ৰিংকুমণি গগৈয়ে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক মনোজ বৰাই নিজা বিদ্যালয়খনৰ ঐতিহ্যৰ কথা দোহাৰি কয় যে বৰ্তমান চৰকাৰী বিদ্যালয় সমূহে বহুখিনি সমস্যা সন্মুখীন হৈছে যদিও সেইখিনি নেওচি আগুৱাই যাব লাগিব। সভাত সহকাৰী শিক্ষক পুতুল শইকীয়া, সৰুপ্ৰভা গগৈ, প্ৰতিষা গগৈ, ৰেখামণি কলিতা, অভিভাৱক -অভিভাৱিকাসকলে অংশগ্ৰহণ কৰে। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নয়নমণি গগৈ, চেমিম আহমেদ, জোনালী গগৈ, দীপশিখা গগৈ আৰু এন এছ এছ গোটৰ ছাত্ৰ-ছাত্ৰীসকলে সহযোগিতা আগবঢ়ায়। প্ৰায় অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত বক্তৃতা প্ৰতিযোগিতা, কবিতা আবৃত্তি, গীতৰ প্ৰতিযোগিতা, নিজে ভাল পোৱা বিভিন্ন কলা কৌশল প্ৰদৰ্শন কৰা হয়। বিদ্যালয়ৰ চৌহদ চাফাই আৰু বৃক্ষ ৰোপণৰ কাৰ্যসূচী হাতত লোৱা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন হাজৰীকাই অতীতৰ শিক্ষা ব্যৱস্থা আৰু বৰ্তমান শিক্ষা ব্যৱস্থা এক আলোকপাত কৰি ছাত্ৰ-ছাত্ৰী সকলৰ সামগ্ৰীক বিকাশৰ ওপৰত আলোকপাত কৰি নতুন দিগন্ত লাভৰ বিষয়ে ব্যাখ্যা কৰে। ছাত্ৰ-ছাত্ৰী, অভিভাৱক, স্থানীয় ৰাইজৰ সক্ৰিয় সহযোগিতাত আয়োজিত হোৱা অনুষ্ঠানটোৰ বাবে অধ্যক্ষ ড° হৰেণ হাজৰিকা আৰু এন এছ গোটৰ কাৰ্য্যক্ৰম বিষয়া বিজিত শইকীয়াই সকলোকে ধন্যবাদ জ্ঞাপন কৰে। দিনজোৰা কাৰ্য্যসূচীৰ অন্তত অনুষ্ঠানটোৰ সফল সমাপ্তি হয়।

## মুখ্য অভিযন্তাৰ বিৰুদ্ধে ক্ষোভ জলমিত্ৰ সমাজৰ; ৰাজহুৱাভাৱে ক্ষমা বিচৰাৰ দাবী

# মঙলদৈত জলমিত্ৰৰ বিশাল প্ৰতিবাদ

**অসম বাৰ্তা, মঙলদৈ, ২৬ ছেপ্টেম্বৰ ঃ** অসম PHE অস্থায়ী কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ এটি সজাতি দলে নৱনিযুক্ত মুখ্য অভিযন্তাগৰাকীক আদৰণি জনোৱাৰ উদ্দেশ্যে কাৰ্যালয়ত উপস্থিত হৈছিল। কিন্তু সন্থাৰ নেতৃত্বৰ সৈতে অভিযন্তাগৰাকীয়ে দুৰ্ব্যৱহাৰ তথা কৰ্কথনা কৰাৰ অভিযোগ উত্থাপন কৰে জলমিত্ৰসকলে। এই ঘটনাৰ প্ৰতিবাদতে আজি মঙলদৈস্থিত জনস্বাস্থ্য বিভাগৰ কাৰ্যালয় চৌহদত দৰং জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা জলমিত্ৰসকল একত্ৰিত হৈ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদস্থলীত ক্ষোভ উজাৰি জলমিত্ৰসকলে কয়— তেওঁলোকৰ প্ৰতি কৰা এনে আচৰণ কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। প্ৰতিবাদকাৰী সকলে নৱনিযুক্ত অভিযন্তা গৰাকীক জলমিত্ৰসকলৰ সন্মুখত ৰাজহুৱাভাৱে ক্ষমা বিচৰাৰ দাবী জনায়। লগতে জলমিত্ৰসকলৰ বিভিন্ন দীৰ্ঘদিনীয়া দাবী শীঘ্ৰে পূৰণ কৰাৰ বাবেও বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনায়। ইয়াৰ বিপৰীতে দাবীসমূহৰ প্ৰতি শীঘ্ৰে ইতিবাচক পদক্ষেপ গ্ৰহণ নকৰিলে অনাগত দিনত প্ৰতিবাদী কাৰ্যসূচী অধিক তীব্ৰতৰ কৰি তোলাৰ হুংকাৰ দিয়ে সদৌ অসম PHE অস্থায়ী পৰিষদে। এতিয়া প্ৰশ্ন এটাই- জলমিত্ৰসকলৰ ক্ষোভৰ প্ৰতি বিভাগীয় কৰ্তৃপক্ষই কিদৰে সঁহাৰি জনায়, সেয়া সময়েহে ক'ব।

**মন্ত্ৰী তথা অগপৰ সভাপতি অতুল বৰাৰ শুভেচ্ছা**

# অসম ছাত্ৰ পৰিষদৰ বিপুল জয় যাত্ৰা; সভাপতিসহ ৯জন প্ৰাৰ্থীৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৬ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ কমৰবন্ধা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ইতিহাস ৰচনা কৰি সভাপতিকে ধৰি ৯টাকৈ গুৰুত্বপূৰ্ণ পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিলে অসম ছাত্ৰ পৰিষদ সমৰ্থিত প্ৰাৰ্থীসকলে। বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা সকলো বিজয়ী প্ৰাৰ্থীক ছাত্ৰ পৰিষদৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰা প্ৰাৰ্থীসকল হ'ল সভাপতি পদত মনালিছা বৰা, সাংস্কৃতিক সম্পাদক নয়না চেতিয়া, আলোচনী সম্পাদক চয়নিকা নেওগ, তৰ্ক প্ৰতিযোগিতা সম্পাদক ববিতা শইকীয়া, উৎসৱ/ফাংচন সম্পাদক দেৱাশিস দাস, সাহিত্য সম্পাদক পৰিস্মিতা গগৈ, লঘু ক্ৰীড়া সম্পাদক সুশান্ত বৰা, ছাত্ৰী জিৰণি কোঠা সম্পাদক ৰাজশ্ৰী শইকীয়া আৰু পাঠ্য কোঠা সম্পাদকৰ পদত চফিউৰ ৰহমান। উল্লেখ্য যে অহা ৩০ ছেপ্টেম্বৰত সাধাৰণ সম্পাদককে ধৰি বাকী ৫টা পদৰ বাবে প্ৰতিদ্বন্দ্বিতা অনুষ্ঠিত হ'ব।

# দেৰগাঁও সামূহিক চিকিৎসালয়ত চৰকাৰী ঔষধ লুণ্ঠন

## আৰটিআই তথ্যত ফাদিল কেলেংকাৰী

**অসম বাৰ্তা, দেৰগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ স্বাস্থ্য খণ্ডক স্বচ্ছ আৰু জনমুখী কৰি তোলাৰ তাক-তোল পিটি থকাৰ সময়তে গোলাঘাট জিলাৰ দেৰগাঁওস্থিত ৩০খন বিছনাযুক্ত সামূহিক চিকিৎসালয়ত সংঘটিত হৈছে চৰকাৰী পুঁজি আৰু ঔষধ অপব্যৱহাৰৰ এক ভয়ংকৰ অনিয়ম। আৰটিআই আবেদনৰ জৰিয়তে ফাদিল হৈছে চিকিৎসালয়খনৰ বহু অকথিত কাহিনী। উপলব্ধ তথ্য অনুসৰি, চিকিৎসালয় খনলৈ ২৭২ বিধ জৰুৰী ঔষধ যোগান ধৰা হয় যদিও ইয়াৰ বিপৰীতে ৰোগীসকলে চিকিৎসালয় খনৰ পৰা পৰ্যাপ্ত ঔষধ লাভ কৰাৰ পৰা বঞ্চিত হৈছে। নিয়ম অনুসৰি চিকিৎসকে ৰোগী পৰীক্ষা কৰি ৫-৬ বিধ পৰ্যন্ত ঔষধ লিখে যদিও ৰোগীয়ে চিকিৎসালয়খনৰ পৰা মাত্ৰ ১ বা ২ বিধহে লাভ কৰে। ফলত আৰ্থিকভাৱে পিছপৰা ৰোগীসকল বাধ্য হৈছে চিকিৎসালয়ৰ বাহিৰৰ ব্যক্তিগত ফাৰ্মাচীৰ পৰা চৰা দামত ঔষধ ক্ৰয় কৰিবলৈ। চৰকাৰী পুঁজিৰ চিকিৎসালয়খনলৈ অহা এই ঔষধসমূহ আচলতে ক'ত হেৰাই ছে? এই গুৰুত্বপূৰ্ণ প্ৰশ্নই এতিয়া চৰ্চা লাভ কৰিছে সচেতন ৰাইজৰ মাজত। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল— এইসময়ত বিষয়টোক লৈ চিকিৎসালয়খনৰ একাংশ কৰ্মচাৰী, চিকিৎসক আৰু চিকিৎসালয়খনৰ সমীপৰ ফাৰ্মাচীসমূহৰ সৈতে ৰোগীক বাহিৰৰ পৰা ঔষধ ক্ৰয় কৰোৱাৰ ক্ষেত্ৰত কোনো গোপন বুজাবুজি বা কমিছনৰ খেল আছে নেকি, সেই লৈও এতিয়া তীব্ৰ প্ৰশ্ন উত্থাপন হৈছে। আৰটিআই তথ্যত ফাদিল হোৱা এই ভয়ংকৰ কেলেংকাৰীয়ে সাধাৰণ ৰোগীৰ মৌলিক অধিকাৰ কঢ়ি খোৱাৰ লগতে চৰকাৰী ধনৰ লুণ্ঠন চলাইছে। সেয়েহে, এই অনিয়মৰ লগত জড়িত ব্যক্তিসকলৰ বিৰুদ্ধে শীঘ্ৰে তদন্তৰ দাবী উঠিছে।

## বিতৰ্কৰ মাজতে নিৰ্বাচন

আয়োগে শনিবাৰে এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে। নতুন দিল্লীৰ নিৰ্বাচন সদনত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু নিৰ্বাচন আয়ুক্ত ক্ৰমে বিবেক যোশী আৰু সুখবীৰ সিং সান্ধুৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত চলি থকা ত্ৰচত্ম সম্পৰ্কে কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে চলি থকা বিতৰ্ক সন্দৰ্ভতো আয়োগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। নিৰ্বাচন আয়োগৰ ভিতৰচ'ৰাৰ মতানৈক্য সম্পৰ্কত শেহতীয়াকৈ প্ৰকাশ পোৱা বাতৰি আৰু অভিযোগ সন্দৰ্ভত আয়োগে স্পষ্টীকৰণ দিছে। আয়োগৰ মতে, কেবিনেট সচিবলৈ প্ৰেৰণ কৰা পত্ৰখন আয়োগ বা আইটি বিভাগৰ কোনো নীতিগত বিষয়ৰ সৈতে জড়িত নহয়। সেই পত্ৰখন নিৰ্বাচন আয়োগত ডেপুটেচনত থকা এগৰাকী বিষয়াৰ কৰ্মপদ্ধতিৰ সৈতে সম্পৰ্কিত। সংশ্লিষ্ট বিষয়াগৰাকীয়ে জাৰি কৰা কাম পুনৰ আৱণ্টনৰ নিৰ্দেশ দুগৰাকী নিৰ্বাচন আয়ুক্তৰ নিৰ্দেশৰ পিছত কাৰ্যকৰী হোৱা নাছিল। তদুপৰি ডিইচিৰ আইটি বিভাগৰ ওপৰত কৰা তদাৰকী কেতিয়াও প্ৰত্যাহাৰ কৰা হোৱা নাছিল বুলি আয়োগে স্পষ্ট কৰি দিছে। বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি এতিয়াৰ পৰা 'আনমেপড' বা 'লজিকেল ডিছক্ৰিপেঞ্চি'ৰ বাবে জাননী লাভ কৰা ভোটাৰসকলে ইআৰঅ' বা এইআৰঅ' কাৰ্যালয়ত শাৰীৰিকভাৱে উপস্থিত হোৱাৰ প্ৰয়োজন নাই। তাৰ পৰিৱৰ্তে বুথ পৰ্যায়ৰ বিষয়াই ভোটাৰৰ ঘৰলৈ গৈ প্ৰয়োজনীয় নথি সংগ্ৰহ কৰি ইচিআইনেট ছফ্টৱেৰত আপলোড কৰিব। এই সন্দৰ্ভত নিৰ্বাচনী পঞ্জীয়ন বিষয়া (ইআৰঅ')য়ে চূড়ান্ত সিদ্ধান্ত ল'ব। নিৰ্বাচন আয়োগে জাৰি কৰা বিজ্ঞপ্তি অনুসৰি এনে ব্যক্তিক ইআৰঅ'! এইআৰঅ'ৰ কাৰ্যালয়লৈ শুনানিৰ বাবে মাতি অনাৰ প্ৰয়োজন নাই। প্ৰয়োজন হ'লে পৰিয়ালৰ যিকোনো প্ৰাপ্তবয়স্ক সদস্যই ভোটাৰৰ হৈ শুনানিত উপস্থিত থাকিবলৈ অনুমোদন দিব পাৰে। অনলাইন শুনানিৰ সুবিধা শক্তিশালী কৰাৰো সিদ্ধান্ত লোৱা হৈছে। ইফালে জিলা নিৰ্বাচনী বিষয়াসকলক প্ৰয়োজন অনুসৰি শ্ৰমিক, গৃহহীন লোক আৰু নৈশ আশ্ৰয় শিবিৰত থকা লোককে ধৰি দৰিদ্ৰ শ্ৰেণীৰ ভোটাৰৰ বাবে পৰ্যাপ্ত সংখ্যক হেল্প ডেস্ক স্থাপন অথবা বিশেষ শিবিৰ অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিয়া হৈছে। উচ্চতম ন্যায়ালয়ে SIRৰ সময়ছোৱাত প্ৰ-পত্ৰ ছৰ সৈতে সংলগ্ন ঘোষণাপত্ৰখন সমৰ্থন কৰা বুলি উল্লেখ কৰি নিৰ্বাচন আয়োগে কয় যে নিৰ্বাচক পঞ্জীয়ন নিয়ম, ১৯৬০ৰ অধীনত নিৰ্ধাৰিত সাধাৰণ প্ৰ-পত্ৰসমূহ ব্যৱহাৰ কৰা হ'ব। আয়োগে জনোৱা মতে ক্ষেত্ৰ বিষয়াসকলে তেওঁলোকৰ বিধিগত ক্ষমতা অনুসৰি ইচিআইনেট ব্যৱস্থাত ভূমিকাভিত্তিক প্ৰৱেশ (role based access) লাভ কৰে। জ্যেষ্ঠ উপ-নিৰ্বাচন আয়ুক্ত (ডিইচি)ৰ নেতৃত্বত আৰু আইআইটি !আইআইআইটিৰ এজন স্বতন্ত্ৰ বিশেষজ্ঞকে ধৰি এখন কমিটীয়ে ইচিআইনেটক পুনৰীক্ষণ কৰি আইন আৰু নিয়মৰ বিধানসমূহ মানি চলিছে নে নাই সেইটো দুবাৰ পৰীক্ষা কৰিব আৰু আয়োগক প্ৰতিবেদন দাখিল কৰিব। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়াসকলৰ মতামতৰ ভিত্তিত বিগত কেইমাহমানত পৰ্টেলটোত একাধিক উন্নীতকৰণ কৰা হৈছে। ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াসকলৰ বাবে প্ৰয়োজনীয় আৰু যিকোনো সুবিধা কাৰ্যকৰী কৰা হ'ব। আগন্তুক সময়ত সকলো নতুন আইটি মডিউল আৰু পৰ্টেলৰ পদক্ষেপ চূড়ান্ত অনুমোদনৰ বাবে আয়োগৰ ওচৰত দাখিল কৰাৰ পূৰ্বে বিষয়া সমিতিৰ (চিঅ'অ') আলোচনা কৰিব লাগিব বুলি বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে। দিল্লীৰ মুখ্য কাৰ্যবাহী বিষয়াৰ অনুৰোধৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে দাবী আৰু আপত্তি দাখিলৰ সময়সীমা ৩০ অক্টোবৰলৈ বৃদ্ধি কৰিছে। মহাৰাষ্ট্ৰৰ মুখ্য কাৰ্যবাহী বিষয়াৰ অনুৰোধ অনুসৰি মহাৰাষ্ট্ৰত দাবী আৰু আপত্তি দাখিলৰ সময়সীমা ১২ অক্টোবৰলৈকে বৃদ্ধি কৰা হৈছে। ৰাজ্যখনত জাননী, দাবী আৰু আপত্তি নিষ্পত্তিৰ সময়সীমা ১০ নৱেম্বৰলৈ বৃদ্ধি কৰা হৈছে। বিহাৰ আৰু পশ্চিমবংগকে ধৰি ২০খন ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলত ইতিমধ্যে ত্ৰচত্ম সম্পূৰ্ণ হোৱাৰ কথা উল্লেখ কৰি আয়োগে কয় যে নিৰন্তৰ উন্নীতকৰণ প্ৰক্ৰিয়াৰ অধীনত নিজৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে ত্ৰচত্মৰ সময়ত বা তাৰ পিছত যিকোনো ব্যক্তিৰ নাম যদি বাদ পৰি গৈছে, তেন্তে যুৱক/প্ৰথমবাৰৰ বাবে ভোটদাতাকে ধৰি যিকোনো ব্যক্তিয়ে সংশ্লিষ্ট ইআৰঅ'ত আবেদন কৰিব পাৰে। চিইঅ', ডিইঅ', ইআৰঅ'ক এই ভোটাৰসকলৰ নাম অন্তৰ্ভুক্তিৰ বাবে তাৎক্ষণিকভাৱে এক বিশেষ অভিযান আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। নিৰ্বাচন আয়োগৰ মতে তৃতীয় পৰ্যায়ৰ বাকী ১২খন ৰাজ্যত চূড়ান্ত তালিকা প্ৰকাশৰ পিছতহে দেশৰ মুঠ ভোটাৰৰ সংখ্যা জানিব পৰা যাব। গোৱাত নাম কৰ্তন হোৱা ভোটাৰসকলৰ বাবে বিএলঅ'সকলক ঘৰে ঘৰে গৈ নথি সংগ্ৰহ কৰিবলৈও নিৰ্দেশ দিছে। আয়োগৰ মতে এনে ৯৭ গৰাকী ভোটাৰৰ ভিতৰত ইতিমধ্যে ৮১ গৰাকীয়ে নাম অন্তৰ্ভুক্তিৰ বাবে প্ৰপত্ৰ-৬ পূৰণ কৰিছে।

## অবৈধভাৱে চলি থকা হোমষ্টেক

বিভাগৰ স্নাতক পৰ্যায়ৰ ছাত্ৰী আছিল বুলি জানিব পৰা গৈছে। প্ৰাথমিক তথ্য অনুসৰি, তেওঁ এগৰাকী পৰিচিত পুৰুষ বন্ধুৰ সৈতে হোমষ্টেলৈ গৈছিল। তেওঁলোক ২০ ছেপ্তেম্বৰৰ পৰা সেই হোমষ্টেত থকা বুলি উল্লেখ আছে যদিও আৰক্ষীয়ে এই তথ্য এতিয়াও আনুষ্ঠানিকভাৱে নিশ্চিত কৰা নাই। জানিব পৰা মতে, নিমিষাই নিশা প্ৰায় ৰব বজাত আছিক আলীৰ সৈতে হোমষ্টেলৈ যাবলৈ ঘৰৰ পৰা ওলাই গৈছিল। সেই নিশাই তেওঁ মাতৃলৈ ফোন কৰি আছিক আলীয়ে তেওঁক শাৰীৰিকভাৱে আক্ৰমণ কৰাৰ অভিযোগ কৰিছিল। কিন্তু ফোন সংযোগ হঠাতে বিচ্ছিন্ন হৈ পৰে আৰু কিছু সময়ৰ পিছত তেওঁৰ মোবাইল ফোনটো বন্ধ হৈ যায়। ইয়াৰ পিছত উদ্বিগ্ন পৰিয়ালৰ লোকসকলে আজাৰা আৰক্ষী থানাত উপস্থিত হৈ ঘটনা সন্দৰ্ভত অৱগত কৰে। আৰক্ষীয়ে তৎকালীনভাৱে ছাত্ৰীগৰাকীৰ সন্ধানত অভিযান আৰম্ভ কৰে। গুৱাহাটীৰ উপ-আৰক্ষী আয়ুক্ত (পশ্চিম) বলিন দেউৰীয়ে জনোৱা মতে, বিয়লি প্ৰায় ৪.৩০ বজাত তিনিজন যুৱকে নিমিষাক অচেতন অৱস্থাত এখন স্থানীয় চিকিৎসালয়লৈ লৈ যায়। তাত প্ৰাথমিক চিকিৎসাৰ পিছত তেওঁক গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ স্থানান্তৰ কৰা হয়। কিন্তু চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। আৰক্ষীয়ে আছিক আলীক জিম্মাত লৈ ছাত্ৰীগৰাকীৰ মৃত্যুৰ পূৰ্বে সংঘটিত ঘটনাৰ সন্দৰ্ভত সোধা-পোছা আৰম্ভ কৰিছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, আছিক আলীয়ে নিমিষাক কোঠাৰ ভিতৰত ওলমি থকা অৱস্থাত উদ্ধাৰ কৰিছিল আৰু তেওঁ নিজেই নিজৰ জীৱন শেষ কৰিছিল বুলি দাবী কৰিছে। অৱশ্যে আৰক্ষীয়ে অভিযুক্তৰ এই দাবী এতিয়াও নিশ্চিত কৰা নাই। তদন্তৰ প্ৰাথমিক পৰ্যায়ত থকা বাবে কোনো চূড়ান্ত সিদ্ধান্তত উপনীত হোৱা নাই বুলি কৰ্তৃপক্ষই স্পষ্ট কৰিছে। নিমিষাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনে তেওঁৰ মৃত্যুৰ সঠিক সময় আৰু প্ৰকৃত কাৰণ নিৰ্ধাৰণ কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। আৰক্ষীয়ে ঘটনাটোৰ প্ৰতিটো সম্ভাব্য দিশৰ পৰা তদন্ত অব্যাহত ৰাখিছে আৰু জড়িত লোকসকলক সোধা-পোছা চলাই আছে। তদন্ত আগবঢ়াৰ লগে লগে অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

## কংগ্ৰেছ তথা শিৱামণি বৰা ICUত

প্ৰতিদ্বন্দ্বিতা নহয়।" এই মন্তব্যৰ জৰিয়তে নগাঁৱৰ ৰাজনৈতিক মহলত নতুন আলোচনাৰ সৃষ্টি হৈছে। আজমলে ৰকিবুল হুছেইনক লক্ষ্য কৰিও কঠোৰ ভাষাত মন্তব্য কৰে। তেওঁ কয়, "ৰকিবুল হুছেইন গুণ্ডা। কলেজৰ পৰা গুণ্ডাগিৰি কৰিয়েই ৰাজনীতিলৈ আহিছে ৰকিবুল হুছেইন।" তেওঁ আৰু কয়, "ৰকিবুল হুছেইন গৰীৱ মানুহ। কোনোবাই ৫/১০ টকা দিলেই ঠাণ্ডা হৈ যাব।" NRC প্ৰসঙ্গত আজমলে দাবী কৰে, "ৰকিবুল হুছেইনৰ জৰিয়তে NRCৰ কেছ কৰা নাই। AIUDFৰ নেতৃত্বতহে সংখ্যালঘুৰ সুৰক্ষাৰ বাবে আমছুৱে সৰ্বোচ্চ ন্যায়ালয়ত যুঁজ দিছে।" তেওঁ বিজেপিক উদ্দেশ্যি লগতে কয়, "বিজেপিয়ে আমালৈ ভয় খাইছে। সেয়ে আজি নটিচ দিছে ৫ বজাৰ পিছত প্ৰচাৰ বন্ধ কৰিবলৈ। আমাৰ মানুহ ৰাতিও ওলাই আছে।" নগাঁৱত বদৰুদ্দিন আজমলৰ এই মন্তব্যসমূহে নিৰ্বাচনী পৰিৱেশ অধিক উত্তপ্ত কৰি তুলিছে। ৰাজনৈতিক মহলৰ মতে, এনে তীক্ষ্ণ মন্তব্যে আগন্তুক নিৰ্বাচনত ৰাজনৈতিক সমীকৰণত প্ৰভাৱ পেলাব পাৰে।

## ১০ অক্টোবৰৰ পৰা আৰম্ভ আইএছএল

শনিবাৰ বা দেওবাৰে অনুষ্ঠিত হ'ব। মেচসমূহ মূলতঃ ভাৰতীয় সময় অনুসৰি বিয়লি ৫ বজাত আৰু সন্ধিয়া ৭.৩০ বজাত অনুষ্ঠিত হ'ব। ইয়াৰ ফলত অনুৰাগীসকলে মেচ উপভোগ কৰাৰ অধিক সুযোগ পাব। এইবাৰৰ আইএছএলত মুঠ ১৩টা দলে অংশগ্ৰহণ কৰিব। সেইবোৰ হ'ল- বেংগালুৰু এফচি, চেন্নায়িন এফচি, চাৰ্চিল ব্ৰাদাৰ্ছ, ইষ্ট বেংগল এফচি, এফচি গোৱা, ইণ্টাৰ কাশী, কেৰালা ব্লাষ্টাৰ্ছ এফচি, মোহন বাগান ছুপাৰ জায়েণ্ট, মুম্বাই চিটী এফচি, নৰ্থইষ্ট ইউনাইটেড এফচি, ওড়িশা এফচি, পঞ্জাৱ এফচি আৰু স্প'ৰ্টিং ক্লাব দিল্লী। ২০২৬-২৭ ছিজনত কেইবাটাও নতুনত্ব দেখা যাব। ১৩ ডিচেম্বৰ, দেওবাৰে সন্ধিয়া ৭.৩০ বজাত ফাটৰ্ডা ষ্টেডিয়ামত এফচি গোৱাই চাৰ্চিল ব্ৰাদাৰ্ছৰ সৈতে মুখামুখি হ'ব। এইখনেই হ'ব প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগা আইএছএল গোৱা ডাৰ্বি। ইয়াৰ ফলত প্ৰতিযোগিতাখনত স্থানীয় প্ৰতিদ্বন্দ্বিতা নতুন মাত্ৰা লাভ কৰিব। আনহাতে, আইএছএলৰ বিস্তাৰ মণিপুৰলৈকেও আগবাঢ়িব। ২৪ নৱেম্বৰত ইম্ফলৰ খুমান লম্পক ষ্টেডিয়ামত নৰ্থইষ্ট ইউনাইটেড এফচিয়ে স্প'ৰ্টিং ক্লাব দিল্লীৰ বিৰুদ্ধে খেলিব। ডিফেণ্ডিং চেম্পিয়ন ইষ্ট বেংগল এফচিয়ে ১৮ অক্টোবৰ, দেওবাৰে বিয়লি ৫ বজাত ফাটৰ্ডা ষ্টেডিয়ামত চাৰ্চিল ব্ৰাদাৰ্ছৰ বিৰুদ্ধে খেলিব। এএফচি প্ৰতিশ্ৰুতিৰ বাবে ইষ্ট বেংগল এফচি প্ৰথম সপ্তাহৰ মেচত উপস্থিত নাথাকে। এছিয়ান ফুটবলৰ অন্যতম শ্ৰেষ্ঠ প্ৰতিদ্বন্দ্বিতা হিচাপে পৰিচিত কলকাতা ডাৰ্বি ২৯ নৱেম্বৰ, দেওবাৰে অনুষ্ঠিত হ'ব। এই মেচত ইষ্ট বেংগল এফচিয়ে বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত সন্ধিয়া ৭.৩০ বজাত মোহন বাগান ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে খেলিব। ফিফাৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে ৭ নৱেম্বৰ, শনিবাৰৰ পৰা ২০ নৱেম্বৰ, শুকুৰবাৰলৈকে লীগ বন্ধ থাকিব। এই সময়ছোৱাত কোনো লীগ মেচৰ দিন ধাৰ্য কৰা হোৱা নাই। এই বিৰতিৰ জৰিয়তে খেলুৱৈসকলে আন্তঃৰাষ্ট্ৰীয় মেচৰ বাবে নিজ নিজ ৰাষ্ট্ৰীয় দলত যোগদান কৰাৰ সুযোগ পাব। প্ৰথম পৰ্যায়ত ২০২৬ চনৰ ১০ অক্টোবৰৰ পৰা ২০২৭ চনৰ ১৭ জানুৱাৰীলৈকে ৭৮খন মেচ অনুষ্ঠিত হ'ব। ইয়াৰ পিছত শীৰ্ষ ছটা দলে প্লে-অফলৈ অগ্ৰসৰ হ'ব। দ্বিতীয় পৰ্যায় আৰু প্লে-অফৰ মেচসমূহৰ সময়সূচী পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব। ইণ্টাৰ কাশীৰ ঘৰুৱা মেচৰ স্থান ক্লাবে নিজৰ ঘৰুৱা খেলপথাৰ নিশ্চিত কৰাৰ পিছত যথা সময়ত ঘোষণা কৰা হ'ব।

## কংগ্ৰেছ বাপ-বেটাৰ দল ঃ মন্ত্ৰী পীযুষ

বাবে এয়াই প্ৰথম অভিজ্ঞতা। শনি চৰত আজি পুৱাৰ পৰা সেই উপলক্ষে সৃষ্টি হয় ওখল মাখল পৰিবেশ। মেলা সদৃশ পৰিৱেশ সৃষ্টি কৰি অস্থায়ী দোকান - বজাৰ দি চৰবাসীয়ে শনি চৰত আজি এক নতুন পৰিৱেশ ৰচনা কৰে। আবেলি হেলিকপ্টাৰ অৱতৰণ কৰি মন্ত্ৰী পীযুষ হাজৰিকাই নিৰ্বাচনী সভা খনত ভাষণ ৰাখে। ভাষণ প্ৰসঙ্গত মন্ত্ৰী গৰাকীয়ে যোৱা ৭০ বছৰে কংগ্ৰেছক ভোট দি চৰবাসীয়ে কি পালে তাৰ হিচাপ বিছাৰে। মন্ত্ৰী পীযুষ হাজৰিকাই কয়, তেওঁৰ দিনতে লাহৰীঘাট অঞ্চলৰ বানপানীৰ সমস্যা শেষ কৰিছে। এতিয়া লাহৰীঘাট ত বানপানী নাই। কংগ্ৰেছ দলক পীযুষ হাজৰিকাই বাপ বেটাৰ দল বুলি অভিহিত কৰে। কংগ্ৰেছ দলে পৰিয়ালত আন্ত্ৰিক ৰাজনীতিৰ বাবে ডাঃ নজৰুল ইছলামৰ পাছত পুত্ৰ ডাঃ আছিফ মহম্মদ নাজাৰক লাহৰীঘাটৰ বিধায়ক বনালে। কিন্তু তেওঁলোক নিৰ্বাচনৰ সময়ত এবাৰ চৰলৈ ভোট বিছাৰি অহাৰ বাদে একো নকৰিলে চৰবাসীৰ বাবে। তেওঁ ভোটাৰসকলক প্ৰশ্ন কৰে যে এইবাৰ চৰৰ ভোটাৰে লাহৰীঘাটত পুনৰ বাপৰ দলক ভোট দিব, নে সঁচাকৈ বিজেপিত ভোট দিব। ইফালে শনি চৰত এখনো বিদ্যালয় নথকা, স্বাস্থ্য সেৱাৰ ব্যৱস্থা নথকাৰ কথা কৈয়ো, এয়া চব কংগ্ৰেছৰ বাবেই হোৱা বুলি কয়। তেওঁ কয় এইবাৰ চৰ অঞ্চলৰ লোকসকলে যদি বিজেপিৰ পক্ষত ভোটদান কৰে তেন্তে কৃষি মন্ত্ৰী হিচাপে তেওঁ শনি চৰত পাম অয়ল কৃষিৰ ব্যৱস্থা কৰি দিব। যাৰ দ্বাৰা কৃষকসকল বহু লাভবান হব। ইফালে চৰত প্ৰথম বাৰৰ বাবে হেলিকপ্টাৰ নমাই এনেদৰে প্ৰচাৰ চলাই কেনে অনুভৱ হৈছে বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত তেওঁ কয় - এনেদৰে চৰত প্ৰথমে হেলিকপ্টাৰ নমাবলৈ পাই তেওঁ গৌৰৱবোধ কৰিছে। ইফালে জুবিন গাৰ্গৰ ন্যায় বদৰ উদ্দিন আজমলেহে দিব পাৰিব বুলি আজমলে দাবী কৰাৰ সন্দৰ্ভত সাংবাদিকে মন্ত্ৰী গৰাকীৰ প্ৰতিক্ৰীয়া জানিব বিছ্ৰাত তেওঁ কয় - বদৰ উদ্দিন আজমলৰ এতিয়া বয়স হৈছে। তেওঁ নিজেই কৈছে তেওঁৰ ওজন ১০০ কেজি হোৱা বুলি। এতিয়া তেওঁ স্বাস্থ্যৰ যত্ন লব লাগে। পাৰিলে তেওঁ ডুবাই গুছি যাওক আৰু চিকিৎসা পাতি কৰায় সুস্থ হৈ থাকক। তেওঁ বেছি দিন জীয়াই থাকক। শনি চৰৰ উন্নয়নৰ সন্দৰ্ভত তেওঁ কয় - বৰ্তমান চৰকাৰখনে আন আন আছনিৰ লগতে নিযুত মইনা আঁচনিৰে বহু ছাত্ৰীক উপকৃত কৰিছে। কিন্তু দুৰ্ভাগ্যৰ কথা ৪০০০ ভোটাৰ থকা বৃহৎ চৰ টোত এগৰাকী ছাত্ৰীয়েও নিযুত মইনা আছনিৰ সুবিধা লাভ কৰাৰ যোগ্যতা অৰ্জন কৰা নাই। এই চৰ টোৰ এগৰাকী ছাত্ৰীয়েও মেট্ৰিক পাছ কৰি উচ্চতৰ মাধ্যমিকত নাম লগাব নোৱাৰাটো দুৰ্ভাগ্যৰ কথা। চৰবাসী এনেদৰে পিছ পৰি থকাৰ মুলতেই কংগ্ৰেছ। কাৰণ ইমান দিনে তেওঁলোকে কংগ্ৰেছ দলকেই ভোট দি আহিছে। উল্লেখ্য যে সভাত সমবেত পাছ সহস্ৰাধিক লোকক আপ্যায়নৰ বাবে ব্যৱস্থা কৰে বিজেপি দলে। নদীৰ মাছৰে লাওৰ জোল আৰু মাটিমাহৰ তৰকাৰীৰে বালিচৰত বহি পাছ সহস্ৰাধিক লোকে একেলগে খালে এসাঁজ ভাত। বিজেপিৰ এনে কৌশলী ৰাজনীতিয়ে লাহৰীঘাট সমষ্টিৰ কিমান সংখ্যালঘু ভোটাৰ নিজৰ হাতলৈ আনিব পাৰে সেয়া আগন্তুক নিৰ্বাচনৰ ফলাফলে স্পষ্ট কৰিব।

## গুজৰাটত ২,৩০০ কোটি টকাৰ

উৎপাদন ক্ষমতা আছে। এই উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত মন্তব্য প্ৰকাশ কৰি কয় যে অসম-গুজৰাটৰ অংশীদাৰিত্ব অধিক শক্তিশালী কৰি সেউজ উন্নয়ন আৰু বহনক্ষম ঔদ্যোগিক বিকাশৰ দিশত এক নতুন অধ্যায়ৰ সূচনা কৰা হৈছে। তেওঁৰ মতে, কাণ্ডালাত স্থাপন হ'বলগীয়া প্ৰতিদিনে ১৫০ টন উৎপাদন ক্ষমতাসম্পন্ন ই-মিথানল প্ৰকল্পই পৰিষ্কাৰ শক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ লগতে কম-কাৰ্বন অৰ্থনীতিৰ দিশত যাত্ৰাক অধিক ত্বৰান্বিত কৰিব। তেওঁ লগতে উল্লেখ কৰে যে অসম পেট্ৰ'কেমিকেলছ লিমিটেড আৰু গুজৰাটৰ দীনদয়াল বন্দৰৰ সন্মিলিত প্ৰচেষ্টাৰ জৰিয়তে অসমৰ সম্পদ, প্ৰতিভা আৰু উদ্যোগৰ সম্ভাৱনাক দেশৰ ঔদ্যোগিক শক্তিৰ সৈতে সংযোগ কৰা হৈছে। ইয়াৰ জৰিয়তে এনে এক উন্নয়নমূলক পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে, য'ত অৰ্থনৈতিক প্ৰগতি আৰু পৰিৱেশ সংৰক্ষণ দুয়োকে সমান গুৰুত্ব দিয়া হ'ব। ঔদ্যোগিক ক্ষেত্ৰত পিছুৱাই থকা ৰাজ্য হিচাপে অসমৰ পুৰণি পৰিচয় এতিয়া ঔদ্যোগিক অগ্ৰণী ৰাজ্য হোৱাৰ দিশে আগবাঢ়িছে আৰু গুজৰাটত অসমৰ ঔদ্যোগিক পৰিসৰ বৃদ্ধিয়ে নতুন অসমৰ আত্মবিশ্বাসক শক্তিশালীভাৱে প্ৰতিফলিত কৰিছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে কাণ্ডালাৰ দীনদয়াল বন্দৰত ২, ৩০০ কোটি টকা ব্যয়ৰ, প্ৰতিদিনে ১৫০ টন উৎপাদন ক্ষমতাসম্পন্ন ই-মিথানল প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। এই অনুষ্ঠানত গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰভাই পেটেল আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। ই-মিথানল হৈছে নবীকৰণযোগ্য শক্তিৰ সহায়ত উৎপাদন কৰিব পৰা এক কৃত্ৰিম ইন্ধন। সাধাৰণতে নবীকৰণযোগ্য উৎসৰ পৰা উৎপাদিত বিদ্যুৎ ব্যৱহাৰ কৰি পানীৰ পৰা হাইড্ৰ'জেন আহৰণ কৰা হয়। এই হাইড্ৰ'জেন সংগ্ৰহ কৰা কাৰ্বন ডাই-অক্সাইডৰ সৈতে ৰাসায়নিকভাৱে সংযুক্ত কৰি মিথানল প্ৰস্তুত কৰা হয়। সঠিক কাৰ্বন-সংগ্ৰহ আৰু নবীকৰণযোগ্য শক্তি ব্যৱহাৰ কৰিলে ই-মিথানলে কাৰ্বন নিঃসৰণ যথেষ্ট পৰিমাণে হ্ৰাস কৰাৰ সম্ভাৱনা বহন কৰে। দীনদয়াল বন্দৰ দেশৰ অন্যতম গুৰুত্বপূৰ্ণ সামুদ্ৰিক বাণিজ্য কেন্দ্ৰ। বন্দৰৰ সৈতে ই-মিথানল উৎপাদন সংযুক্ত হ'লে ভৱিষ্যতে সামুদ্ৰিক পৰিবহণ খণ্ডত বিকল্প সেউজ ইন্ধন হিচাপে ইয়াৰ ব্যৱহাৰৰ সুযোগ বৃদ্ধি পাব পাৰে। বিশেষকৈ বিশ্বজুৰি জাহাজ পৰিবহণ খণ্ডত কাৰ্বন নিঃসৰণ কমোৱাৰ ওপৰত গুৰুত্ব বঢ়োৱাৰ সময়ত মিথানল-ভিত্তিক সামুদ্ৰিক ইন্ধনৰ চাহিদা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ই-মিথানলৰ অন্যতম বৃহৎ সম্ভাব্য লাভ হৈছে সেউজ গেছ নিঃসৰণ হ্ৰাস। নবীকৰণযোগ্য শক্তি আৰু পুনঃব্যৱহৃত কাৰ্বন ডাই-অক্সাইড ব্যৱহাৰ কৰি উৎপাদন কৰা ই-মিথানলে জীৱাশ্ম-ভিত্তিক ইন্ধনৰ তুলনাত জীৱন-চক্ৰভিত্তিক কাৰ্বন নিঃসৰণ কমাব পাৰে। ইয়াৰ ফলত জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজত সহায় হোৱাৰ লগতে পৰিষ্কাৰ শক্তিৰ ব্যৱহাৰো বৃদ্ধি পাব। ২, ৩০০ কোটি টকাৰ দৰে বৃহৎ বিনিয়োগে কেৱল এটা উৎপাদন কেন্দ্ৰ স্থাপন কৰাই নহয়, ইয়াৰ সৈতে জড়িত বিভিন্ন উদ্যোগৰ বিকাশৰ সুযোগো সৃষ্টি কৰিব পাৰে। নবীকৰণযোগ্য শক্তি, হাইড্ৰ'জেন, কাৰ্বন-সংগ্ৰহ, ৰাসায়নিক প্ৰক্ৰিয়াকৰণ, সংৰক্ষণ, পৰিবহণ আৰু বন্দৰ সেৱাৰ ক্ষেত্ৰত নতুন দক্ষতা তথা কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। বিশ্বজুৰি জাহাজ চলাচলৰ ক্ষেত্ৰত কম-কাৰ্বন ইন্ধনৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ প্ৰচেষ্টা চলি আছে। মিথানল ইতিমধ্যে সামুদ্ৰিক ইন্ধন হিচাপে ব্যৱহাৰৰ পথত আগবাঢ়িছে। ভাৰতৰ বন্দৰসমূহত ই-মিথানল উৎপাদন আৰু যোগানৰ আন্তঃগাঁথনি গঢ় লৈ উঠিলে দেশৰ বন্দৰসমূহে ভৱিষ্যতৰ সেউজ সামুদ্ৰিক অৰ্থনীতিত অধিক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। সামগ্ৰিকভাৱে, এই প্ৰকল্পটোৱে অসম আৰু গুজৰাটৰ মাজৰ ঔদ্যোগিক অংশীদাৰিত্বক নতুন উচ্চতালৈ লৈ যোৱাৰ লগতে ভাৰতৰ সেউজ শক্তি আৰু বিকল্প ইন্ধন খণ্ডত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে।

## পাৰিবাৰিক বিবাদত ন্যায়িক প্ৰক্ৰিয়া

আৰোপ কৰিছে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি ভি নাগাৰত্নই। তেওঁ স্পষ্ট কৰি দিয়ে যে অৰ্থপূৰ্ণ আৰু ন্যায়সংগত ফলাফলৰ মূল্যত কেতিয়াও ক্ষিপ্ৰ সমাধান অনা উচিত নহয়। উচ্চতম ন্যায়ালয়ৰ পৰিয়াল আদালত সম্পৰ্কীয় সমিতিৰ উদ্যোগত আৰু গুৱাহাটী উচ্চন্যায়ালয়ৰ সহযোগত গুৱাহাটীত আয়োজন কৰা 'এডিআৰ বনাম পাৰিবাৰিক বিবাদত বিচাৰ: প্ৰত্যাহ্বান আৰু আগুৱাই যোৱাৰ পথ' শীৰ্ষক দুদিনীয়া পূৰ্বাঞ্চলীয় আঞ্চলিক সন্মিলনৰ উদ্বোধনী সভাত ন্যায়াধীশ নাগাৰত্নই এই মন্তব্য কৰে। তেওঁ কয়, "এই বিষয়টো বিবেচনা কৰা উচিত যে এনে ৰূপৰেখাই স্পষ্টভাৱে সংঘৰ্ষৰ সংকেত দিছে নেকি। বিকল্প বিবাদ নিষ্পত্তি ব্যৱস্থাৰ উদ্দেশ্য আদালতৰ স্থান লোৱাটো নহয়। বৰঞ্চ আদৰ্শগতভাৱে ইয়াৰ উদ্দেশ্য হ'ব লাগে দুয়ো পক্ষক ন্যায় প্ৰদানত সহায় কৰা, য'ত এডিআৰ তন্ত্ৰই পাৰিবাৰিক বিষয়ত গতি, গোপনীয়তা আৰু সুৰক্ষা প্ৰদান কৰে।" পাৰিবাৰিক বিবাদৰ গোচৰত ৰায়দানত পলম হোৱাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰি ন্যায়াধীশ নাগাৰত্নই কয় যে য'ত সময় অত্যন্ত মহত্বপূৰ্ণ, তেনে ক্ষেত্ৰত পাৰিবাৰিক সম্বন্ধত থকা অসমানতা আৰু অধিক বৃদ্ধি পায়। অত্যধিক পলম দূৰ কৰাৰ ক্ষেত্ৰত একমাত্ৰ উপায় এডিআৰ বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে বিবাদ সমাধানৰ উপায় গোচৰৰ প্ৰকৃতিৰ আধাৰত নিৰ্ধাৰণ কৰা উচিত। যদি গোচৰসমূহ এডিআৰৰ জৰিয়তে লোৱা হয়, তেন্তে আদালতৰ ভিতৰৰ কটুতা আৰু বিৰোধী শৈলীৰ অনুপস্থিতিয়ে বুজাবুজিৰ পথ মুকলি কৰিব পাৰে। তেওঁৰ মতে, এডিআৰ তন্ত্ৰৰ ৰণনৈতিক ব্যৱহাৰে দীৰ্ঘদিনীয়া গোচৰৰ সংখ্যা কমোৱাত সহায় কৰিব পাৰে। ন্যায়াধীশ নাগাৰত্নই উল্লেখ কৰে যে ২০২৪ চনৰ অক্টোবৰলৈকে পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত দীঘলীয়া গোচৰৰ সংখ্যা বিহাৰত ৭০, ৩৬৫, ওড়িশাত ৩৬, ৭৯২, অসমত ৭, ৩৯৯ আৰু চিক্কিমত ১৪৯টালৈকে আছে। তেওঁ কয় যে ন্যায়িক প্ৰক্ৰিয়াৰ সৈতে বিবাদ সমাধানক একত্ৰিত কৰা এনে প্ৰণালী বৰ্তমানলৈকে পূৰ্ণাংগভাৱে বিকশিত হোৱা নাই, যাৰ জৰিয়তে সেই গোচৰসমূহত বিবাদসমূহ শীঘ্ৰে সমাধান কৰিব পৰা যায়। তেওঁ আৰু কয়, "মধ্যস্থতাৰ উদ্দেশ্য ন্যায়নিৰ্ণয়ৰ বিকল্প হোৱা নহয়। এগৰাকী মহিলাৰ উপস্থিতিৰ মূল্য সিমানেই, যিমান তেওঁৰ আইনী অধিকাৰৰ মূল্য।" উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশগৰাকীয়ে আশা প্ৰকাশ কৰে যে এই সন্মিলনে এনে ব্যৱস্থা গঢ়ি তোলা আৰু শক্তিশালী কৰাৰ ক্ষেত্ৰত ব্যৱহাৰিক তথা কাৰ্যকৰী পৰামৰ্শ আগবঢ়াব।

## বৰাক উপত্যকাৰ বান, নদীখহনীয়া

অভিযন্তাজন ছাহৰ নেতৃত্বত দলটোৱে আজি শিলচৰৰ তাৰাপুৰ-শিৱবাৰী পথৰ কাষত অৱস্থিত খহনীয়া প্ৰৱণ অঞ্চল পৰিদৰ্শন কৰে। এই সময়ত দলটোৱে স্থানীয় প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে ভৱিষ্যতে কি ধৰণৰ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰি, সেই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। উল্লেখযোগ্য যে স্থানীয় বাসিন্দাসকলৰ সৈতে আলোচনা কৰাৰ পিছত বিশেষজ্ঞ দলটোৱে বিগত ৪০ৰ পৰা ৫০ বছৰৰ ভিতৰত নদীখনৰ গতি-বিধিৰ প্ৰকৃতি, খহনীয়াৰ ধৰণ আৰু সময়ৰ লগে লগে হোৱা পৰিৱৰ্তন সম্পৰ্কে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিছে। বিশেষজ্ঞ দলটোৰ প্ৰাৰম্ভিক জৰীপ সম্পন্ন হোৱাৰ পিছত ভূতাত্ত্বিক আৰু পৰিৱেশ জৰীপৰ ভিত্তিত এখন সবিশেষ প্ৰতিবেদন প্ৰস্তুত কৰা হ'ব। সেই প্ৰতিবেদন ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰা হ'ব। প্ৰতিবেদনৰ ভিত্তিত প্ৰকল্পটোৱে অনুমোদন লাভ কৰিলে তাৰ পিছতহে পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে।

## ২০২৭ৰ এদিনীয়া বিশ্বকাপেই

বিশ্বকাপ বিজয়ী ভাৰতীয় দলৰ অন্যতম সদস্য কোহলীয়ে কয় যে ২০২৭ চনত নিজৰ শেষ বিশ্বকাপত তেওঁ নিজৰ সমস্ত শক্তি উজাৰি দিব। অহা বছৰ এই বিশ্বকাপ দক্ষিণ আফ্ৰিকা, জিম্বাবৱে আৰু নামিবিয়াৰ যুটীয়া আয়োজনত অনুষ্ঠিত হ'ব। বেছিভাগ মেচ দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত হ'ব। সেই দেশত বিৰাট কোহলীৰ এদিনীয়া ক্ৰিকেটত বেটিং গড় ৭৬.৩৮ , ২০২৭ চনৰ এদিনীয়া বিশ্বকাপ ৪ অক্টোবৰৰ পৰা চৰ নৱেম্বৰলৈকে চলিব। এইবাৰ বিশ্বকাপৰ ফৰ্মেটতো পৰিৱৰ্তন কৰা হৈছে। মুঠ ১৪টা দলে ট্ৰফীৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰথমে ৰেংকিঙত আটাইতকৈ তলত থকা তিনিটা দলৰ মাজত ছুপাৰ-৩ শৃংখলা অনুষ্ঠিত হ'ব। তাৰ পিছত ১২টা দলৰ মাজত ছুপাৰ-৭ পৰ্যায়ৰ প্ৰতিদ্বন্দ্বিতা হ'ব। এক সাক্ষাৎকাৰত বিৰাট কোহলীয়ে কয়, "বিশ্বকাপ বিদেশৰ পৰিৱেশত অনুষ্ঠিত হ'ব। ইয়াৰ বাবে যথেষ্ট শক্তি আৰু পৰিশ্ৰমৰ প্ৰয়োজন হয়। মোৰ বাবে এয়া শেষ বিশ্বকাপ হ'ব আৰু এয়াই মোৰ প্ৰেৰণাৰ উৎস। এনে পৰিস্থিতিত মই মোৰ সম্পূৰ্ণ শক্তি উজাৰি দিম।" এইগৰাকী তাৰকা বেটাৰৰ বাবে এয়া হ'ব কেৰিয়াৰৰ মুঠ পঞ্চমখন এদিনীয়া বিশ্বকাপ। কোহলীয়ে নিজৰ কেৰিয়াৰত দুখন বিশ্বকাপৰ ফাইনেল খেলিছে-২০১১ আৰু ২০২৩ চনত। দুয়োখন বিশ্বকাপেই ভাৰতত অনুষ্ঠিত হৈছিল। ২০১১ চনৰ বিশ্বকাপৰ ফাইনেলত শ্ৰীলংকাৰ বিৰুদ্ধে কোহলীয়ে অতি গুৰুত্বপূৰ্ণ সময়ত ৩৫ ৰানৰ মূল্যৱান ইনিংছ খেলিছিল। আনহাতে, ২০২৩ চনৰ বিশ্বকাপৰ ফাইনেলত বিৰাটে ৫৪ ৰান কৰিছিল। অৱশ্যে সেই ফাইনেলত ভাৰতীয় দল অষ্ট্ৰেলিয়াৰ হাতত ৬ উইকেটত পৰাস্ত হৈছিল। তেওঁ লগতে কয় যে ৫০ অভাৰৰ ফৰ্মেট নিজেই এক পৃথক প্ৰত্যাহ্বান। তেওঁৰ মতে, এদিনীয়া মেচ এখনত খেলাটো একেটা দিনতে আঢ়ৈখন টি-২০ মেচ খেলাৰ সমান। সমগ্ৰ প্ৰতিযোগিতাখনত এনেদৰে ১০খন মেচ খেলাটো সঁচাকৈয়ে এক কঠিন প্ৰত্যাহ্বান হ'ব।

## 'অভিমন্যু তালুকদাৰ অসমীয়া নহয়

জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। গৰিমা শইকীয়া গাৰ্গে কয়, "অভিমন্যু তালুকদাৰ অসমীয়া নহয়, তেওঁ বিদেশী। অসমৰ মানুহে অসমৰ বিষয়ে, জুবিনৰ বিষয়ে নাজানো বুলি কোৱাতো লাজৰ কথা। তেখেতে অসমত দুবছৰ থকা বুলি কৈছে, দুবছৰে তেওঁ একোৱেই নাজানিলে নেকি? জুবিনে অসমৰ কাৰণে কি কৰিছে, কি কৰা নাই নজনাতো কেনেকুৱা কথা? জুবিনে অসমৰ সংস্কৃতিৰ বাবে কিমান কৰিছে, সেয়া ক'ব নালাগে।" তেওঁ লগতে উল্লেখ কৰে, "জুবিন গাৰ্গক চিনি নাপাওঁ বুলি কোৱা কথাষাৰ কোনো অসমীয়াই মানি ল'ব নোৱাৰে। কোনো অসমীয়াই এই কথা ভাল পোৱা নাই। জুবিনক চিনি নাপাওঁ বুলি কোৱা কথাষাৰ মানিবলৈ বৰ অসুবিধা হয়। তেওঁ অসমীয়া নহয় নেকি? আমাৰ সকলোৱে সেইটোৱেই প্ৰশ্ন। যদি তেওঁ অসমীয়া হয়, তেনেহ'লে ইমান বছৰে, তিনি দশকধৰি অসমীয়া সমাজৰ বাবে, অসমৰ সাংস্কৃতিক জীৱনৰ বাবে কি কৰিলে একোৱেই নাজানে নে? নে তেওঁৰ অসমীয়া জাতিটোৰ প্ৰতি, অসমখনৰ প্ৰতি একেবাৰে অনীহা? যদি অসমখনৰ প্ৰতি অনীহা নহয়, মৰম আছে, অসমৰ প্ৰতি দায়বদ্ধতা আছে, তেনেহ'লে জুবিন গাৰ্গৰ দৰে এক ব্যক্তিসত্তাক জানিলেহেঁতেন। যদি নাজানে, তেতিয়া তেওঁ হয়তো অসমীয়া নহয়। তেওঁ যিহেতু বিদেশত আছে, গতিকে বিদেশী হৈ গৈছো বুলি ভাবিছে।" উল্লেখ্য, প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাক লৈ তদন্ত এতিয়াও অব্যাহত আছে। চলি থকা গোচৰত প্ৰবাসী অসমীয়া অভিমন্যু তালুকদাৰে বৃহস্পতিবাৰে আদালতত সাক্ষ্য প্ৰদান কৰে। ছিংগাপুৰৰ ইয়ট পাৰ্টীত থকা তেওঁ আদালতত নিজৰ মন্তব্য প্ৰদান কৰাৰ পিছত সংবাদ মাধ্যমৰ আগত উদ্ভট মন্তব্য কৰা বুলি জানিব পৰা গৈছে। এই ঘটনাৱলীয়ে সামাজিক মাধ্যমতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## 'অসমৰ মূৰ্খ এটাও ছিংগাপুৰত

চৰ্চা লাভ কৰিছে। এই পৰিপ্ৰেক্ষিততে ৰাজা বৰুৱাই অভিমন্যুক উদ্দেশ্যি কেইবাটাও তীক্ষ্ণ মন্তব্য কৰে। তেওঁ কয়, "অসমৰ এজন মূৰ্খ যে ছিংগাপুৰত থাকে, এই কথা অসমৰ মানুহেও গম পাইছে। তেওঁ মানুহৰ হাঁহিয়তৰ পাত্ৰ হৈছে।" ৰাজা বৰুৱাৰ এই মন্তব্যক লৈ ইতিমধ্যে সামাজিক মাধ্যমত বিভিন্ন প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। কেৱল সেয়াই নহয়, ৰাজা বৰুৱাই নিজে সামাজিক মাধ্যমৰ পৰা আঁতৰি থকাৰ বিষয়েও স্পষ্টীকৰণ আগবঢ়াইছে। তেওঁৰ মতে, তেওঁ ইচ্ছা কৰিয়েই সামাজিক মাধ্যমৰ পৰা আঁতৰি আছে। অৰ্থাৎ সামাজিক মাধ্যমত সক্ৰিয় নোহোৱাটো কোনো বাহ্যিক চাপ বা পৰিস্থিতিৰ বাবে নহয় বুলি তেওঁ স্পষ্ট কৰি দিছে। উল্লেখ্য, ছিংগাপুৰৰ ইয়ট পাৰ্টীত উপস্থিত থকা প্ৰবাসী অসমীয়া অভিমন্যু তালুকদাৰে বৃহস্পতিবাৰে আদালতত সাক্ষ্য প্ৰদান কৰে। সাক্ষ্য প্ৰদানৰ পিছত সংবাদ মাধ্যমৰ আগত তেওঁ কিছু অসংলগ্ন তথা উদ্ভট মন্তব্য কৰা বুলি জানিব পৰা গৈছে। এই ঘটনাৱলীৰ পটভূমিত ৰাজা বৰুৱাৰ শেহতীয়া কটাক্ষে বিষয়টো পুনৰ আলোচনাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। সামগ্ৰিকভাৱে, জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত, অভিমন্যু তালুকদাৰৰ সাক্ষ্য আৰু তাৰ পিছৰ মন্তব্য তথা ৰাজা বৰুৱাৰ প্ৰতিক্ৰিয়াই ৰাজনৈতিক আৰু সামাজিক মহলত এক তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে।

## অসমৰ অগ্নি আৰু জৰুৰীকালীন

হিমন্ত বিশ্ব শৰ্মাই ফেচবুক পোষ্টযোগে এই তথ্য জনাইছে। প্ৰায় ১০.৯ কোটি টকা ব্যয়েৰে ক্ৰয় কৰা এই অত্যাধুনিক বাহনখনে ৪২ মিটাৰপৰ্যন্ত উচ্চতালৈ অগ্নিনিৰ্বাপক আৰু উদ্ধাৰকাৰী দলক লৈ যাব পাৰিব। সুউচ্চ অট্টালিকাত অগ্নিকাণ্ড বা জৰুৰীকালীন পৰিস্থিতিৰ সৃষ্টি হ'লে দ্ৰুত উদ্ধাৰ অভিযান চলোৱাৰ লগতে অগ্নি নিৰাপত্তা আৰু জৰুৰীকালীন সঁহাৰি ব্যৱস্থাক অধিক শক্তিশালী কৰাত এই নতুন সংযোজনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

## ৰেড এলাৰ্টৰ প্ৰভাৱত কেদাৰনাথ

পৰা জনোৱা হৈছে যে যাত্ৰাপথৰ বিভিন্ন স্থানত নিয়োজিত সকলো ছেক্টৰ বিষয়া, চেকপইণ্ট আৰু ছেক্টৰ মেজিষ্ট্ৰেটসকলক নিজ নিজ এলেকাত এই নিৰ্দেশনা অবিলম্বে কাৰ্যকৰী কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়া হৈছে। বতৰ স্বাভাৱিক হৈ পৰাৰ লগে লগে তীৰ্থযাত্ৰীসকলৰ বাবে পুৰণি নিয়মানুসৰি পুনৰ কেদাৰনাথ যাত্ৰা আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰশাসনে আশ্বস্ত কৰিছে।

## এছিয়ান গেমছ ছেমিফাইনেলত

মেচতে জয়লাভ কৰিছে। প্ৰথম মেচত ইণ্ডোনেছিয়াক ১৩-১, দ্বিতীয় মেচত শ্ৰীলংকাক ১৬-১, তৃতীয় মেচত দক্ষিণ কোৰিয়াক ৮-২ আৰু শেহতীয়া মেচত জাপানক ২-০ গ'লত পৰাস্ত কৰে। এই ধাৰাবাহিক জয়ৰ জৰিয়তে ভাৰতে ছেমিফাইনেলত স্থান লাভ কৰে। এতিয়া গ্ৰুপ পৰ্যায়ৰ অন্তিম মেচত ২৮ ছেপ্তেম্বৰত ভাৰতে বাংলাদেশৰ বিৰুদ্ধে খেলিব। ছেমিফাইনেলত ভাৰতৰ প্ৰতিদ্বন্দ্বী হ'ব পাকিস্তান। আনহাতে, মহিলা হকী দলেও এছিয়ান গেমছত উজ্জ্বল প্ৰদৰ্শন দেখুৱাইছে। পূৰ্বৰ চেম্পিয়ন জাপানক ৩-১ গ'লত পৰাস্ত কৰি ভাৰতীয় মহিলা দলে ছেমিফাইনেলত প্ৰৱেশ কৰে। গ্ৰুপ পৰ্যায়ত ভাৰতীয় মহিলা দলে টানা চাৰিখন মেচতে জয় লাভ কৰিছে। মহিলা দলৰ গ্ৰুপ পৰ্যায়ৰ ফলাফল অনুসৰি, ভাৰতে উজবেকিস্তানক ১৯-০, ইণ্ডোনেছিয়াক ১৭-১, থাইলেণ্ডক ২০-১ আৰু জাপানক ৩-১ গ'লত পৰাস্ত কৰে। এতিয়া মহিলা দলে ২৭ ছেপ্তেম্বৰত গ্ৰুপ পৰ্যায়ৰ অন্তিম মেচত ছিংগাপুৰৰ বিৰুদ্ধে খেলিব। সামগ্ৰিকভাৱে, এছিয়ান গেমছ ২০২৬ত ভাৰতীয় হকী দলৰ ধাৰাবাহিক জয় আৰু ছেমিফাইনেলত প্ৰৱেশে দেশৰ হকী অনুৰাগীসকলৰ মাজত নতুন উৎসাহ সৃষ্টি কৰিছে। পুৰুষ আৰু মহিলা উভয় দলৰে অপৰাজিত অৱস্থানে আগন্তুক নকআউট পৰ্যায়ত ভাৰতৰ পদক সম্ভাৱনাক অধিক শক্তিশালী কৰি তুলিছে।

## জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী

সম্ভাৱনা আছে। এই বৈঠকত নিৰ্বাচন আয়োগৰ কাম-কাজ, বিশেষকৈ নিৰ্বাচনী তালিকাৰ বিশেষ নিবিড় পুনৰীক্ষণ (SIR) সম্পৰ্কে উদ্বেগ আৰু তাৰ পৰৱৰ্তী পদক্ষেপৰ বিষয়ে আলোচনা হ'ব বুলি জানিব পৰা গৈছে। সূত্ৰ অনুসৰি, SIR প্ৰক্ৰিয়াৰ কিছুমান দিশত নিৰ্বাচন আয়োগৰ ভিতৰতে মতানৈক্যৰ বাতৰি প্ৰকাশ পোৱাৰ পিছত বিৰোধী দলসমূহে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক অপসাৰণৰ দাবী সন্দৰ্ভত পৰৱৰ্তী কাৰ্যসূচী স্থিৰ কৰিবলৈ এই বৈঠকত বহিব। পিটিআইৰ বাতৰি অনুসৰি, দলসমূহে ইতিমধ্যে পৰস্পৰৰ সৈতে যোগাযোগ কৰি সকলোৱে মতামত সন্দৰ্ভত আলোচনা আৰম্ভ কৰিছে। চিপিআই(এম), চিপিআই আৰু চিপিআই(এমএল)-লিবাৰেচনকে ধৰি কেইবাটাও দলে জ্ঞানেশ কুমাৰক তৎক্ষণাত অপসাৰণ কৰাৰ লগতে SIR তৎক্ষণাত বন্ধ কৰাৰ দাবী উত্থাপন কৰি আহিছে। আনহাতে, কংগ্ৰেছেও চিইচিৰ বিৰুদ্ধে সমালোচনা তীব্ৰতৰ কৰি তুলিছে। ২৯ ছেপ্তেম্বৰত হ'বলগীয়া কংগ্ৰেছ ৱৰ্কিং কমিটিৰ বৈঠকত এই বিষয়ত দলটোৰ ৰণকৌশল সন্দৰ্ভত আলোচনা হ'ব বুলি উল্লেখ আছে। শনিবাৰে 'এক্স'ত দিয়া এক পোষ্টত কংগ্ৰেছে জ্ঞানেশ কুমাৰক 'দেশদ্ৰোহী' বুলি অভিহিত কৰি তেওঁৰ পদত্যাগ দাবী কৰে। এই ঘটনাৱলীয়ে পশ্চিমবংগৰ তিক্ত ৰাজনৈতিক প্ৰতিদ্বন্দ্বী মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছ আৰু চিপিআই(এম)ক নিৰ্বাচন আয়োগৰ বিষয়ত একেখন মঞ্চলৈ আনিছে। চিপিআইশ্চএমপ্লৰ সাধাৰণ সম্পাদক এম এ বেবীয়ে ইণ্ডিয়া ব্লক তথা আন বিৰোধী নেতাসকললৈ পত্ৰ লিখি এই পৰিস্থিতিৰ বিষয়ে বৈঠক অনুষ্ঠিত কৰাৰ পোষকতা কৰে। তাৰ পিছত তেওঁ মমতা বেনাৰ্জীৰ সৈতে আলোচনা কৰে আৰু মমতায়ো বৰ্তমান পৰিস্থিতিত সমন্বিত ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ সৈতে সন্মতি প্ৰকাশ কৰে। ইফালে, বিৰোধী দলসমূহে জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে নতুনকৈ অপসাৰণৰ জাননী প্ৰস্তুত কৰাত ব্যস্ত আছে। আইনী বিশেষজ্ঞৰ দ্বাৰা সেই জাননী পৰীক্ষা কৰা হ'ব আৰু তাৰ পিছত সংসদৰ দুয়ো সদনত দাখিল কৰাৰ সম্ভাৱনা আছে। এইটো বিৰোধীৰ এনে ধৰণৰ তৃতীয়টো প্ৰচেষ্টা হ'ব। উল্লেখ্য, 'ইণ্ডিয়ান এক্সপ্ৰেছ'ৰ এক প্ৰতিবেদনৰ ভিত্তিত বিৰোধীৰ এই শেহতীয়া পদক্ষেপ গ্ৰহণ কৰা হৈছে। সেই প্ৰতিবেদনত দাবী কৰা অনুসৰি, SIR সন্দৰ্ভত লোৱা সিদ্ধান্ত আৰু নিৰ্দেশক লৈ নিৰ্বাচন আয়ুক্ত সুখবীৰ সিং সান্ধু আৰু বিবেক যোশীয়ে কেইবাবাৰো আপত্তি দৰ্শাইছিল। আনহাতে, আত্মপক্ষ সমৰ্থন কৰি নিৰ্বাচন আয়োগে স্পষ্ট কৰিছে যে ভিন্ন মত আৰু পৰ্যবেক্ষণ প্ৰতিষ্ঠানিক আলোচনাৰ স্বাভাৱিক অংশ। আয়োগৰ মতে, তেওঁলোকৰ আদেশৰ সম্পূৰ্ণ আইনী অনুমোদন আছে আৰু বিধিগত পদ্ধতি অনুসৰণ কৰা হৈছে। ইয়াৰ পূৰ্বে ২৩টা ৰাজনৈতিক দল আৰু এজন নিৰ্দলীয় সাংসদে যৌথভাৱে ভাৰতৰ মুখ্য ন্যায়াধীশৰ কাষ চাপি এই বিষয়ত বিৰোধীৰ বিস্তৃত সমন্বয়ৰ বিষয়ে দৃষ্টি আকৰ্ষণ কৰিছিল। সেয়ে, ৩০ ছেপ্তেম্বৰৰ বৈঠকক লৈ ৰাজনৈতিক মহলত বিশেষ চৰ্চা চলিছে।

# এগৰাকী সতীৰ্থ ডাক্তৰৰ স্মৃতিত সমাজ সেৱাৰ লগতে ছাত্ৰ-ছাত্ৰীক গঢ়ি তুলিছিল প্ৰয়াত ডাঃ নাৰায়ণ উপাধ্যায়ে

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ** অধ্যাপক নাৰায়ণ. উপাধ্যায় আছিল সঁচা অৰ্থত এগৰাকী 'শিক্ষক, চিকিৎসক আৰু প্ৰতিষ্ঠানৰ নিৰ্মাতা' অধ্যাপক। ড° নাৰায়ণ উপাধ্যায়, এম.বি.বি.এছ., এম.ডি., ডি.এম. নিউৰ'লজী (এমছ), অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়ৰ প্ৰাক্তন অধ্যক্ষ। গভীৰ শ্ৰদ্ধা আৰু প্ৰেমাস্পদ স্মৃতিৰে— অধ্যাপক এন. উপাধ্যায়ৰ বিষয়ে অতীত কালত লিখাটো অত্যন্ত কঠিন। উত্তৰ-পূব ভাৰতৰ প্ৰথমখন চিকিৎসা মহাবিদ্যালয়—অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়ৰ কেইবাটাও প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীৰ বাবে তেওঁ কেৱল এজন অধ্যাপকেই নাছিল, তেওঁ নিজেই আছিল এক স্বয়ংসম্পূৰ্ণ প্ৰতিষ্ঠান। এক অনবদ্য পটুতাৰ চিকিৎসক: নতুন দিল্লীৰ এমছৰ পৰা ডি.এম. নিউৰ'লজীৰে সামৰা এক উজ্জ্বল শৈক্ষিক কেৰিয়াৰ আৰু ৫৯ বছৰতকৈও অধিক সময়ৰ অভিজ্ঞতাৰে, ছাৰে ব্ৰহ্মপুত্ৰ উপত্যকালৈ আধুনিক স্নায়ুৰোগ চিকিৎসা লৈ আনিছিল— যিসময়ত এই চিকিৎসা শাখা অঞ্চলটোত নিচেই শৈশৱ অৱস্থাতে আছিল। এ.এম.চি.এইচ. ডিব্ৰুগড়ৰ নিজৰ অ'পিডি ত তেওঁ দুৰ-দূৰণিৰ পৰা অহা প্ৰতিজন ৰোগীৰ কথা মনোযোগেৰে শুনিছিল, যিসকলে সৰল অসমীয়া আৰু অন্যান্য স্থানীয় দোৱানত নিজৰ ৰোগৰ কথা বুজাই কৈছিল। তেওঁৰ সূক্ষ্ম চিকিৎসাকুশলতাই এম.আৰ.আই. নকৰাকৈয়ে ষ্ট্ৰ'ক, এপিলেপ্সী ছিনড্ৰ'ম বা মায়'পেথী ধৰা পেলাব পাৰিছিল; তেওঁ আমাক শিখাইছিল যে কেৱল সূক্ষ্ম চিকিৎসীয় পৰ্যবেক্ষণেৰে শ্ৰেষ্ঠ নিদান লাভ কৰিব পাৰি। আমাক চিন্তা কৰিবলৈ শিকাওঁতা এজন শিক্ষক: নিউৰ'লজী বিভাগৰ অধ্যাপক আৰু মুৰব্বী হিচাপে, তেওঁৰ ৱাৰ্ড ৰাউণ্ডসমূহ আছিল কিংবদন্তিস্বৰূপ। তেওঁ কেতিয়াও গালি-গালাজ কৰা নাছিল, তেওঁ প্ৰশ্ন সুধিছিল— "এই দুৰ্বলতা অপাৰ ম'টৰ নিউৰ'ন কিয়? আঘাতৰ স্তৰ কি?" তেওঁ আমাক ৰোগীক শ্ৰদ্ধা কৰিবলৈ, পৰীক্ষা-নিৰীক্ষাৰ নিৰ্দেশ দিয়াৰ পূৰ্বে নিজৰ হাতেৰে পৰীক্ষা কৰিবলৈ আৰু সত্যতাৰে কেছ-শ্বীট লিখিবলৈ শিকাইছিল। তেওঁৰ সেৱা পঞ্জীত উল্লেখ থকাৰ দৰে এ.এম.চি.এইচ.ৰ ওপৰত তেওঁৰ অপ্ৰাণচিহ্ন সদায় স্মৰণীয় হৈ থাকিব—ৱাৰ্ডসমূহ শৃংখলাবদ্ধ কৰাৰ পৰা আৰম্ভ কৰি গৱেষণা আৰু নীতি-নৈতিকতাক লালন-পালন কৰালৈকে। সৎ চৰিত্ৰৰ এজন প্ৰশাসক: যেতিয়া এ.এম.চি.এইচ.ক এক দৃঢ় হাতৰ প্ৰয়োজন হৈছিল, চৰকাৰে তেওঁৰ ওপৰতে অধ্যক্ষ হিচাপে বিশ্বাস ন্যস্ত কৰিছিল। তেওঁ শান্ত পৰিৱেশত, শৈক্ষিক সততাৰে আৰু ছাত্ৰ-ছাত্ৰী তথা কৰ্মচাৰীসকলৰ প্ৰতি এক পিতৃত্বৰ মৰমেৰে নেতৃত্ব দিছিল। এজন মহান মানৱ: তেওঁৰ ৰোগীসকলৰ বাবে তেওঁ আছিল আশা। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তেওঁ আছিল এজন কৰ্তব্যপৰায়ণ অথচ মৰমিয়াল অভিভাৱক। সতীৰ্থসকলৰ বাবে তেওঁ আছিল এজন নম্ৰ জ্যেষ্ঠ, যিয়ে কেতিয়াও নিজৰ এমছৰ ডিগ্ৰীক লৈ অহংকাৰ কৰা নাছিল। তেওঁ বিশ্বাস কৰিছিল যে চিকিৎসাক এক বৃত্তি হিচাপে লোৱাৰ পূৰ্বেই এক সেৱা। আমি যেতিয়া তেওঁক বিদায় জনাইছোঁ, আমি কেৱল তেওঁৰ অৰ্হতাসমূহ-এম ডি, ডি এম, ফাৰ্মচ-মনত ৰখা নাই, আমি মনত ৰাখিছোঁ তেওঁৰ মহান আদৰ্শসমূহ: "ৰোগীক ভগৱান বুলি ভাবিবা, কিতাপক বন্ধু বুলি ধৰিবা আৰু জুৰিয়ৰক নিজৰ ভাই বুলি গণ্য কৰিবা।" অধ্যাপক এন. উপাধ্যায়ৰ উত্তৰাধিকাৰ তেওঁ শিক্ষা দিয়া প্ৰতিজন ছাত্ৰ, তেওঁ আৰোগ্য কৰা প্ৰতিজন ৰোগী আৰু তেওঁৰ পৰা স্নায়ুৰোগ বিজ্ঞান কেৱল স্নায়ুৰ বিষয় নহয়, বৰঞ্চ মানৱতাৰ হে বিষয় বুলি শিকা প্ৰতিজন ডাক্তৰৰ জৰিয়তে জীয়াই থাকিব। তেওঁৰ আত্মাই সদগতি লাভ কৰক, আৰু তেওঁৰ শিক্ষা সমূহে এ.এম.চি.এইচ.ৰ চৌহদ আৰু তাৰ বাহিৰতো পথ প্ৰদৰ্শন কৰি থাকক। এই কথাকে ব্যক্ত কৰিছে অসম চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ অধ্যাপক, ডাঃ ৰিমা মণি দলে।

### "গাঁৱলৈ যাঁও বলক"'ত জড়িত হ'ব বিদ্যালয় পৰিচালনা সমিতি

# কমলাবাৰী একাডেমিৰ এছএমচিৰ কাৰ্যভাৰ গ্ৰহণ

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ছেপ্টেম্বৰ ঃ** বিদ্যালয় পৰিচালনা সমিতি গঠনত নতুন নিৰ্দেশনাই অধিক অভিভাৱক-অভিভাৱিকাক বিদ্যালয়ৰ কাষ চপাই আনিব। পৰিচালনা সমিতিত একপ্ৰকাৰ মহিলাৰ আধিপত্য নিশ্চিত কৰিছে। চৰকাৰৰ প্ৰত্যাশা পৰিচালনা সমিতিয়ে পূৰ্ণ কৰিব পাৰিলে অচিৰেই চৰকাৰী বিদ্যালয়ৰ সন্মুখৰ সমস্যা নোহোৱা হ'ব। আজি ইয়াৰ কমলাবাৰী একাডেমি (উচ্চ মাধ্যমিক বিদ্যালয়)ৰ নৱগঠিত বিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যভাৰ গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশেষ প্ৰতিনিধি ললিত শইকীয়াই এই মত পোষণ কৰে। এগৰাকী অভিভাৱক ৰান্ধনিচুক গাঁৱৰ নিবাসী অৰূপ ৰেগনে বিদ্যালয় খনৰ নতুন পৰিচালনা সমিতিৰ সভাপতি ৰূপে দায়িত্ব ভাৰ গ্ৰহণ কৰে। নতুন সমিতিৰ আন প্ৰতিনিধি সকলেও দায়িত্ব ভাৰ গ্ৰহণ কৰে। সভাই সৰ্বসন্মতি ক্ৰমে ইতিমধ্যে বিদ্যালয়ৰ প্ৰধানৰ নেতৃত্বত আৰম্ভ কৰা গাঁৱলৈ যাও বলক কাৰ্যসূচীক পূৰ্ণ সমৰ্থন আগবঢ়াই আৰু আগন্তুক দিনত এই কাৰ্যসূচীত বিদ্যালয় পৰিচালনা সমিতিয়েও সহযোগিতা আগবঢ়াই জড়িত হৈ পৰিব বুলি এক প্ৰস্তাৱ গ্ৰহণ কৰে। অক্টোবৰ মাহত সোণোৱাল, ৰান্ধনি চুক আৰু বাঁহপৰা গাঁৱক সামৰি "গাঁৱলৈ যাও বলক" বিস্তৃত কাৰ্যসূচী ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে সভাই। সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে আগন্তুক দিনত বিদ্যালয় খনে হাতত লোৱা কাৰ্যসূচী দাঙি ধৰি প্ৰধান শিক্ষক কমল দত্তই কয়, বিদ্যালয়ৰ শৈক্ষিক উত্তৰণত বিদ্যালয়ৰ সকলো শিক্ষক শিক্ষয়িত্ৰী মিলি লক্ষকেন্দ্ৰিক ৰুটিন যুগুত কৰিছে। অক্টোবৰ মাহৰ পৰাই বিদ্যালয়ত চিইই (competitive Exam.Education, CEE) এক নতুন অৱধাৰণা প্ৰৱৰ্তন কৰিব। জিলাৰ আয়ুক্ত ৰাতুল পাঠকৰ পৰামৰ্শ ভিত্তিত বিদ্যালয়ৰ প্ৰধানে যুগুতোৱা এই অৱধাৰণাৰ যোগে বিদ্যালয়খনত নতুন দিশৰ সূচনা কৰা প্ৰয়াস কৰা হ'ব বুলি তেখেতে আশা কৰে। সভাত নতুন পৰিচালনা সমিতিৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে চৰকাৰী নিৰ্দেশনা আঙুলিয়াই দি তেওঁ বাল্য বিবাহ ৰোধ কৰা, নামভৰ্তিৰ ক্ষেত্ৰত সহায় কৰা, বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীক বিদ্যালয়মুখী কৰা, চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ বাবে যোগান ধৰা সা সামগ্ৰীৰ বিতৰণত চকু দিয়া, অভিভাৱক সভাৰ সক্ৰিয় কৰণত সহযোগিতা কৰা, মধ্যাহ্ন ভোজন নিৰীক্ষণ কৰা, বিদ্যালয়ৰ অনুদান ব্যৱহাৰত লক্ষ ৰখা, বিদ্যালয়ৰ চৌপাশৰ সুৰক্ষাত চকু দিয়া আৰু শৈক্ষিক পৰিকল্পনাত সহায় কৰা অন্যতম বুলি উল্লেখ কৰে। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক তথা পৰিচালনা সমিতিৰ সদস্য অতুল হাজৰিকাই বক্তব্যত বিদ্যালয়খনি আগুৱাই নিয়াত সকলোৱে দৃঢ়তাৰে কাম কৰাত গুৰুত্ব আৰোপ কৰে। সভাৰ আৰম্ভতে প্ৰাক্তন সভাপতি মাখন শইকীয়াই নতুন সমিতিক শুভেচ্ছা জ্ঞাপন কৰে আৰু এই সমিতিয়ে বিদ্যালয়ৰ সোণালী জয়ন্তীৰবৰ্ষ অতি সফলতাৰে ৰূপায়ণ কৰিব বুলি আহ্বান জনায়। সভাত নতুন সদস্য তুলিকা বৰবৰা (উপ-সভাপতি), সদস্য মণি ৰেগন, জোনপ্ৰভা ৰেগন, অৰ্চনা ৰেগন, লক্ষ্মীমতী ৰেগন, কমল ৰাজপুত, শিক্ষক প্ৰতিনিধি পম্পী হাজৰিকা, বিকাশ হাজৰিকা আৰু হিৰক জ্যোতি বৰাই অংশগ্ৰহণ কৰে। সভাই সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ বাবে অ'ক্টোবৰত মাহতে এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা সিদ্ধান্ত ঘোষণা কৰে।

# আটাছুৰ দাবীৰ পাছতেই তৎপৰ প্ৰশাসন আৰু অইল কৰ্তৃপক্ষ

### সাহিত্য সভাৰ অধিৱেশনৰ পূৰ্বেই নিৰ্মাণ হ'ব দুলীয়াজানৰ মূল পথসমূহ

**অসম বাৰ্তা, দুলীয়াজান, ২৫ ছেপ্টেম্বৰ ঃ** উদ্যোগ নগৰী দুলীয়াজানৰ জৰাজীৰ্ণ বাট-পথৰ উন্নয়নকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ দাবীত সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ ডিব্ৰুগড় জিলা সমিতিয়ে গ্ৰহণ কৰা স্থিতিৰ পাছতেই আজি দুলীয়াজান সম-জিলা আয়ুক্তৰ কাৰ্যালয়ত এক ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। টেঙাখাট ৰাজহ চক্ৰ বিষয়া মামন সোণোৱালৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত অইল ইণ্ডিয়া লিমিটেড কৰ্তৃপক্ষই অসম সাহিত্য সভাৰ আগন্তুক দুলীয়াজান অধিৱেশনৰ পূৰ্বেই আটাছুৱে দাবী জনোৱা আটাইকেইটা পথ নিৰ্মাণ কৰাৰ লগতে অন্যান্য সমস্যাসমূহো শীঘ্ৰে সমাধান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। জানিব পৰা মতে, ছাত্ৰ সংগঠনটোৱে টিপলিঙৰ পৰা দুলীয়াজান ৰে'লৱে ষ্টেচন সংযোগী মূল পথছোৱা শীঘ্ৰে নিৰ্মাণ সম্পূৰ্ণ কৰা, পথচাৰীৰ সুবিধাৰ্থে দুয়োকাষৰ ফুটপাথ মুকলি তথা সুচল কৰা আৰু সৌন্দৰ্যবৰ্ধনৰ বাবে উন্নত মানদণ্ডৰ ষ্ট্ৰীট লাইট সংস্থাপন কৰাৰ বাবে দাবী জনাই আহিছিল। একেদৰে অইল ইণ্ডিয়া লিমিটেডৰ দুলীয়াজানস্থিত মুখ্য কাৰ্যালয়ৰ দাঁতিকাষৰীয়া দুলীয়া গাঁও, শুকুটা, বিষ্ণু নগৰ, কুমুদ নগৰ, আনন্দ পাৰা, নতুন পাৰা, সোণাপুৰ, ইন্দ্ৰপুৰী, এন চি গাঁও, ডাকঘৰ পথ, বিজুলীবাৰী, বাম শুকুটা, বুদ্ধ মন্দিৰ, কমলাবাৰী, মাষ্টৰ পাৰা আৰু থাপাবস্তি আদি অঞ্চলৰ মূল পথসমূহো পকীকৰণ তথা নিৰ্মাণৰ বাবে সংগঠনটোৱে সজোৰে দাবী উত্থাপন কৰিছিল। ইয়াৰ উপৰি দুলীয়াজানৰ মূল পথৰ মাজত বিপজ্জনকভাৱে থকা বিদ্যুতৰ খুঁটাসমূহ স্থানান্তৰ কৰা আৰু পথৰ ওপৰত অহেতুকভাৱে ৰখাই থোৱা গধুৰ যান-বাহনসমূহ অন্য স্থানত ৰখোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও আটাছুৱে দাবী জনাইছিল। আজি অনুষ্ঠিত ত্ৰিপাক্ষিক বৈঠকত এই সমগ্ৰ বিষয়সমূহৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয় আৰু অইল কৰ্তৃপক্ষই এই ক্ষেত্ৰত তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে। চক্ৰ বিষয়া মামন সোণোৱালৰ লগতে আজিৰ এই আলোচনাত অইল ইণ্ডিয়া লিমিটেডৰ জনসম্পৰ্কৰক্ষী বিভাগ, চিভিল বিভাগ আৰু গড়কাপ্তানী বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আনহাতে, আটাছুৰ ফালৰ পৰা ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰূপম গগৈ, দুলীয়াজান আঞ্চলিক সমিতিৰ সভাপতি অৰূপ ফুকনৰ লগতে ভাদৈ আঞ্চলিক, বকুলনী আঞ্চলিক আৰু দুলীয়াজান নগৰ শাখা সমিতিৰ সভাপতি-সম্পাদকসকলে বৈঠকত অংশগ্ৰহণ কৰে।

# ছৈখোৱাৰ আৰৈমুৰীয়া গাঁৱত দ্বিতীয় বাৰ্ষিক আৰৈমূৰীয়া কাপৰ প্ৰস্তুতি

**অসম বাৰ্তা, ছৈখোৱা, ২৫ ছেপ্টেম্বৰ ঃ** স্বৰ্গীয় হিতেন্দ্ৰনাথ চেলেং আৰু দুলেশ্বৰ সোণোৱালৰ স্মৃতিত দ্বিতীয় বাৰ্ষিক আৰৈমূৰীয়া কাপৰ আয়োজন কৰিছে। আৰৈমূৰীয়া যুৱকসংঘ আৰু আৰৈমুৰীয়া গাঁওবাসীৰ সহযোগত হালালি খল অৰ্থাৎ আৰৈমুৰীয়া গাওঁ ৰাজহুৱা খেলপথাৰৰ প্ৰাংগনত অহা ১১ অক্টোবৰ ২০২৬ তাৰিখৰ পৰা ০৭ নৱেম্বৰ ২০২৬ তাৰিখলৈ আয়োজন কৰিব লৈছে। প্ৰতিযোগিতা খনিৰ চূড়ান্ত খেলখন দিবা নৈশ ভাৱে আয়োজন কৰিবলৈ লোৱাৰ উপৰিও বিজয়ী দ'লক নগদ ৫০, ০০১ টকা, বিজিত দ'লক ৩০০০১ টকা, শৃংখলাবদ্ধ দ'লক ৪০০১ টকা সহ ট্ৰফী লগতে শ্ৰেষ্ঠ খেলুৱৈ, সৰ্বাধিক গ'লদাতা, শ্ৰেষ্ঠ প্ৰতিৰক্ষক, শ্ৰেষ্ঠ গ'লৰক্ষককক নগদ ধন আৰু ট্ৰফীৰে পুৰস্কিত কৰি হ'ব বুলি জানিবলৈ দিছে। আয়োজক সমিতিয়ে যোগাযোগৰ বাবে ৬০০২৩৩০০৮৯ আৰু ৭০০২৯৮৩৭০৮ নম্বৰ মুকলি কৰিছে আৰু যোগদানৰ অন্তিম তাৰিখ ৩০/৯/২৬ ধাৰ্য্য কৰিছে।

# নাজিৰাৰ কে.কে বৰুৱা আলি নিৰ্মাণত ৯২ লাখ টকাৰ অনিয়মৰ অভিযোগ টাইপাৰ

### তদন্তৰ দাবীৰে স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, চেলেংহাট, ২৫ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নাজিৰা সমষ্টিৰ প্ৰায় ৪০খন গাঁৱৰ একমাত্ৰ সংযোগী পথ কে.কে বৰুৱা আলি নিৰ্মাণত প্ৰায় ৯২ লাখ টকাৰ অনিয়ম সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ১১.৫৬৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটোৰ নিৰ্মাণত প্ৰায় ৯২ লাখ টকাৰ কাল্পনিক মাটিৰ কাম দেখুৱাই ৰাজহুৱা ধন লুণ্ঠনৰ অপচেষ্টা চলিছে বুলি অভিযোগ তুলিছে তাই আহোম যুৱ পৰিষদ, অসম (টাইপা)ৰ আমগুৰি আঞ্চলিক সমিতিয়ে। এই সন্দৰ্ভত সংগঠনটোৱে অলপতে আমগুৰি ৰাজহ চক্ৰ বিষয়াক এখন স্মাৰক পত্ৰও প্ৰদান কৰে। সংগঠনটোৰ অভিযোগ অনুসৰি, কাগজত ৯৭.৮০ লাখ টকাৰ মাটিৰ কামৰ বাবে ধনৰ আৱণ্টন হৈছিল, ইয়াৰে ৭৭.৫১ লাখ টকা চাইড বাম নিৰ্মাণৰ বাবে আৰু ২০.২৯ লাখ টকা মাটিৰ কামৰ বাবে পৃথকে আৱণ্টন কৰা দেখুওৱা হৈছে। কিন্তু বিভাগীয় অভিযন্তা আৰু ঠিকাদাৰে চাইড বামত অলপমান মাটি পেলায়েই সমগ্ৰ ৯৭ লাখ টকা আত্মসাৎ কৰাৰ অভিসন্ধি ৰচনা কৰিছে বুলি টাই পাৰ বিষয়ববীয়াসকলে অভিযোগ উত্থাপন কৰিছে। উত্থাপিত অভিযোগ অনুসৰি পথটোৰ প্ৰাক্কলনতো বিসংগতি কৰি আৱণ্টিত ধনৰাশি আত্মসাতৰ কৌশল ৰচনা কৰিছে বিভাগীয় বিষয়া আৰু সংশ্লিষ্ট ঠিকাদাৰে। টাইপাৰ আমগুৰি আঞ্চলিক সমিতিৰ মুখ্য উপদেষ্টা আদিত্য ৰুচাও, সভাপতি ৰাজা গগৈ, যুটীয়া সম্পাদক ৰাহুল সন্দিকৈ আৰু ৰণ্টু কোঁৱৰ স্বাক্ষৰিত এই স্মাৰক পত্ৰত বিষয়টোৰ সন্দৰ্ভত শীঘ্ৰে তদন্ত কৰি দোষী বিষয়া আৰু ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ দাবী জনোৱা হৈছে। অন্যথা সংগঠনটোৱে গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলি জনাইছে।

# সৰুপথাৰত ভাৰোত্তোলন খেলুৱৈ বাছনি পৰীক্ষা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২৫ ছেপ্টেম্বৰ ঃ** ভাৰোত্তোলন খেলৰ প্ৰতি আগ্ৰহী কিশোৰ-কিশোৰীসকলৰ বাবে এক সুন্দৰ সুযোগ কঢ়িয়াই আনিছে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে। সৰুপথাৰ নগৰৰ কুশল কোঁৱৰ ষ্টেডিয়ামত অহা ১৭ আৰু ১৮ অক্টোবৰত ভাৰোত্তোলন খেলুৱৈ বাছনিৰ বাবে এক বিশেষ নিৰ্বাচনী পৰীক্ষা অনুষ্ঠিত হ'ব। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ উদ্যোগত ই. কে.আই.এ., কে.আই.এ., এন.চি.অ'.ই. স্কীম আৰু খেল ইণ্ডিয়া ৰেচিডেনচিয়েল স্কীমৰ বাবে অসমৰ বিভিন্ন প্ৰান্তৰ ৮ৰ পৰা ১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ মাজত এই বাছনি পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। ভাৰোত্তোলন খেলৰ প্ৰতি আগ্ৰহী আৰু প্ৰতিভাৱান শিশুসকলক এই নিৰ্বাচনী পৰীক্ষাত অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰাৰ লগতে ক্ৰীড়া ক্ষেত্ৰত আগবঢ়াৰ এই সুযোগ গ্ৰহণ কৰিবলৈ আয়োজকসকলে আহ্বান জনাইছে। স্থান- কুশল কোঁৱৰ ষ্টেডিয়াম, সৰুপথাৰ, গোলাঘাট জিলা, তাৰিখ- ১৭ আৰু ১৮ অক্টোবৰ, বয়স- ৮ বছৰৰ পৰা ১৪বছৰলৈকে। যোগাযোগৰ বাবে শান্তনু গগৈৰ ৭০০২৮৩১৫৮৮ আৰু অজয় চেতীয়াৰ ৭০০২৫৮৫৪৯১ মোবাইল নম্বৰত যোগাযোগ কৰিব পাৰিব।

### জিলা আয়ুক্তৰ দ্বাৰা বিদ্যালয়-মহাবিদ্যালয়ৰ কৰ্তৃপক্ষলৈ নিৰ্দেশনা জাৰি; কঠোৰভাৱে নিৰ্দেৰনাৱলী পালনৰ ওপৰত গুৰুত্ব আৰোপ

# পথ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে পথ দুৰ্ঘটনা ৰোধৰ প্ৰতি অধিক সচেষ্ট শিৱসাগৰ জিলা প্ৰশাসন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৫ ছেপ্টেম্বৰ ঃ** শেহতীয়াকৈ সংঘটিত হোৱা বৰ্ধিত পথ দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত পথ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে দুৰ্ঘটনা ৰোধৰ উদ্দেশ্যে শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল য়াদৱে আজি এক আদেশ যোগেদি জিলাখনৰ বিদ্যালয়-মহাবিদ্যালয়ৰ অধ্যক্ষ সকলক উদ্দেশ্যি কঠোৰভাৱে পালন কৰাকৈ তথা তৎকালীনভাৱে বলবৎ হোৱাকৈ কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। এই আদেশ মৰ্মে, দুচকীয়া বাহন চলোৱা সকলো ছাত্ৰ-ছাত্ৰীক বাহন চলোৱাৰ সময়ত মানসম্পন্ন সুৰক্ষামূলক হেলমেট পৰিধান কৰিবলৈ আৰু সেইটো সঠিকভাৱে বান্ধি ল'বলৈ কঠোৰভাৱে পৰামৰ্শ দিব লাগিব। আনহাতে, প্ৰযোজ্য আইন অনুসৰি পিছৰ আসনত বহা আৰোহীয়েও (Pillion Rider) হেলমেট পৰিধান কৰিব লাগিব। গাড়ী তথা অন্যান্য প্ৰযোজ্য বাহনত যাতায়াত কৰা ছাত্ৰ-ছাত্ৰীসকলক সদায় ছিট বেল্ট বান্ধিবলৈ সচেতন কৰি তুলিব লাগিব। আইনগতভাৱে নিৰ্ধাৰিত বয়স নোহোৱাকৈ আৰু বৈধ চালকৰ অনুজ্ঞাপত্ৰ (Driving Licence) নথকাকৈ কোনো ছাত্ৰ-ছাত্ৰীক মটৰ বাহন চলাবলৈ অনুমতি বা উৎসাহ দিব নালাগে। শৈক্ষিক প্ৰতিষ্ঠানৰ কৰ্তৃপক্ষই এই সন্দৰ্ভত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক সচেতন কৰিব লাগিব। ইয়াৰ লগতে দুচকীয়া বাহনত তিনিজন উঠি যোৱা (triple riding) বা বাহনখনৰ অনুমোদিত ক্ষমতাতকৈ অধিক আৰোহী কঢ়িয়াই নিয়াৰ বিৰুদ্ধে ছাত্ৰ- ছাত্ৰীসকলক কঠোৰভাৱে সতৰ্ক কৰি দিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক অতিদ্ৰুত গতি (overspeeding), বা বিপজ্জনকভাৱে বাহন চলোৱা (rash driving), বিপজ্জনকভাৱে অভাৰটেক কৰা আৰু অন্যান্য সকলো ধৰণৰ অসাৱধানতামূলক আচৰণৰ বা প্ৰৱণতাৰ বিৰুদ্ধে সচেতন কৰি তুলিব লাগিব। ইয়াৰোপৰি বাহন চলোৱাৰ সময়ত মোবাইল ফোন বা মনোযোগ বিঘ্নিত কৰা আন কোনো ডিভাইচ ব্যৱহাৰ নকৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক কঠোৰভাৱে নিৰ্দেশ দিব লাগিব। সুৰাপান কৰি আন কোনো নিচাজাতীয় দ্ৰব্য সেৱন কৰি বাহন চলোৱাটো আইনত নিষিদ্ধ আৰু অতি বিপজ্জনক। এই সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰি তুলিব লাগিব। ছাত্ৰ- ছাত্ৰীসকলক যান-বাহনৰ নিয়মাৱলী, ট্ৰেফিক ছিগনেল, পথ সংকেত, লেনৰ অনুশাসন আৰু ট্ৰেফিক আৰক্ষীয়ে প্ৰদান কৰা নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশনা দিব লাগিব। শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষই নিশ্চিত কৰিব লাগিব যে, ছাত্ৰ-ছাত্ৰী পৰিবহণৰ কামত ব্যৱহৃত বাছ, ভেন আৰু অন্যান্য বাহনসমূহে সকলো প্ৰযোজ্য মটৰ বাহন আইন, সুৰক্ষাৰ মানদণ্ড আৰু নিৰ্ধাৰিত উপযুক্ততাৰ চৰ্ত (fitness requirements) মানি চলে। য'তেই উপলব্ধ থাকে, ত'তেই ছাত্ৰ-ছাত্ৰীসকলক পথচাৰীৰ পাৰাপাৰ (pedestrian crossings), পদপথ (footpath) আৰু অন্যান্য নিৰ্ধাৰিত সুবিধাসমূহ ব্যৱহাৰ কৰিবলৈ আৰু পথ পাৰ হোৱাৰ সময়ত প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰিবলৈ উৎসাহিত কৰিব লাগিব। পথ সুৰক্ষা, কম বয়সীয়া (underage) লোকে বাহন চলোৱাৰ আইনী পৰিণাম, আৰু হেলমেটৰ বাধ্যতামূলক ব্যৱহাৰ আদিৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকসকলক সচেতন কৰিবলৈ শিক্ষানুষ্ঠানসমূহৰ মুৰব্বীসকলক আহ্বান জনোৱা হয়। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষানুষ্ঠানত উপস্থিত হোৱাৰ আৰু বিদায় লোৱাৰ সময়ছোৱাত বিশেষ গুৰুত্ব দিব লাগিব, আৰু এনে উলংঘন ৰোধ কৰিবলৈ শৈক্ষিক প্ৰতিষ্ঠানৰ চৌহদৰ ভিতৰত তথা প্ৰৱেশ- প্ৰস্থানৰ পথত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। জিলা প্ৰশাসনে সকলো সংশ্লিষ্ট শিক্ষানুষ্ঠানৰ মুৰব্বীক উক্ত নিৰ্দেশনাৱলীসমূহ কঠোৰভাৱে পালন কৰিবলৈ নিৰ্দেশ প্ৰদান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুৰক্ষিত তথা দায়িত্বশীল পথ আচৰণৰ সন্দৰ্ভত ধাৰাবাহিক সজাগতা সৃষ্টি কৰাৰ বাবে দায়বদ্ধতাৰে পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে প্ৰযোজ্য ট্ৰেফিক আইনৰ যিকোনো ধৰণৰ উলংঘনৰ ক্ষেত্ৰত নিৰ্ধাৰিত আইনৰ বিধান অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

### প্ৰমাণপত্ৰ কোনে প্ৰদান কৰিব তাক লৈ বিভ্ৰান্তিত প্ৰায় ৬০ হাজাৰ লোক

# মাজুলীত অনুসূচিত জাতিৰ পৰিচয় প্ৰমাণপত্ৰ বিতৰণক লৈ বিসংগতি

### এফালে অনুসূচিত জাতি পৰিষদ, আনফালে অনুসূচিত জাতি উন্নয়ন পৰিষদ

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ ছেপ্টেম্বৰ ঃ** অনুসূচিত জাতিৰ পৰিচয় প্ৰমাণপত্ৰ বিতৰণক কেন্দ্ৰ কৰি মাজুলী জিলাত সৃষ্টি হৈছে ব্যাপক বিভ্ৰান্তি। জিলাখনত অনুসূচিত জাতিৰ পৰিচয় প্ৰমাণপত্ৰ প্ৰদানৰ অধিকাৰক লৈ অনুসূচিত জাতি পৰিষদ আৰু অনুসূচিত জাতি উন্নয়ন পৰিষদৰ মাজত মতানৈক্যই নতুন ৰূপ লোৱাত বিষয়টোক লৈ সম্প্ৰদায়টোৰ মাজতো প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে, দীৰ্ঘদিন ধৰি অনুসূচিত জাতি পৰিষদৰ সভাপতি দেৱজিৎ হাজৰিকাই জিলাখনৰ অনুসূচিত জাতিৰ লোকসকলক জাতিৰ পৰিচয় প্ৰমাণপত্ৰ প্ৰদান কৰি আহিছিল। কিন্তু ইয়াৰ মাজতে চৰকাৰীভাৱে নিযুক্ত অনুসূচিত জাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰফুল্ল কুমাৰ দাসে পৰিচয় প্ৰমাণপত্ৰ প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰাত বিষয়টোক লৈ দুয়োপক্ষৰ মাজত মতানৈক্যৰ সৃষ্টি হয়। অনুসূচিত জাতি পৰিষদৰ সভাপতি দেৱজিৎ হাজৰিকাই উন্নয়ন পৰিষদৰ অধ্যক্ষই প্ৰমাণপত্ৰ প্ৰদান কৰা কাৰ্যৰ বিৰোধিতা কৰাৰ পাছতে বিষয়টোৱে অধিক গুৰুত্ব লাভ কৰে। ইয়াৰ বিপৰীতে অনুসূচিত জাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰফুল্ল কুমাৰ দাসৰ লগতে অনুসূচিত জাতি ছাত্ৰ সন্থাকে ধৰি কেইবাটাও সংগঠনে এই বিষয়ত নিজৰ স্থিতি স্পষ্ট কৰিছে। এই সন্দৰ্ভত উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰফুল্ল কুমাৰ দাসৰ লগতে বিভিন্ন সংগঠনে আজি গড়মূৰৰ আম্বেদকাৰ ভৱনত সংবাদমেল অনুষ্ঠিত কৰি অনুসূচিত জাতি পৰিষদৰ সভাপতি দেৱজিৎ হাজৰিকাৰ ভূমিকাক লৈয়ো প্ৰশ্ন উত্থাপন কৰে। এই সন্দৰ্ভত প্ৰফুল্ল কুমাৰ দাসে তেওঁ ৰাজ্যপালে জাৰি কৰা ৰাজপত্ৰত উল্লেখ থকা নিৰ্দেশনা মতেই তেওঁ প্ৰমাণ পত্ৰ প্ৰদান কৰি আহিছে আৰু এয়া সম্পূৰ্ণ নীতি নিয়ম মতেই কৰি অহা বুলি উল্লেখ কৰে। তেওঁ এই প্ৰমাণ পত্ৰ প্ৰদানৰ নামত যি পৰিমাণৰ সামান্যতম মাচুল সংগ্ৰহ হয় সেয়া সমাজৰ উন্নয়নৰ কামতেই ব্যৱহাৰ কৰি অহা বুলিও উল্লেখ কৰে। ইফালে প্ৰফুল্ল কুমাৰ দাসে জাতি পৰিষদৰ সভাপতি দেৱজিৎ হাজৰিকাই তেওঁৰ প্ৰকৃত নামত প্ৰমাণ পত্ৰ সমূহ নিদিয়া বুলিহে অভিযোগ উত্থাপন কৰি ইমানদিনে তেওঁ প্ৰমাণ পত্ৰ সমূহ দিয়াৰ নামত সংগ্ৰহ কৰা ধন ক'ত গৈছে বুলিও প্ৰশ্ন উত্থাপন কৰে। অৱশেষ সংবাদমেলত সমগ্ৰ বিষয়টোৰ উচিত তদন্তৰ দাবী জনোৱাৰ লগতে মাজুলী জিলা আয়ুক্তক বিষয়টো গুৰুত্বসহকাৰে লৈ যথোচিত তদন্ত আৰম্ভ কৰিবলৈ আহ্বান জনায়। ইফালে, কোনখন পৰিষদ বা কোনজন কৰ্তৃপক্ষৰ পৰা অনুসূচিত জাতিৰ পৰিচয় প্ৰমাণপত্ৰ গ্ৰহণ কৰিব, সেই লৈ জিলাখনৰ অনুসূচিত জাতিৰ লোকসকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। প্ৰায় ৬০ হাজাৰ লোক এই বিষয়টোৰ সৈতে জড়িত বুলি দাবী কৰা হৈছে। সেয়েহে বিষয়টোৰ স্পষ্টীকৰণ আৰু প্ৰমাণপত্ৰ প্ৰদানৰ ক্ষেত্ৰত চৰকাৰীভাৱে নিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন হৈছে। বিষয়টোক লৈ সৃষ্টি হোৱা এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে কি পদক্ষেপ গ্ৰহণ কৰে আৰু প্ৰমাণপত্ৰ প্ৰদানৰ ক্ষেত্ৰত কোনটো কৰ্তৃপক্ষৰ বৈধতা আছে, সেয়া এতিয়া গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে।

### আধাৰ আৰু বেংক একাউণ্টৰ জৰিয়তে তিনিচুকীয়াৰ গ্ৰামাঞ্চলৰ মাতৃসকলৰ কাষ চাপিছে চৰকাৰী স্বাস্থ্যকল্যাণ

# পদূলি মুখতে মাতৃকল্যাণৰ চৰকাৰী আঁচনিৰ সুবিধা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাত গৰ্ভৱতী মহিলা আৰু নৱজাতকৰ মাতৃসকলক চৰকাৰী স্বাস্থ্য আঁচনিৰ সুবিধা প্ৰদানৰ বাবে বিশেষ আধাৰ পঞ্জীয়ন আৰু বেংকিং সেৱা শিবিৰ অনুষ্ঠিত কৰি থকা হৈছে। দূৰত্ব, নথি-পত্ৰ, আধাৰ সংযোগ আৰু বেংক একাউণ্টৰ সমস্যাৰ বাবে যাতে কোনো হিতাধিকাৰী বঞ্চিত নহয়, সেই উদ্দেশ্যে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে এই পদক্ষেপ গ্ৰহণ কৰিছে। চাহ-বাগিচা অঞ্চলৰ গৰ্ভৱতী মহিলাৰ 'মজুৰি ক্ষতিপূৰণ আঁচনি' আৰু 'জননী সুৰক্ষা যোজনা'ৰ সুবিধা সহজে লাভ কৰাৰ বাবে স্বাস্থ্য কেন্দ্ৰ আৰু চাহ-বাগিচাৰ শ্ৰমিক লাইনত শিবিৰ অনুষ্ঠিত কৰা হৈছে। হাপজান খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত ম'হখুলি আদৰ্শ চিকিৎসালয়, লেজাইহোলা আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু ডুমডুমা নগৰীয়া স্বাস্থ্য আৰু সুস্থতা কেন্দ্ৰৰ সহযোগত অনুষ্ঠিত ১০টা শিবিৰত ৪০০গৰাকী হিতাধিকাৰীৰ আধাৰ পঞ্জীয়ন আৰু ৪০৯টা নতুন বেংক একাউণ্ট খোলা হয়। পৰৱৰ্তী পৰ্যায়ত আৰু ২১০গৰাকী হিতাধিকাৰীক এই কাৰ্যসূচীৰ আওতালৈ অনাৰ পৰিকল্পনা কৰা হৈছে। কাকপথাৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত ডুমডুমা ফাৰ্ষ্ট ৰেফাৰেল ইউনিট আৰু ডাঙৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত অনুষ্ঠিত শিবিৰৰ জৰিয়তে ৮৩গৰাকী হিতাধিকাৰীৰ আধাৰ পঞ্জীয়ন আৰু বেংক একাউণ্ট খোলাৰ ব্যৱস্থা কৰা হয়। বিষয়াসকলে জনোৱা মতে, নথি-পত্ৰৰ সমস্যাৰ বাবে কোনো আবেদন নাকচ হোৱা নাই। ইপিনে কেটেটং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত পাৱৈ আৰু নামদাং চাহ-বাগিচাত অনুষ্ঠিত শিবিৰত ৬০গৰাকী গৰ্ভৱতী চাহ-শ্ৰমিক মহিলাক আধাৰ পঞ্জীয়ন আৰু ব্যক্তিগত বেংক একাউণ্ট খোলাত সহায় কৰা হয়। শ্ৰমিকসকলে কৰ্মস্থলীৰ কাষতে এই সেৱা লাভ কৰে। এই ব্যৱস্থাৰ জৰিয়তে 'প্ৰত্যক্ষ লাভ হস্তান্তৰ (DBT)'ৰ অধীনত মাতৃকল্যাণমূলক আঁচনিৰ ধন পোনপটীয়াকৈ হিতাধিকাৰীৰ বেংক একাউণ্টত জমা কৰাৰ পথ মুকলি হৈছে। গৰ্ভাৱস্থা আৰু সন্তান প্ৰসৱৰ সময়ত উপাৰ্জন হ্ৰাস পোৱা চাহ-শ্ৰমিক মহিলাসকলৰ বাবে মজুৰি ক্ষতিপূৰণ আৰু জননী সুৰক্ষা যোজনাৰ সাহায্য সময়মতে লাভ কৰাত আধাৰ-সংযুক্ত বেংক একাউণ্টে সহায় কৰিব। বিভাগীয় বিষয়াসকলৰ মতে, এই শিবিৰসমূহে স্বাস্থ্যসেৱা আৰু বিত্তীয় অন্তৰ্ভুক্তিৰ মাজৰ দূৰত্ব কমাইছে। চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ সুবিধা শেষৰজন হিতাধিকাৰীৰ হাতত সময়মতে উপনীত কৰোৱাই এই পদক্ষেপৰ মূল লক্ষ্য।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন